# শৰাইঘাট

ড০ দীপক মজুমদাৰ

অংশুমান প্ৰকাশন
গুৱাহাটী

**SARAIGHAT** : A Collection of Assamese Thrillers written by Dr. Deepak Majumdar & Published by M/s Angshuman Prakashan, New Sarania, Guwahati.

# শৰাইঘাট

ৰহস্য গল্পৰ সংকলন

লিখক ঃ

ড০ দীপক মজুমদাৰ

প্ৰকাশক ঃ

অংশুমান প্ৰকাশন

নতুন শৰণীয়া, গুৱাহাটী

প্ৰথম প্ৰকাশ ঃ

জুন, ২০০৬

মুদ্ৰক ঃ

পাঠশালা অফ্‌চেট প্ৰিণ্টাচ্

লাচিত নগৰ, পাঠশালা

মূল্য ঃ

বিশ টকা

## এই একে লিখকৰে ঃ

- শংকা আশংকা আৰু মৃত্যু
- আক্ৰোশ
- নিচান
- সোণালী পৰশ
- ৰক্তিম ৰত্ন
- শিখৰৰ ৰাজকন্যা

শৰাইঘাট
মোৰ সৰমৰ একমাত্ৰ
ভণ্টি
আইজনীৰ
হাতত তুলি দিলোঁ।

ড° দীপক মজুমদাৰ

সংকলনখনত থকা গল্পকেইটা জনপ্ৰিয় আলোচনী ৰহস্য আৰু বিস্ময়ত প্ৰকাশ পাইছিল। এতিয়া গ্ৰন্থাকাৰে প্ৰকাশ পোৱাৰ সময়ত সম্পাদক দুজনলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গল্পকেইটাৰ পটভূমি বাস্তৱ। কিন্তু কাহিনী আৰু চৰিত্ৰ এই সকলোবোৰ কাল্পনিক, বাস্তৱৰ লগত ক'তো মিল নাই।

এই সংকলনখন প্ৰকাশৰ সময়ত দুজনলৈ মই কৃতজ্ঞতা জনাবই লাগিব। এজন হ'ল শ্ৰীপুলু শৰ্মা আৰু আনজন হ'ল শ্ৰীসঞ্জয় পাটগিৰি। এওঁলোক দুজনৰ অবিহনা অবিহনে সংকলনখন প্ৰকাশ নাপালেহেঁতেন।

ড° দীপক মজুমদাৰ
১ জুন, ২০০৬

সূচী ঃ


| | | |
|---|---|---|
| শৰাইঘাট | ঃ ১ ঃ | |
| আলোড়ন | ঃ ২৪ ঃ | |
| আঘাত | ঃ ৫২ ঃ | |
| মৃত্যুৰ ছাঁ | ঃ ৭৬ ঃ | |

# শৰাইঘাট

নিশাৰ অন্ধকাৰত পুৰণিকলীয়া দুই মহলীয়া ঘৰটো প্ৰেতপুৰী যেন লাগিছিল। এনেয়ে হ'লে তলৰ বাটত, বাৰাণ্ডাত, বাহিৰৰ গেটত আৰু পিছফালৰ বাৰাণ্ডাত বাল্ব একোটা জ্বলি থাকে। আজি সকলো নুমাই আছে। নিঃসীম অন্ধকাৰত অভিজিৎ আগতেও আছিল। আজি পিছে তাৰ মনলৈ এক অহেতুক ভয়ৰ ভাব আহিছে। বিশাল ঘৰখনত কোনো নাই এতিয়া। মাক-দেউতাক, ভনীয়েক সকলো গৈছে নগাঁৱলৈ। মাহীয়েকৰ বিয়াৰ বাবে। এই মাহতে তাৰ পৰীক্ষা, সেইকাৰণে সি থাকি গ'ল। বাহাদুৰে ৰান্ধি দিয়া ভাত-পানী খাই যেতিয়া সি ওপৰ মহলাৰ তাৰ কোঠাৰ চিনাকি বিছনাখন পালেহি তেতিয়াহে তাৰ মনত ভয়ৰ ভাব সোমাল। বাহাদুৰে শুলেগৈ তলৰ গেৰেজৰ কাষৰ কোঠাটোত।

এতিয়া সি অকলশৰীয়া।

অভিজিতে মনলৈ সাহস আনিবলৈ টি. ভিটো চলাই দিছিল। এতিয়া কিন্তু সি নিজকে অভিশাপ দিছে কিয় টি. ভিটো চলালে সি। টি. ভিৰ পৰ্দাত তেতিয়া চিনেমা এখন চলি আছিল। ঠিক একে পৰিস্থিতি এটা। বিশাল ঘৰখনত অকল এজন মানুহ শুই আছে আৰু তেওঁৰ ওচৰ চাপি আহিছে ক'লা কোট পিন্ধা অজান আততায়ী এজন। গতিকে অভিজিতৰ এতিয়া টোপনি নাহে।

তেনেতে টিভি আৰু লাইট দুয়োটা নুমাই গ'ল হঠাত।

সি বিছনাখনৰ পৰা উঠি ল'লে। তাৰ কোঠাটো পাৰহৈ এটা দীঘল কৰিডৰ, কৰিডৰটোৰ এটা মূৰত তললৈ যোৱা চিৰিটো। আৰু চিৰিটোৰ মুখতে থকা টেবুল এখনত টেলিফোনটো আছে। সি টেলিফোনটোৰ কাষ চাপিলে। তাৰ হাতত কণমানি টৰ্চ এটা। সি ৰিচিভাৰটো দাঙি ল'লে। দেউতাকে কৈ গৈছিল কিবা অসুবিধা পালেই অকণ খুড়াকক ফোন কৰিবলৈ। এতিয়া তাক নিজৰ মানুহ এজনক ওচৰত লাগে।

ৰিচিভাৰটো দাঙিয়েই সি আৰু ভয় খালে।

দুজন মানুহে কথা পাতি আছে। হিন্দীত। ক্ৰচ কানেকচ্ন হৈছে।

হে ভগৱান কি কথা পাতিছে তেওঁলোকে? অভিজিতৰ পোন্ধৰ বছৰীয়া কৈশোৰ মনটো হিম শীতল হৈ গ'ল।

'ৰেলখন কেইটা বজাত এৰিব?' কোনোবা এজনে সুধিছে।

'ঠিক ৰাতিপুৱা পাঁচ বজাত।' অইন এজনৰ উত্তৰটো অভিজিতৰ কাণত পৰিল।

'তেতিয়াতো আন্ধাৰেই হৈ থাকিব।'

'সেইকাৰণেইতো কামৰূপ এক্সপ্রেছখন বাছি লৈছো।'

'ঠিক আছে। কামাখ্যা ষ্টেচন কেইটাত পাব?'

'পাঁচ বাজি পোন্ধৰ মিনিটত।'

'কিমান সময় ৰব?'

'আগেয়ে দহ মিনিট বৈছিল। আজিকালি মাত্র পাঁচ মিনিট ৰয়।'

'আৰু শৰাইঘাট ব্ৰীজ কেইটাত পাব'?'

'ষ্টেচন এৰাৰ পাঁচ মিনিট পিছতেই।'

'তেন্তে ব্ৰীজৰ মাজডোখৰ পাওঁতে আৰু দুই মিনিট লাগিব।'

'আপুনি ঠিকেই ধৰিছে আলী চাহাব।'

'বম্বটো কেতিয়া ফুটিব?'

'ঠিক তেতিয়াই। এমিনিটৰো ইফাল-সিফাল নহয়। আই. এছ. আইৰ ডিভাইচ কেতিয়াবা ফেইল হয় জানো? কেতিয়াওঁ নহয়। কালিলৈয়ো নহ'ব।'

'ঠিক আছে। উইচ ইউ অল দ্য বেষ্ট।'

'থেংক ইউ। মই ৰাতিপুৱাই আপোনাক ফোন কৰিম।'

'ফোন নকৰিলেও কোনো কথা নাই। মই হোটেলৰ খিৰিকীখন খুলি ল'ম। এক্সপ্ৰেছনটো ডাঙৰ হ'লে অন্ততঃ জুইৰ পোহৰ দেখিম। শব্দও শুনা পাব পাৰো। নহয় নে?'

'হয়।'

'ঠিক আছে। থওঁ এতিয়া।'

ফোনটো আকৌ নিমাওমাও হৈ পৰিল। অভিজিতৰ অন্তৰখন কঁপিব ধৰিলে। সি যি শুনিলে সেইয়া যদি সঁচা হয় তেন্তে সকৰে পৰা দেখি থকা মৰমৰ শৰাইঘাট দলংখন ভাঙি চূৰমাৰ হৈ যাব। শ-শ মানুহ মৰিব। সেইটো হ'বলৈ সি কোনো পধ্যেই দিব নোৱাৰে। কিন্তু তাৰ হাতত এতিয়া উপায় কি আছে!! অস্ত্ৰ মাত্ৰ এপাতেই, সেইটো হৈছে ফোনটো।

অভিজিতে ডায়েল কৰিলে।

অকণ খুড়া এতিয়া প্ৰেছতে থাকিব। সি জানে খুড়াকৰ ৰাতিলৈকে নাইট ডিউটি থাকে। নিউজ পেপাৰৰ প্ৰথমটো কপি লৈহে তেওঁ ঘৰলৈ উভতে।

'হেল্লো!!'

২

নিশা ঠিক দুইবজাৰ লগে লগে প্ৰেছৰ পৰা বাতৰি কাকতখনৰ প্ৰথমটো কপি ওলায়। ছাব এডিটৰ অকন শৰ্মাই ওপৰে ওপৰে কাকতখন এবাৰ চকু ফুৰাই লয়। কাকতখন লৈয়ে তেওঁ ওলাই আহে। নিশাৰ অন্ধকাৰত ডুব গৈ থকা গুৱাহাটীৰ নীৰৱ পথেৰে স্কুটাৰখন চলাই বামুনীমৈদামৰ ঘৰলৈ উভতে। আজি কিন্তু ব্যতিক্ৰম হ'ল। ইলেকট্ৰিচিটিৰ খাম খেয়ালীৰ বাবেই আজি দেৰী হ'ল। ঠিক আঢ়ৈ বজাতহে তেওঁ কাকতৰ প্ৰথমটো কপি পালে। আজি কিন্তু তেওঁ চিৰাচৰিত ভাৱে কাকতখনৰ ওপৰত ওপৰে ওপৰে চকু নুফুৰালে। কাষলতিৰ তলত বাতৰি কাকতখন সুমুৱাই তেওঁ নিউজ পেপাৰৰ অফিচটোৰ পৰা ওলাই আহিল।

তেওঁৰ মুডটো আজি বেয়া।

নিশা এঘাৰ বজালৈ সকলো ঠিক আছিল।

বেমেজালি আৰম্ভ হ'ল অভিজিতৰ ফোনটো অহাৰ পৰাহে। ককায়েক-বৌয়েক যে নগাঁৱলৈ বিয়া খাবলৈ যাব অকন শৰ্মাই জানে। কিন্তু ঘৰত যে পোন্ধৰ বছৰীয়া অভিজিতক অকলশৰে এৰি থৈ যাব আৰু সিয়ো যে নিশা এঘাৰ বজাত ফোন কৰি এটা অবান্তৰ ক্ৰচ কানেকছনৰ প্ৰসংগ ক'ব সেইয়া তেওঁৰ সপোনৰো অগোচৰ আছিল। অভিজিতে যে এনিড ব্লাইটনৰ এডভেঞ্চাৰ উপন্যাসবোৰ পঢ়ি পঢ়ি কল্পনাৰ ৰাজ্যত উটি-ভাঁহি থাকে খুড়ায়েক অকন শৰ্মাহি নজনা নহয়। তেওঁ পিছে অভিজিতক নবকিলে। চিন্তা নকৰি শুই থাকিবলৈ কৈ তেওঁ ফোনটো থৈ দিছিল।

'কাৰ ফোন আছিলনো শৰ্মাদা!' সুধিছিল সুধীৰ দাসে, শৰ্মাৰ সহযোগী।

'ভতিজাটোৱে ফোন কৰিছিল। ঘৰত অকলে আছে। ভয় খাইছে।'

'টিভি চলাই শুই থাকিবলৈ কওঁক।'

'সেই বুলিয়েই কৈছো।' কথাষাৰ কৈ অকন শৰ্মাই আকৌ শুধিলে 'দাস! ৰাতিপুৱা পাঁচ বজাত কোনখন ট্ৰেইন গুৱাহাটী এৰে বাৰু?'

'ৰাজধানী এক্সপ্ৰেছখন।'

'হয়তো?'

'অঁ। মই নিজেই যোৱা মাহত সেই সময়তে গৈছিলো।'

শৰ্মাৰ মনলৈ সকাহ ঘূৰি আহিল। অভিজিতে ভাৱ ৰাজ্যত আপোনমনে বিচৰণ কৰি আছে, তেওঁ যেন নিশ্চিত হ'ল। সেয়ে হ'লেও সেই তেতিয়াৰে পৰা তেওঁৰ মনটো গোমা। মাজে মাজে একোবাৰ চিৰিংকৈ যায় মনটো। অভিজিতৰ কথা যদি সঁচা হয় তেতিয়া কি হ'ব !!

জনশূন্য পথেৰে বেছ দ্ৰুতগতিত স্কুটাৰখন চলাই আহিয়ে বামুনীমৈদামৰ লেভেল

ক্ৰছিঙত তেওঁ স্কুটাৰখন ৰখাই দিব লগা হ'ল। অইন দিনাখন এই সময়ত লেভেল ক্ৰছিঙটো কেতিয়াও বন্ধ হৈ থকা অৱস্থাত তেওঁ পোৱা নাই। নিশাৰ অন্ধকাৰত অকলে স্কুটাৰখনত বহি থাকিবলৈ তেওঁৰ বিৰক্তি উপজিল। লেভেল ক্ৰছিঙৰ গেটমেনজন বন্ধ হৈ থকা গেটখনৰ লোহাৰ ডাং ডালত আঁউজি থিয় হৈ থকা দেখি তেওঁ সুধি পেলালে 'কি ৰেল যাবহে এতিয়া? মালগাড়ী নহয়তো!!'

'মালগাড়ী নহয়। পেচেঞ্জাৰ ট্ৰেইন। কামৰূপ এক্সপ্ৰেছ।'

অকন শৰ্মাৰ বুকুখন চিৰিংকৈ গ'ল। তেওঁ আকৌ সুধিলে 'কি ট্ৰেইন বুলি ক'লা?'

'কামৰূপ এক্সপ্ৰেছ।'

'আগৰ টাইমিং সলনি হ'ল নেকি?'

'অঁ, আজি তিনিদিন হ'ল।'

'গুৱাহাটী ষ্টেচন কেতিয়া এৰিব?'

'পাঁচ বজাত।'

'আৰু ৰাজধানী এক্সপ্ৰেছখন?'

'ছয় বজাত।' কথাষাৰ কৈয়ে গেটমেনজনে হাতৰ লেম্পটো দাঙিলৈ দুখোজমান আগুৱাই গ'ল। ট্ৰেইনখনৰ দীঘলীয়া উকি অকন শৰ্মাৰো কাণত পৰিল। তেওঁৰ চকুৰ আগেদিয়েই কিছুপৰৰ পিছত দীঘলীয়া ৰেলখন উকি মাৰি মাৰি পাৰ হৈ গ'ল। ৰেলৰ ডবাত থকা নাম ফলকখনে অকন শৰ্মাৰ ইতিমধ্যেই ভাৰাক্ৰান্ত হোৱা মনটো আৰু বেছি গভীৰ চিন্তাত পেলালে। ৰেলখন আৰু কিছু সময় পিছতে গুৱাহাটী ষ্টেচন পাব, তাৰ পিছত আকৌ যাত্ৰা আৰম্ভ কৰিব কলকাতালৈ। হয়তো সেই যাত্ৰা শেষ নহ'বগৈ। মাজ পথতে বিস্ফোৰিত হৈ ৰেলখন লুইতৰ বুকুতে নিঃশ্চিন্ন হৈ পৰিব।

এতিয়া হাতত দুঘণ্টা সময় আছে। অপৰ্যাপ্ত সময় নহ'লেও কিবা এটা কৰিব পৰা যাব কিজানি। ভাবটো মনলৈ অহাৰ লগে লগে অকন শৰ্মাই অকণো দেৰী নকৰিলে। ততালিকে স্কুটাৰখন ঘূৰাই আকৌ তেওঁ ঘূৰি আহিল। মণিৰাম দেৱান ৰোডেৰে তেওঁ তীব্ৰগতিৰে স্কুটাৰখন চলাই চান্দমাৰী থানাত উপস্থিত হ'ল। এইবাৰহে অকন শৰ্মা হতাশ হ'ল। থানাখন তেতিয়া শূন্য, সন্মুখৰ গেটত চেন্ট্ৰি এজন আছে অৱশ্যে। ভিতৰখন খোলা, কনিষ্টবল এজনে টেবুল এখনত মূৰটো গুজি শুই আছে। শৰ্মাই গাত হেঁচুকি দি জগাই দিলে কনিষ্টবলজনক। বেছ উৎকণ্ঠা মিহলি স্বৰেৰে তেওঁ সুধিলে 'অ. চি. নাই?'

কনিষ্টবলজনে উত্তৰটো নিদিলে। নিজৰ টুপীটো ঠিক কৰি হুটা মাতেৰে সুধিলে 'কিয় লাগে?'

'মই নিউজ পেপাৰৰ মানুহ। অ. চি. ফুকন মোৰ বন্ধু।'

'ছাৰ কোৱাৰ্টাৰত আছে।'

'তেনেহ'লে মই টেলিফোন এটাকে কৰো।' কথাষাৰ কৈয়ে শৰ্মাই টেবুলখনৰ একোণত থকা টেলিফোনটোৰ বিচিভাৰ দাঙি ল'লে। অ. চি. ফুকন তেওঁৰ বন্ধু মুঠেই নহয়। অৱশ্যে চিনাকি। টেলিফোন নম্বৰটো তেওঁৰ জনা আছিল। দুবাৰমান ৰিং কৰাৰ পিছতে সিফালৰ পৰা টোপনিৰ জড়তাৰ মাজতে হটা কণ্ঠ এটা ভাঁহি আহিল 'হেল্লো!'

'ফুকন নেকি? মই শৰ্মা। অকন শৰ্মা। ছাব এডিটৰ।'

'চিনি পাইছো। কওঁক। এই ৰাতিখন........।'

'প্ৰয়োজন হৈছে। অৱশ্যে মোৰ নহয়। আপোনালোকৰে প্ৰয়োজন। খবৰ এটা আছে। বিশেষ জৰুৰী। ফোনত ক'ব নোৱাৰি।'

'মোৰ কোৱাৰ্টাৰলৈ গুচি আহক। থানাৰ পিছফালেই মই থাকো।'

'ঠিক আছে। মই একমিনিটত গৈ আছো।'

৩

খবৰটো শুনিয়েই চান্দমাৰী থানাৰ অ. চি. অজিত ফুকনে থতমত খালে। বেছ বয়স হৈছে তেওঁৰ। প্ৰায় পঞ্চাশৰ ওচৰ চাপিছে। খবৰটো শুনি তেওঁ ভয় খালে। তেওঁ জানে গুৱাহাটীত পাকিস্তানী আই. এছ. আইৰ এজেন্ট লুকাই আছে। তেওঁলোকে যে এটা গভীৰ ষড়যন্ত্ৰ ৰচিছে সি ধ্ৰূপ। কিন্তু হাতত থকা এই এঘণ্টা পঞ্চত্ৰিশ মিনিটত কিয়েবা কৰা যায়? বিবুধিত পৰি অৱশেষত-তেওঁ মাথোঁ মাত লগালে — 'ষ্টেচনটো অৱশ্যে মোৰ এলেকাত নপৰে।'

'এলেকাটো যে আপোনাৰ এলেকাত নপৰে ময়ো জানো। তথাপিতো আপোনাৰো এটা নৈতিক দায়িত্ব আছে।'

ফুকনে এইবাৰ একো নক'লে।

তেওঁ টেলিফোনটোৰ বিচিভাৰ দাঙিব ধৰা দেখি শৰ্মাই সুধিলে 'ক'লৈ ফোন কৰিছে?'

'চিটি এছ. পিলৈ। তেখেতক কৈ চাওঁ।' ফুকনে কথাষাৰ কৈ থাকিয়েই ডায়েলত নম্বৰৰ বুটাম টিপিব ধৰিলে। বেছ কিছুপৰৰ পিছত তেওঁ মাত লগালে 'নমস্কাৰ ছাৰ, মই চান্দমাৰী থানাৰ অ'. চিয়ে কৈছো।' ফুকনে এইবাৰ চমুকৈ শৰ্মাৰ খবৰটো বৰ্ণালে। প্ৰায় এমিনিটমান ফোনত কথা পাতি তেওঁ ঘপহ কৰি উঠি থিয় হ'ল।

'বলক।'

'ক'লৈ?' শৰ্মা অবাক হ'ল।

'এছ. পি ছাৰৰ ওচৰলৈ। তেখেতে মাতি পঠিয়াইছে।'

ফুকনৰ কথাৰ সুৰত শৰ্মাই এইবাৰ আমোদ পালে। এমিনিট আগৰ ফুকন যেন এতিয়া এজন অন্য পুৰুষ। দুয়ো ঠিক পাঁচ মিনিটৰ পিছতে ওলাই গ'ল। চিটি এছ. পিৰ বাংলোলৈ আগতে কেতিয়াও অহা নাছিল অকন শৰ্মা। দূৰৈৰ পৰা পুখুৰীৰ পাৰৰ প্ৰকাণ্ড বাংলোটোলৈ অৱশ্যে অহা-যোৱা কৰোতে নোচোৱা নহয়। কিন্তু আজি শেষ ৰাতি এটা দুৰ্যোগপূৰ্ণ মুহূৰ্তত বাংলোটোৰ অফিচ কোঠাত বহি পুনৰ ঘটনাটো বৰ্ণাই যাওঁতে তেওঁ নিজকে কোনোবা চিনেমাৰ নায়ক যেনেই অনুভৱ কৰিলে। চিটি এছ. পি চন্দ্ৰ মহন্ত তজবজীয়া দেখনীয়াৰ পুৰুষ। বয়স চল্লিশৰ ওচৰ চাপিছে, ওখ, বগা আৰু আটিল দেহৰ। তেওঁ অকন শৰ্মা ৰ মুখৰ পৰা কথাখিনি শুনি এক মিনিট নীৰৱে চকু মুদি কিবা ভাৱি অৱশেষত মাত দিলে 'ফুকন!'

'কওঁক ছাৰ।'

'পাণবজাৰ থানাৰ অ' চিক ফোনত লগাই দিয়ক।' চকুমদি থাকিয়েই তেওঁ আদেশ দিলে। ফুকনে টেলিফোন কৰাৰ সময়খিনি কোঠাৰ পৰিবেশ নীৰৱ, থমথমীয়া হৈ পৰিল। সেইকণ সময় অকন শৰ্মাৰ যেন নাযায়, নুপুৱায়। তেওঁ বাৰেপতি ঘড়ীটোলৈ চকু দিছে। তিনিটা বিশ মিনিট হৈছে এতিয়া। হাতত কোনোমতে ডেড় ঘণ্টা আছে। অথচ ..........

'শৰ্মা! আপুনি নিশ্চিন্ত থাকক। দুৰ্ঘটনা নঘটে। ঘটিব নিদিওঁ।'

'মই চিন্তা কৰা নাই।' অকন শৰ্মাই মাত দিলে।

'আমি সাৰ পালো যেতিয়া আপুনি অকনো দুশ্চিন্তা নকৰিব। আপুনি ঘৰলৈ গুচি যাবও পাৰে। অৱশ্যে ইচ্ছা যদি কৰে ৰৈ যাবও পাৰে।।'

'মই ৰ'ম।'

'ঠিক আছে।'

টেলিফোনৰ ৰিচিভাৰডাল সেই সময়তে ফুকনে আগবঢ়াই দিলে। মহন্তই ৰিচিভাৰডাল তুলি লৈ বেছ গহীন স্বৰেৰে ক'লে 'চমুৱা। মন দি শুনক। আপুনি এতিয়াই ৰেলৱে ষ্টেচনলৈ যাওঁক। ইউনিফৰ্মত নহয়। লগত থানাত যি কেইজন অফিচাৰ বা চিপাহী আছে প্ৰত্যেককে চিভিল ড্ৰেছত লৈ যাব। কামৰূপ এক্সপ্ৰেছখন এইমাত্ৰ ষ্টেচন আহি পাইছে। বোধহয় ৩ বা ৪ নম্বৰ প্লেটফৰ্মত ৰৈ আছে। ডবা আছে ১৮ টা মান; প্ৰত্যেকটো ডবাতে চকু ৰাখিব। কিন্তু সাৱধান! চিএৰৰ বাখৰ যাতে অকনো নহয়! কোনেও যাতে গম নাপায়। ৰ'ৰ পৰা পোৱা আই. এছ. আইৰ এজেণ্ট কেইজনৰ যি তিনিখন ফটো পঠিয়াইছিল সেই কেইখনো লগতে লৈ যাব। চেহেৰাৰ মিল পালেই আটক কৰিব। ইয়াৰ পিছত কি কৰিব লাগিব, মই ফুকনৰ হতুৱাই খবৰ

দিয়াম।'

মহন্ত বহাৰ পৰা উঠিল।

তেওঁ ভিতৰলৈ সোমাই গ'ল।

কিন্তু পিছৰটো মুহূর্তত আকৌ উভতি আহিল। ফুকনলৈ চাই খৰধৰকৈ তেওঁ কৈ গ'ল 'ফুকন! আপুনি থানা কেইখনত খবৰ এটা দি দিয়ক যে শৰাইঘাট ব্ৰীজখন দেখা পাই থকা নদীৰ পাৰৰ হোটেল কেইখনত চকু দিব লাগে। কিন্তু একশ্যন লব নালাগে। কামৰূপ এক্সপ্ৰেছখন কামাখ্যা ষ্টেচন এৰাৰ পিছতহে মই যি কম সেইমতে ব্যৱস্থা ল'ব। এতিয়া মাথোঁ মোক লাগে আইডেনটিফিকেচন, বুজিলেনে?'

৪

উজনিৰ পৰা অহা কামৰূপ এক্সপ্ৰেছখন ধীৰে ধীৰে আহি গুৱাহাটী ৰেল ষ্টেচনৰ ৩নং প্লেটফৰ্মত ৰৈ দিয়াৰ লগে লগে শেষ নিশাৰ অলসতাত নিজান হৈ পৰি থকা প্লেটফৰ্মখন যেন হঠাতে সাৰ পাই উঠিল। যাত্ৰীৰ উঠা-নমালৈ প্লেটফৰ্মত খন্তেক হুলুস্থূল হৈছিল, পিছলৈ সিয়ো ক্ষীণ হৈ আহিল। সকলোৱে যেন এতিয়া অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে পুনৰ যাত্ৰা আৰম্ভৰ সংকেতলৈ। তিনি নম্বৰ ডবাটোৰ হুলুস্থূল অৱশ্যে তেতিয়াও শাম কটা নাই। ফৰ্থ আছাম পুলিচ বেটেলিয়ানৰ জোৱানেৰে ভৰি পৰিছে ডবাটো। ট্ৰাংক আৰু বেডিঙেৰে ডবাটোৰ মাজৰ অহা-যোৱাৰ ঠেক কৰিডৰটো প্ৰায় সম্পূর্ণ অচল কৰি তুলিছে। ঠিক তেনে এটা পৰিস্থিতিত সৰু পৰিয়ালটো বৰ অস্বস্তিকৰ ভাৱে বহি থাকিব লগা হৈছে। প্ৰায় বিশ-বাইশ বছৰীয়া যুৱতী এগৰাকী, লগত মধ্য বয়সীয়া এহাল মানুহ। পুৰুষজন হটঙা, মুখনত এমুখ ডাড়ি, বোধহয় অনা-অসমীয়া। মহিলা গৰাকী অৱশ্যে বেছ সপ্ৰতিভ, লাস্যময়ী।

'দাদা! আপোনালোকে ইয়াতে কষ্ট পাব। এই গোটেই ডবাটো আমাৰ জোৱানৰ বাবে ৰিজাৰ্ভ কৰি থোৱা আছে। আপোনালোকে অন্য এটা ডবালৈকে যাওক। আৰামো পাব।' ওচৰতে থিয় হৈ থকা বয়সীয়া জোৱান এজনে ক'লে।

'নাই! আমাৰ কোনো কষ্ট হোৱা নাই।' মধ্য বয়সীয়া মহিলা গৰাকীয়েই প্ৰথমে মাত দিলে।

'ক'লৈ যাব আপোনালোক?'

'কলকাতালৈ।'

'ইমানদূৰ বাট এটাও বাৰ্থ নোপোৱাকৈ কেনেকৈ যাব?' আকৌ সুধিলে জোৱানজনে।

'আচলতে টিটিক কৈ থোৱা আছে। কামাখ্যা ষ্টেচনত বন্দবস্ত কৰি দিব বুলি কথা দিছে। তেতিয়ালৈকে—'

'তেনেহ'লে অৱশ্যে চিন্তা আঁতৰিল। পিছে আৰু কিছু দেৰীলৈ কষ্ট পাব।'

মহিলা গৰাকীয়ে হাঁহিলে।

জোৱানজনেও হাঁহি দিলে। মহিলাগৰাকীৰ পৰা চকু আঁতৰাই তেওঁ এইবাৰ যুৱতীলৈ চাই পঠিয়ালে। এই আমনিদায়ক দীঘলীয়া যাত্ৰাপথত যুৱতীগৰাকীৰ সঙ্গ পালে ভালেই হয়তো লাগিলেহেঁতেন। কিন্তু নিজৰ বাৰ্থটোৰ বিনিময়ত তেনে সঙ্গসুখ নিশ্চয় সুখকৰ নহ'লহেঁতেন।

'আমাৰ লাগেজ বুলিবলৈ মাত্ৰ এই ট্ৰাংকটো, এই ছিটটোৰ তলতে থৈ দিছো। কামাখ্যা ষ্টেচনত আমি নামি যাম যদিও ট্ৰাংকটো ইয়াতে থৈ যাম। বাৰ্থৰ বন্দবস্ত হ'লেই পিছত লৈ যাম। সেইকণ সময়লৈ আপোনাৰ দায়িত্বতে ট্ৰাংকটো থৈ যাম।' মহিলা গৰাকীয়ে আকৌ ক'লে।

'ঠিক আছে। একো চিন্তা নকৰিব।'

জোৱানজন এইবাৰ ওলাই আহিল। ভিতৰখনত থাকিবলৈ অসহ্যকৰ হৈ উঠিছে। প্লেটফৰ্মত অৱশ্যে কোনো ব্যস্ততা নাই তেতিয়া। বাহিৰত পোহৰ ভালকৈ হোৱাই নাই। এতিয়াও আৰু আধাঘণ্টা আছে ৰেলৰ যাত্ৰা আৰম্ভ হোৱালৈ। তেওঁ পেণ্টৰ পকেটৰ পৰা চিগাৰেটৰ পেকেট এটা উলিয়াই লওঁতেই চমকি উঠিল।

মানুহ এজন আহি আছে।

ডবাৰ প্ৰত্যেকখন খিৰিকীৰ কাষতে একোবাৰ তেওঁ ৰৈ গৈছে। ভিতৰখন এবাৰ বৰ সাৱধানেৰে চকু ফুৰাইছে। তাৰ পিছৰবাৰ অইনখন খিৰিকীত।

মানুহজন তেওঁৰ চিনাকি। একেলগে চাকৰিত সোমাইছিল। তেওঁ নিজে সোমাল বেটেলিয়ানত আৰু প্ৰহ্লাদ পাটৰ সোমাল স্পেচিয়েল ব্ৰাঞ্চত।

'প্ৰহ্লাদ!'

তেওঁৰ চিঞৰটোত উচপ খাই উঠিল মানুহজন। চকু দুটা মুহূৰ্ততে তিৰবিৰাই উঠিল। প্ৰায় চিঞৰিয়েই মাত দিলে 'আনন্দ! তই !! ক'লৈ যাব?'

'মই যাম কলকাতালৈ। মই মানে আমাৰ বেটেলিয়েনৰ এশসত্তৰজন ওলাইছো ট্ৰেইনিঙৰ বাবে। এই এটা ডবাই আমাৰ বাবে ৰিজাৰ্ভ কৰি থোৱা আছে। ভিতৰৰ ভীৰৰ ঠেলাত অসহ্য হৈ ওলাই আহোতেই তোক দেখিলো। কিন্তু তই এই ৰাতিপুৱা ক'লৈ ওলাইছ? কাৰোবাক বিচাৰিছ নে.........'

'ডিউটি।' চমুকৈ কথাষাৰ কৈ প্ৰহ্লাদ জোৱানজনৰ আৰু ওচৰ চাপি আহিল।

'কিহৰ ডিউটি?'

'ইনফৰমেছন এটা আছিল আই. এছ. আইৰ এজেন্ট তিনিজন ট্ৰেইনেৰে যাব পাৰে বুলি। সেই দেখিয়েই ট্ৰেইনখন চেক কৰিছিলো।'

'তই অন্ততঃ এই ডবাটো বাদ দে। আমাৰ বেটেলিয়েনৰ জোৱানেৰে ভৰ্ত্তি হৈ আছে ডবাটো। বাৰু কছোন ! জীতেন ক'ত ?'

'সি বিজনী থানাত আছিল। দহজন উগ্ৰপন্থী এবাৰ ধৰিলে। তেতিয়াই এ. এছ. আই হিচাপে প্ৰমোচন পালে। এতিয়া সি জালুকবাৰী থানাত। তই দুই মিনিট ৰ। মই শেষৰ দুটা ডবা চাই আহো। তাৰ পিছতে তোৰ লগত বহি কথা পাতিম।'

৫-

নিশাৰ ডিউটি কৰিবলৈ জালুকবাৰী থানাৰ এ. এছ. আই জীতেন শইকীয়াৰ কেতিয়াও ভাল নালাগে। থানাৰ নাইট ডিউটি থকাৰ দিনাখন শইকীয়াই সদায়ে কামনা কৰে অন্ততঃ শেষ নিশা যাতে কোনো গণ্ডগোল নহয়। আজি নিশাৰ প্ৰথমছোৱা ঠিকেই চলিছিল, কিন্তু শেষ নিশা অহা টেলিফোনটোৱে পলকতে সকলো পণ্ড কৰি দিলে। পুলিচ কণ্ট্ৰলৰ পৰা খবৰ আহিছিল ব্ৰহ্মপুত্ৰ নদীৰ কাষত থকা প্ৰত্যেকখন হোটেল চেক কৰি আধাঘণ্টাৰ ভিতৰতে ৰিপৰ্ট দিব লাগে। শইকীয়াই চৰম বিৰক্তিৰ মাজেৰেই নিজৰ স্কুটাৰখন লৈ ওলাই আহিছিল থানাৰ পৰা।

বাহিৰখন তেতিয়াও অন্ধকাৰ।

ষ্ট্ৰীটলাইটৰ পোহৰে আলিবাটটো জলমলাই ৰাখিছে। আলিবাটটো জনশূন্য। কুকুৰ কেইটামানে অ'ত-ত'ত ভুকি আছে। বাহিৰৰ চেঁচা বতাহজাকে শইকীয়াৰ দেহ-মন কঁপাই গ'ল।

আজি ছয় মাহৰ আগলৈকে তেওঁ আছিল এজন সাধাৰণ কনিষ্টবল আৰু আজি এজন এ. এছ. আই। আৰু এটা ভাল কাম কৰিব পাৰিলে হয়তো আৰু এঢাপ আগুৱাই যোৱাৰ সুবিধা ওলাব পাৰে। ভাৱটোৱে শইকীয়াৰ মনটো ফৰকাল কৰিলে।

থানা এলেকাত হোটেল বুলিবলৈ এ. টি. ৰোডত থকা কেইখনেই। কিন্তু নদীৰ পাৰৰ হোটেল বুলিলে বিহাৰী ৰামপ্ৰসাদৰ হোটেলখনেই আছেগৈ। জাহাজঘাটৰ গাতে লাগি ৰেলৰে মাটিত থকা হোটেলখন পুৰণি। কোঠা আছে মাত্ৰ পাঁচটা। প্ৰত্যেকটো কোঠাই দিনৰ ভাগত উত্তাল হৈ থাকে। আদিম আনন্দৰ চৌত দিনৰ দিনটো সজীৱ হৈ থকা হোটেলখন নিশা নিজান হৈ পৰে। শইকীয়াই কামত যোগদান কৰিয়েই হোটেলখনৰ লীলা-খেলাৰ উমান পাইছিল। বাধা দিবলৈ গৈ উজুটি খাইছিল। আইনৰ পৰা নহয়, খোদ অ' চিৰ পৰা। আৰু আজি শেষ নিশা হোটেলখনৰ ৰেহৰূপ চোৱাৰ সুবিধা এটা ওলোৱা দেখি শইকীয়া ভিতৰি ভিতৰি কিছু ৰোমাঞ্চিত হ'ল। কিন্তু পোন্ধৰ মিনিটৰ ভিতৰতে শইকীয়া দমি গ'ল। শেষ নিশাৰ অন্ধকাৰত সম্পূৰ্ণ নিঃসাৰ হৈ পৰি আছে হোটেলখন। সন্মুখৰ বাৰাণ্ডাখনত থকা খাটীয়া এখনত সেই পুৰণা

চকীদাৰটোৱেই শুই আছে। তাক জগাবলৈ ব্যৰ্থ চেষ্টা নকৰি শইকীয়া নিজেই ভিতৰৰ নিচেই সৰু সৰু কোঠা পাঁচটা চাই আহিলে। প্ৰত্যেকটো কোঠাই খালী, শূন্য। হোটেলখনৰ পৰা উভতি আহোতে শইকীয়াৰ নাকে-মুখে এজাক চেঁচা বতাহ লাগি শৰীৰটো জঠৰ কৰি পেলাবলৈ উপক্ৰম কৰিছিল। তেওঁ পিছে ক'লৈকো নাচালে। এতিয়া একাপ চাহৰ প্ৰয়োজন। ক'ত পোৱা যাব চাহ কাপ?

শইকীয়া উভতি আহোতে থানাত নোসোমাল।

তেওঁ মালিগাওঁ চাৰিআলিটোত স্কুটাৰখন ৰখালে।

পথৰ অঘৰী কুকুৰ দুটামানে তেওঁক দেখি ভুকিলে। হাতখন বতাহতে জোকাৰি কিবা এটা ক'বলৈ ওলাইয়ো শইকীয়া ৰৈ গ'ল। তেওঁ স্কুটাৰখন য'ত ৰখাইছিল তাৰ বিপৰীতফালে এ. টি. ৰোডৰ সিটো পাৰত নতুনকৈ সজোৱা জীউৰাম কমপ্লেক্সৰ ছয়তলা বিল্ডিংটো নিঃসাৰ হৈ পৰি আছে। মাত্ৰ পাচঁতলাৰ খিৰিকী এখনহে খোলা আছে। নৱেম্বৰ মাহৰ শেষৰ দিন কেইটাত গুৱাহাটীত শীতে ভুমুকি মাৰেহি। শীতৰ বতাহজাকৰ সোৱাদ শেষ নিশাখন কোনেনো লৈছে? শইকীয়াৰ ঠিক মনত আছে জীউৰাম কমপ্লেক্সৰ ওপৰৰ দুটা তলা আগুৰি থকা হোটেলখন প্ৰায়ে খালী থাকে। যোৱা নিশা চৌবিশটা কোঠাৰ ভিতৰত এঘাৰটা কোঠাই খালী আছিল। নিশা দহ বজাত এছ, আই হৰেণ পাঁঠকে তেনে এটা ৰিপ'ৰ্ট দিয়াটো শইকীয়াৰ স্পষ্টকৈ মনত আছে। তেনেস্থলত সন্মুখৰ কোঠা এটাৰ খিৰিকী এখন খোলা থকাটো স্বাভাৱিক ঘটনা হ'ব নোৱাৰে।

শইকীয়াই স্কুটাৰখন জীউৰাম কমপ্লেক্সৰ দুৱাৰমুখলৈ আগবঢ়াই নিলে। স্কুটাৰখন সন্মুখতে ৰখাই শইকীয়া ভিতৰলৈ অগ্ৰসৰ হ'ল।

শইকীয়াই লাহে লাহে খোজ দিছিল।

খৰকৈ খোজ দিলে শইকীয়াই হয়তো দেখা পালেহেঁতেন জীউৰাম কমপ্লেক্সৰ দুৱাৰমুখৰ ভিতৰত ৰৈ থকা মানুহ এজনে শইকীয়ালৈ এবাৰ লক্ষ্য কৰিয়েই হঠাতে চিৰিৰে ওপৰলৈ বুলি দৌৰি উঠি যোৱাৰ দৃশ্য।

৬

চাৰিতলালৈ বুলি একে উশাহতে দৌৰি উঠি অহা কাৰণেই মানুহজনৰ ফোপনিৰ মাত্ৰা অতিশয় বেছি হৈছিল। চিৰিটো য'ত শেষ হৈছে তাৰ ঠিক সন্মুখতে থকা আয়নাৰ দুৱাৰখন ঠেলি মানুহজন ভিতৰলৈ সোমাই গ'ল। ভিতৰখনত মাত্ৰ এটাই লাইট জ্বলি আছিল, এচুকত থকা ৰিচিপচন কাউন্টাৰৰ টেবুলখনত মূৰটো থৈ শুই থকা মানুহ এজনৰ গাটো জোৰেৰে হেঁচুকি দি তেওঁ প্ৰায় একে উশাহেৰে মাত দিলে 'খালেক! উঠ!! মই মকবুল, পুলিচ অফিচাৰ

এজন আহি থকা দেখিছো।'

খালেক বোলাজনে খপজপাই উঠিল।

সুধিলে 'থানাৰেই পুলিচ নে?'

'থানাৰেই। কিন্তু সদায় ৰাতি অহাজন নহয়। নতুন এজন।'

'মই চন্তালিম বাৰু, তই ভিতৰলৈ যাগৈ।'

মকবুল ভিতৰলৈ গ'ল।

খালেকে পিছে বেছিপৰ অপেক্ষা কৰিব লগা নহ'ল। পাঁচ মিনিটৰ পিছতেই এ. এছ. আই শইকীয়া আহি ওলাল। শইকীয়াক দেখি খালেক হতাশ হ'ল। এই নতুন অফিচাৰজনৰ কথা শুনিছেহে, চিনাকি হোৱা নাই। এই শেষ নিশা পুলিচ অফিচাৰ এজন অকাৰণত নাহে।

'বহক চাৰ।' খালেকে ক'লে।

শইকীয়াই চকী এখনত বহি লৈহে সুধিলে 'আজিতো এৰ্কেশটা ৰুমেই খালী আছে, নহয়নে?'

'অ।' খালেকে সৰুকৈ সঁহাৰি দি আকৌ ক'লে 'পাঠক ছাৰে ৰাতিয়েই চেক কৰি গৈছে।'

'জানো।' শইকীয়াই এখেন্তেক ৰৈ পুনৰ সুধিলে 'সন্মুখৰ বেলকনি থকা ৰুমটোত কোন আছেনো? ৰুমটোৰ খিৰিকী এখন খুলি থোৱা দেখা পালো। আচৰিতেই হ'লো নৱেম্বৰ মাহৰ এই শেষ নিশা কোনেনো খিৰিকী খুলি শুই আছে!!'

খালেক অপ্ৰস্তুত হ'ল।

ক'লে 'ৰাতি শুব ওলাওঁতে হয়তো বন্ধ কৰিবলৈ পাহৰি গ'ল।'

'হ'ব পাৰে। কিন্তু মানুহজন কোন?' শইকীয়াই আকৌ সুধিলে।

'কব নোৱাৰো। ৰেজিষ্টাৰখন চাব লাগিব।'

'চাওঁকচোন ৰেজিষ্টাৰখন।'

'সেইখনতো মেনেজাৰৰ লগতহে থাকে। এতিয়াতো ..........

'তেতিয়া হ'লে মই নিজে চাই আহো মানুহজনক।' কথাষাৰ কৈয়ে শইকীয়া বহাৰ পৰা উঠি ভিতৰলৈ অগ্ৰসৰ হ'ল। খালেকে শইকীয়াক বাধাও দিব নোৱাৰিলে। শইকীয়ালৈ চাই পিছফালৰ পৰা মাত দিলে 'মানুহজন দিল্লীৰ পৰা আহিছে। জোতা কোম্পানী এটাৰ মালিক বুলি শুনিছো।'

শইকীয়া ইতিমধ্যেই বিচিপচনৰ কাউন্টাৰৰ পৰা বহদুৰ আগুৱাই গৈছিল। খালেকে কি

ক'লে শইকীয়াই নুশুনিলে। শুনিবলৈ চেষ্টাও নকৰিলে। শইকীয়াই ভিতৰৰ কৰিডৰ এটাৰে বেছ খৰখোজেৰে আগবাঢ়ি গৈছিল। খালেকে জানে আৰু কিছু ছেকেণ্ডৰ পিছতে শইকীয়াই ৰুম নম্বৰ ৫০১ ৰ বন্ধ দৰ্জ্জাখনৰ ওচৰ পাব। এই সময়ত পুলিচ অফিচাৰ এজনক বাধাহীন ভাৱে ৫০১ নং কোঠাৰ দুৱাৰত টোকৰ মাৰিবলৈ এৰি দিয়াৰ ফলাফল অতিশয় মাৰাত্মক হ'ব। অন্ততঃ তেওঁ আৰু মকবুলৰ কাৰণে। দুয়োজন ৫০১ নং ৰুমৰ আলী চাহাবক সহায় কৰিবলৈকে উজাগৰে আছে গোটেই নিশা। এতিয়া খালেকক আৰু এজনৰ সহায়ৰ আৱশ্যক হ'ব। মকবুলেই হ'ব একমাত্ৰ অস্ত্ৰ।

'মকবুল।' খালেকে মাতিলে।

ভিতৰৰ কোঠা এটাৰ দৰ্জাখন সামান্য মেল খালে। মকবুলৰ মুখখন খালেকৰ চকুত পৰিল।

'ওলাই আহ। অফিচাৰজন ৫০১ নম্বৰলৈ গৈছে।' খালেকে ফুচফুচাই ক'লে। মকবুল ওলাই আহিল।

দুয়ো প্ৰায় দৌৰি যোৱাদি শইকীয়াৰ ওচৰলৈ বুলি অগ্ৰসৰ হ'ল। কিন্তু এটা সামান্য ছেকেণ্ডৰ বাবে পলম হৈ গ'ল। শইকীয়াই ইতিমধ্যেই ৫০১ নং ৰুমৰ বন্ধ দৰ্জাখনত টোকৰ দুটামান মাৰিলেই। তৃতীয়টো টোকৰ মাৰিবলৈ শইকীয়াই অৱশ্যে সুবিধা নাপালে। ইতিমধ্যেই খালেক আৰু মকবুলৰ ব্ৰজমুঠিৰ হাতোৱাত শইকীয়া কিছুপৰ ছটফটাই থাকি অৱশেষত নিথৰ হৈ গ'ল। ঠিক সেই সময়তে বন্ধ দৰ্জাখন খোল খালে। প্ৰায় পঞ্চশ বছৰীয়া আধা পকা চুলিৰ বগা বৰণৰ মানুহ এজনে দৰ্জাখনৰ ফাঁকেৰে মুখখন উলিয়াই সুধিলে 'কি হ'ল খালেক! মকবুলো দেখোন! আৰু এইজন ......' মানুহজনে উৰ্দ্দুতে কথাষাৰ আধা কৈ ৰৈ গ'ল।

'থানাৰ পুলিচ অফিচাৰ।'

'ইয়াত শুই আছে কিয়?'

'শুই থকা নাই আলীচাহাব। এতিয়া লাচ হৈ গ'ল। হজুৰৰ ৰুমলৈ আহিছিল। বাধা দিওঁতেও নুশুনিলে। সেইদেখি......'

'কিন্তু লাচটো কি কৰা যাব এতিয়া?' আলীচাহাবে বেছ শান্তভাৱেই সুধিলে।

'পিছফালৰ চিৰিৰে তললৈ লৈ যাম। অটভান এখন আছে। তাতে এতিয়া ভৰাই থম।'

'ঠিক আছে।' আলীচাহাবে কথাষাৰ কৈ দৰ্জাখন জপাই দিব ওলাইছিল। আধা জপোৱাকৈ ৰৈ আকৌ সুধিলে 'কিন্তু মোৰ ওচৰলৈ কিয় আহিছিল এই পুলিচ অফিচাৰজন? মেনেজাৰেতো কৈছিল পুলিচ থানাক মেনেজ কৰা হৈছে বুলি।'

'তেওঁ থানালৈ নতুনকৈ আহিছে। এ. এছ. আই। সেয়েহে মেনেজাৰে তেওঁৰ লগত সম্পৰ্ক কৰিবলৈ সময় পোৱা নাই।'

'বুজিছো।'

'আপোনাৰ ৰুমৰ খিৰিকী এখন খোলা থকা দেখি তেওঁৰ সন্দেহ হ'ল বোলে।' খালেকে ক'লে।

'ঠিক আছে। তোমালোক সাৱধানে থাকিবা। আৰু মাত্ৰ আধাঘণ্টাহে আছে।'

৭

আৰু দুটা ডবা চাওঁতে কেনেকৈ যে বিশমিনিট অতিবাহিত হৈ গ'ল স্পেছিয়েল ব্ৰাঞ্চৰ কনিষ্টবল প্ৰহ্লাদ পাটৰৰ খেয়ালেই নাথাকিল। কাম শেষ কৰি আহি আনন্দ ডেকাৰ ওচৰ চাপিহে পাটৰে ভাগৰ অনুভৱ কৰিলে। প্লেটৰ্ফমখন শক্তিশালী লাইটৰ বাল্‌ববোৰে জলমলাই ৰাখিছে যদিও প্লেটৰ্ফমৰ বাহিৰখনত তেতিয়া আন্ধাৰ পাতলিছে।

'চাহ একাপ খাওঁগৈ ব'ল।'

'ব'ল।' শলাগিলে পাটৰে।

দুয়ো ওচৰৰ টি ষ্টলখনৰ পৰা দুকাপ চাহ লৈ আকৌ দহ বছৰৰ আগৰ অতীতলৈ ঘূৰি যাবলৈ চেষ্টা কৰিলে। আনন্দ ডেকাইয়ে প্ৰথমে ক'লে 'এতিয়া জীতেনকো লগ পাবৰ মন গৈছে। কিমান বছৰ যে তাক লগ পোৱা নাই!!'

'তাৰ বুধবাৰে থানাত নাইট ডিউটি থাকে।'

'আজিয়েইতো বুধবাৰ।' ডেকাই ক'লে।

'তেতিয়াহ'লে তাক থানাতে লগ পোৱা যাব। ফোন এটা কৰিবি নেকি থানালৈ।'

'কৰিম।'

দুয়ো কাষতে থকা পি.চি.অ' এটালৈ সোমাই গ'ল। ফোনটো অৱশ্যে পাটৰেই কৰিলে। দুষাৰমান কথা পাতি ৰিছিভাৰটো থৈ পাটৰে ক'লে, 'সি বোলে অলপ আগতে হোটেল চেকিঙলৈ ওলাই গৈছে। পুলিচ কণ্ট্ৰল ৰুমৰ অৰ্ডাৰ। আধাঘণ্টামান পিছতহে উভতিব হেনো।'

'ট্ৰেইন এৰাৰ আগেয়ে আকৌ এবাৰ চেষ্টা কৰি চাব লাগিব।'

দুয়ো পি. চি. অ'টোৰ পৰা ওলাই আহিল।

এইবাৰ পিছে কথা পতা নহ'ল। পাটৰৰ তলব পৰিল। ডেকাক মাত এষাৰ দি 'এই

পাটৰ খৰখোজেৰে আহি জি. আৰ. পি. অৰ্থাৎ গৱৰ্ণমেণ্ট ৰেলৱে পুলিচ থানা পালেহি। পাটৰৰ ভাব হ'ল জি. আৰ. পি থানাৰ পৰিৱেশ যেন আজি অন্য ধৰণৰ। চিটি এছ. পি. চন্দ্ৰ মহন্ত এই শেষ নিশা ষ্টেচনৰ থানাত স্বয়ং উপস্থিত থকাটো নিত্যান্তই সাধাৰণ কথা হ'ব নোৱাৰে। আজিৰ এই অভিযানৰ নিশ্চয় গুৰুত্ব এটা আছে। তেওঁ বাৰু ক'ৰবাত ভুল কৰিলে নেকি? পাটৰে অৱশ্যে জানে তেওঁ ক'তো ভুল কৰা নাই। প্ৰত্যেকটো ডবাই তেওঁ তন্ন তন্নকৈ পৰীক্ষা কৰিছে। মাত্ৰ এটা ডবাহে তেওঁ উকা দৃষ্টিৰে চাইছিল। সেইটোত আছে আনন্দ ডেকাইঁতৰ দলটো। তাৰ মাজত আই. এছ. আইৰ এজেণ্ট নাথাকে। থাকিব নোৱাৰে।

পাটৰে থানাৰ অ'. চি.ৰ কোঠাৰ দৰ্জাখনৰ পৰ্দাৰ ফাঁকেৰে দেখিলে চিটি এছ. পি. মহন্তই অ. চিৰ টেবুলখনত পাৰি থোৱা বহল কাগজ এখিলাত চকুফুৰাই আছে। হঠাতে মহন্তই হুটা কণ্ঠেৰে মাত দিলে 'চমুৱা!'

'কওঁক ছাৰ।' পাণবজাৰ থানাৰ অ. চিয়ে অইন এটা কমৰ পৰা দৌৰি সোমাই আহিল।

'কিমান সময় আছে আৰু?'

'পাঁচ মিনিট।'

ৰেলখন আৰু পোন্ধৰ মিনিটলৈ ৰখাই থব। ঠিক পাঁচটা পোন্ধৰ বজাত ষ্টেচন এৰিব দিব। মই কামাখ্যা ষ্টেচনলৈ যাওঁ। কিন্তু চাব! প্ৰত্যেকটা ডবাতে আমাৰ এজনকৈ মানুহ যাতে উঠে। আপুনিও উঠিব। কামাখ্যাত মোক লগ ধৰিব।'

'হ'ব ছাৰ।'

এছ. পি. চন্দ্ৰ মহন্ত গুচি গ'ল।

পিছৰ দহমিনিট অতি খৰখেদাকৈ পাৰ হ'ল।

পাটৰে তিনি নম্বৰ ডবাটোতে উঠি ল'লে। ঠিক দুৱাৰমুখতে আনন্দ ডেকাক লগ পালে। আনন্দ ডেকাই ছিগাৰেট এটা হুপি আছিল দুৱাৰমুখতে থিয় হৈ। পাটৰক দেখা পায়ে ডেকাই মাত দিলে 'প্ৰহ্লাদ ! তই গুচি যোৱা বুলিয়ে ভাবিছিলো।'

'কামাখ্যা ষ্টেচনলৈ যাব লাগিব বোলে। এছ. পিৰ আদেশ। অৱশ্যে অকল মই নহয়। প্ৰত্যেক ডবাতে আমি এটাকৈ উঠিছো।'

'কিন্তু ইউনিফৰ্মত কাকো নেদেখিলো।'

'নেদেখিবিয়েই। চিক্ৰেট এছাইনমেণ্ট।'

'কিন্তু আমাৰ বগীটোতো কিয়?' সুধিলে ডেকাই।

ডবাটোত তহঁতৰ নামত ৰিজাৰভেছন আছে বুলি আমিতো নাজানো।'

'অৱশ্যে হয়।'

ট্ৰেইনখনে ইতিমধ্যেই গতি লৈছিল।

কেৰেলুৱা এটাৰ দৰে ধীৰে ধীৰে ট্ৰেইনখন ষ্টেচনৰ প্লেটৰ্ফম এৰি পাণবজাৰ অভাৰব্ৰীজৰ তলেৰে পাৰ হৈ যাবলৈ উপক্ৰম কৰিলে। পাটৰে ঠিক সেই সময়তে সুধিলে 'জীতেনলৈ আকৌ এবাৰ ফোন কৰিছিলি নেকি?'

'কৰিছিলো। কিন্তু এইবাৰো নাপালো। সি ঘূৰি অহাই নাই বোলে। ফোন ডিউটিত থকা হোম গাৰ্ডটোৰো চিন্তা হৈছে। ইফালে তাৰ ৰিপ'ৰ্টৰ বাবে বোলে কণ্ট্ৰল ৰুমৰ পৰা ফোনেই আহি আছে এটাৰ পিছত আন এটা। উপায় নাপাই থানাৰ অ. চিয়ে অইন এজন অফিচাৰক পঠিয়াই দিছে।'

পাতৰে উশাহ সলালে।

'আচৰিত!' খন্তেক পিছত তেঁৱেই মাত দিলে।

'কি আচৰিত?'

'আজিৰ এই ঘটনাবোৰ। এটাৰ লগত সিটো নিমিলে। বাদ দে সেইবোৰ, ব'ল তোৰ ছিটলৈ। বহি লৈ কথাকে পাতো।'

'তাতো বহিবলৈ ঠাই নাই। ফেমিলী এটা আছে।' ডেকাই ক'লে।

'তহঁতৰ ৰিজাৰ্ভ বগীত ফেমিলী! আগতে কোৱা নাছিলি কিয়?'

'কামাখ্যা ষ্টেচনতে নামিব বোলে। সেই কাৰণেই কোৱা নহ'ল। তয়ো পিছে সোধা নাছিলি।'

'ব'লছোন এবাৰ। ফেমিলীটো দেখাই দিবি।'

'সৰু ফেমিলী। দুজনী মহিলা। এজন পুৰুষ।'

'এজন পুৰুষ!!' পাটৰৰ কণ্ঠস্বৰত ৰূঢ়তাৰ সুৰ বেছ স্পষ্ট হ'ল। পাটৰ পিছে বৈ নাথাকিল। তেওঁ ভীৰ ঠেলি ভিতৰলৈ বুলি অগ্ৰসৰ হ'ল।

ট্ৰেইনৰ গতি আগতকৈ বাঢ়িছিল।

ভৰলু নদীখন পাৰ হৈ যাওঁতে মৃদু লহৰ এটাৰ সৃষ্টি হৈছিল। পাটৰে উমান নাপালে। এজন পুৰুষ আছে ফেমিলীটোত!! তেওঁৰ চকুত এবাৰো ধৰা পৰা নাছিল ফেমিলীটো। অন্ততঃ এবাৰৰ বাবে হ'লেও পৰিয়ালটো চকুত পৰা হ'লে.............

ডবাটোত যথেষ্ঠ ভীৰ।

তাৰোপৰি অহা যোৱা বাটটোত থকা প্ৰকাণ্ড ট্ৰাংক, ছুটকেছ আৰু বেডিংবোৰে যথেষ্ট আহুকাল দিছিল পাটৰহঁতক।

দুয়ো বেছ লেহেম গতিত অতি কষ্টেৰে বাট উলিয়াই আহি নিৰ্দ্দিষ্ট ছিটটোত উপস্থিত হ'ল। পাটৰে ছিটটোত অকল দুজনী মহিলাকহে দেখা পালে। ডেকাই কিছু বয়সীয়াল মহিলা গৰাকীলৈ চাই সুধিলে 'ক'ত গ'ল আপোনালোকৰ লগৰজন?'

'টি. টিক বিচাৰি গ'ল।'

'টি. টি নিজেই আহি ওলালহেঁতেন।'

'তথাপি বিস্ক ল'ব নোৱাৰি। বহুদূৰ বাট। কিন্তু............'

'কিন্তু কি?' সুধিলে আনন্দ ডেকাই।

'তেওঁ গুৱাহাটী ষ্টেচন এৰাৰ আগেয়ে বেলৰ পৰা নামি গৈছিল। সেয়েহে এতিয়া চিন্তাই হৈছে।' মহিলা গৰাকীয়ে ক'লে।

আনন্দ ডেকাই এইবাৰ যথেষ্ট মোলায়েম হৈ মাত দিলে 'চিন্তা কৰিব নালাগে। নেহেৰাই দিয়ক। কামাখ্যা ষ্টেচনত ট্ৰেইনখন ৰবই। তেতিয়াই লগ পাব। নহ'লে আমিয়েই সহায় কৰি দিম বাৰু।'

এপলক নীৰৱে গ'ল।

পাটৰৰ অনুসন্ধিৎসু দৃষ্টি দুয়োগৰাকী নাৰীৰ চকুৱে-মুখে চঞ্চল ভাৱে বিচৰণ কৰি ৰ'ল।

'কামাখ্যা পাহাৰ পালোহিয়েই!!' হঠাতে খিৰিকীৰ আয়নাৰে দূৰৈৰ নীলাচল পাহাৰৰ অস্পষ্ট ৰূপটোলৈ চাই মহিলাগৰাকীয়ে ক'লে।

'কিন্তু ষ্টেচনলৈ আৰু দহমিনিটৰ বাট আছে।' ডেকাই মাত দিলে।

মহিলা দুগৰাকীয়ে নিজৰ ভিতৰতে এবাৰ কথা পাতি লৈ হঠাতে বহাৰ পৰা উঠি ল'লে।

'ক'লৈ যায়?' সুধিলে ডেকাই।

'দুৱাৰমুখলৈ?' এতিয়াই ওলাই নগ'লে পিছত দিগদাৰী হ'ব।'

দুয়ো নৰ'ল। ভীৰতো ঠেলি ঠেলি আগুৱাই গ'ল।

তেওঁলোকে উঠি যোৱা ছিট দুটাৰ এটাত আনন্দ ডেকা নিজে বহি পাটৰক ক'লে 'তয়ো বহি ল। দহমিনিট অন্ততঃ সুখেৰে যাব পাৰিবি।'

পাটৰ বহিল।

'তোৰ চিন্তা গ'লনে?' সুধিলে ডেকাই।

পাটৰে একো উত্তৰ নিদিলে। তেওঁৰ চিন্তা অৱশ্যে আঁতৰা নাছিল। বৰঞ্চ বাঢ়িছিলহে। আপাততঃ দৃষ্টিত মহিলা দুগৰাকীৰ আচৰণত কোনো অস্বাভাৱিকতা নাই। কিন্তু পুৰুষজন? ক'লৈ গ'ল তেওঁ?

'আনন্দ।'

'ক!' আকৌ চিগাৰেট এটা জ্বলাই সঁহাৰি দিলে আনন্দই।

'মই উঠোঁ।'

'এতিয়াও ষ্টেচন পাবলৈ বহুসময় আছে।'

'ষ্টেচন পাবলৈ আৰু পাঁচ মিনিট আছে ঠিকেই। কিন্তু.........' পাটৰে সম্পূৰ্ণকৈ কথাষাৰ নক'লে। পাটৰ বহাৰ পৰা উঠি থিয় হ'ল। এইবাৰ পুনৰ ক'লে 'মই যাওঁ। আকৌ কেতিয়াবা তোক লগ পাম। তেতিয়া কথা পাতিম।'

প্ৰহ্লাদ পাটৰ যেন এতিয়া অন্য পুৰুষ।

ৰবলৈ সময় নাই।

সময় খৰকৈ গৈছে। কিন্তু ৰেলখন? ৰেলখন গতি বাৰু কমিছে নেকি?

৯

জালুকবাৰী থানাৰ ফোন ডিউটিত থকা হোমগাৰ্ড শৰৎ দাসৰ আজি আমনি লাগি গৈছে। বিৰক্তিও উপজিছে। শেষ নিশা পাণবজাৰ পুলিচ কণ্ট্ৰলৰ পৰা প্ৰথমটো ফোন আহিছিল। এ. এছ. আই জীতেন শইকীয়া ওলাই যোৱাৰ পিছত শৰতে আশা কৰিছিল শেষ নিশাৰ এই এঘণ্টা সময় অন্ততঃ নিৰিবিলিকৈ শুব পৰা যাব। প্ৰথম আধাঘণ্টাতে শৰতৰ আশা দুৰাশাত পৰিণত হৈছিল। সেই তেতিয়াৰে পৰা এটাৰ পিছত এটাকৈ ফোন আহি আছে। তাৰ মাজতে এ. পি. আৰ. অৰ ছেটটোৰ পৰা অহা খবৰবোৰেও শৰতক বিমোৰত পেলাই ৰাখিছে। থানাত এতিয়া অকল সি; অফিচাৰ কোনো নাই। আগতেও অৱশ্যে এইখিনি সময়ত থানাত কোনো নাথাকে, অন্ততঃ ৰাতিপুৱা আঠ বজালৈকে থানাৰ পৰিৱেশ সলনি নহয়।

প্ৰায় আচম্বিতেই পৰিবেশটো সলনি হৈ গ'ল।

প্ৰথমেই আহি ওলাল থানাৰ অ. চি.। তাৰ ঠিক পিছতে পাণ্ডু ডিভিজনৰ ডি. এছ.

পি। এছ. আই পাঠকো আহি ওলাল। অ. চি. আৰু ডি. এছ. পি লগে লগে আকৌ ওলাই গ'ল। থানাখন আকৌ এবাৰ নিজম হৈ পৰিল।

'শৰত!' এছ. আই পাঠকে মাতিলে।

'কওঁক ছাৰ!'

'শইকীয়া কেতিয়া ওলাই গৈছিল?'

'ফোনটো থৈয়ে ওলাই গৈছিল স্কুটাৰেৰে। চাৰিমান বাজিছিল হবলা।'

'কোনফালে যোৱা দেখিছিলি?'

'ঘাটলৈ যোৱা দেখিছিলো।'

এছ. আই পাঠক চিন্তাত পৰিল। অ. চিয়ে টেলিফোনেৰে তেওঁক হোটেল চেকিঙৰ আদেশ দিওঁতে বিৰক্তি উপজিছিল। শেষ নিশাৰ টোপনি ক্ষতি কৰিবলৈ মন নগলেও তেওঁৰ অন্য উপায়ো নাছিল। ৰামপ্ৰসাদৰ হোটেলখন পাওঁতে তেওঁৰ মাত্ৰ দহ মিনিটমানহে লাগিছিল। শুই থকা চকীদাৰটোক জগাওঁতেহে পাঁচ মিনিটমান অবাবতে গ'ল। পাঠকৰ দুশ্চিন্তা তেতিয়াই উপজিছিল। চকীদাৰটোৰ মতে তেতিয়ালৈকে কোনো অফিচাৰ হোটেললৈ অহা নাছিল। চকীদাৰটোক অবিশ্বাস কৰাৰ থল নাপালে পাঠকে। আৰু যদি সেয়েই হয় তেন্তে শইকীয়া গ'ল ক'লৈ? এই ছমাহতে পাঠকে বুজি পাইছিল শইকীয়া অন্য ধাতুৰে গঢ়া। তেন্তে?

পাঠকৰ চিন্তামগ্ন মনটোক থানবান কৰি ফোনটো তেতিয়াই বাজি উঠিল। শৰতেই ফোনটো ধৰিলে। ৰিচিভাৰটো থৈ শৰতে ক'লে 'ছাৰ! আপোনাক অ'. চি. ছাৰে ষ্টেচনলৈ মাতি পঠিয়াইছে। এই মাত্ৰকে যাব কৈছে।'

পাঠক থিয় হ'ল।

তেওঁৰ মটৰ চাইকেলখন নতুন। আগতে স্কুটাৰ এখন আছিল। জীতেন শইকীয়াৰ ওচৰত স্কুটাৰখন বিক্ৰী কৰি তেওঁ এই নতুন হিৰ'হুণ্ডা বাইকখন কিনিছিল। বাইকখন চলাই তেওঁ ধীৰ গতিৰেই থানাৰ চৌহদৰ পৰা ওলাই গ'ল।

আলিবাটৰ ষ্ট্ৰীট লাইট তেতিয়াও জ্বলি আছিল।

তেতিয়া পিছে ৰাতিপুৱাইছে। দুই এখন চাইকেল, গাড়ীও পাঠকৰ চকুত পৰিছে। মালিগাওঁ চাৰিআলিৰ ভাঁজটো ঘুৰোতেই পাঠক ৰৈ দিলে। দূৰৈত তেওঁৰ চিনাকি পুৰণা স্কুটাৰখন। কিন্তু শইকীয়াক ক'তো চকুত নপৰিল।

হঠাতে পাঠকৰ হাঁহি উঠি গ'ল।

জীউৰাম কমপ্লেক্সৰ কাষেৰে যোৱা তিনিফুট বহল ঠেক গলীটোৰ এটা মূৰত

নতুনকৈ গার্লছ হোষ্টেল এটা আৰম্ভ হৈছে। আদিম আনন্দৰ জোৱাৰ উঠে তাত। পাঠকেও সোৱাদ লৈ থৈছে। নতুনকৈ স্বিলঙৰ পৰা ছোৱালী এজনী অহাৰ লগে লগে উত্তাল হৈ উঠিছে সৰু ঠেক গলীটো। আৰু শইকীয়াই হয়তো............

পাঠক আৰু নৰ'ল। তেওঁ এইবাৰ তীব্ৰবেগে ধাৱমান হ'ল কামাখ্যা ষ্টেচনলৈ। ষ্টেচনত তেতিয়া যথেষ্ট ভীৰ। কামৰূপ এক্সপ্রেছখন এইমাত্রই পাবহি।। পাচঁ মিনিট ৰৈ আকৌ ধাৱমান হ'ব অজান মূলকলৈ।

প্লেটফৰ্মৰ ভীৰৰ মাজত অ'. চি.ক বিচাৰি উলিয়াওঁতে পাঠকৰ অকণো কষ্ট নহ'ল। অ'. চি.ৰ কাণে কাণে শইকীয়াৰ স্কুটাৰখন ৰৈ থকাৰ কথাও কৈ দিলে পাঠকে। অ. চি.ৰ মুখখন হঠাতে উজলি উঠিল। তেৱোঁ ফুঁচফুচাইয়ে ক'লে 'সি জইন কৰিয়েই ৰামপ্রসাদৰ হোটেল ৰেইড কৰিব ওলাওঁতেই মই গম পাইছিলো তাৰ চৰিত্রৰ.......'

অ. চি. প্ৰমোদ বৰ্মনৰ কথা শেষ নহ'ল। চিটি এছ. পি. চন্দ্র মহন্তই দূৰৈৰ পৰাই হাত বাউল দি মতা দেখি প্রমোদ বর্মন এক প্ৰকাৰ দৌৰিয়েই গ'ল। চেলুটটো দি তেওঁ ওচৰতে থিয় হোৱাৰ লগে লগে ক'লে মহন্তই 'শুনক বৰ্মন। এই মাত্র কামৰূপ এক্সপ্রেছখন পাবহি। খবৰ এটা পাইছো তাত টাইম বম এটা থাকিব পাৰে বুলি। লগত আই. এছ. আইৰ কোনোবা এজেন্টো থাকিব পাৰে। গুৱাহাটী ষ্টেচনত মই চেক কৰিছিলো। এণ্ট্রি ছেবটেজ, এছ. বি. কোনেও একো নাপালে। তথাপি ইয়াতো আকৌ এবাৰ চেক কৰিব লাগিব প্ৰতিটো ডবা। তাকো ৰেলখন ৰৈ থকাৰ সময়খিনিত। কোনেও গমো পাব নালাগিব। বুজিছেনে?'

'বুজিছো।'

'ঠিক আছে। সাজু হৈ থাকক।'

প্রমোদ বর্মন আঁতৰি আহিল।

তেওঁ এছ. আই পাঠকক হাত বাউলি দি মাতি পঠিয়ালে। দূৰৈত কামৰূপ এক্সপ্রেছখনৰ ইঞ্জিনটো তেওঁৰ চকুত পৰিছে। আৰু এক মিনিটৰ ভিতৰতে ষ্টেচন পাবহি ৰেলখন। কিন্তু পাঁচ মিনিটৰ ভিতৰতে পৰা যাব জানো বিশাল ৰেলখনৰ চুকে-কোণে কৰবাত লুকাই থকা বম্ব এটাৰ সন্ধান উলিয়াব!!

১০

প্ৰহ্লাদ পাটৰে ভীৰ ঠেলি-ঠেলি ডবাটোৰ দুৱাৰমুখ পাওঁতেই ৰেলখন কামাখ্যা ষ্টেচনত প্ৰৱেশ কৰিছিলহি। ৰেলৰ গতি যথেষ্ট হেলেম হৈ অহা সময়তে পাটৰে দূৰৈৰ পৰা মহিলা দুগৰাকীৰ মূৰ দুটা ভীৰৰ মাজতো দেখা পাইছিল। কিন্তু ৰেলখন ৰৈ যোৱাৰ লগে লগে আৰম্ভ হোৱা হৈ-চৈত নাইকিয়া হৈ পৰিল দুয়োগৰাকী নাৰী। পাটৰে প্লেটফৰ্মত ভৰি দি

চাৰিওফালে চালে। মাত্ৰ এক মিনিটৰ ভিতৰতে ক'ত নাইকিয়া হৈ পৰিল দুয়োগৰাকী নাৰী!! ৰাতিপুৱাৰ কোমল পৰিবেশতো পাটৰৰ চকুৰে-মুখে ঘাম বিৰিঙিল।

পাটৰ দুখোজ আগুৱাই গ'ল।

কাষৰ ডবাটোৰ খোলা খিৰিকীবোৰেৰে ভিতৰলৈ জুমি চাই চাই আগুৱাই যাওঁতে হঠাতে পাটৰ থমকি ৰ'ল। তেওঁৰ পৰা প্ৰায় বিশফুটমান আঁতৰত মহিলা দুগৰাকীক থিয় হৈ থকা দেখি পাটৰৰ মুখলৈ পানী আহিল। দুয়োগৰাকীয়ে এমুখ ডাঢ়ি থকা টি. টি এজনৰ লগত কথা পাতি থকা দেখি পাটৰৰ নিজৰ ওপৰতে খং উঠিল। মিছাতে সন্দেহ উপজিছিল দুগৰাকী অসহায়া নাৰীৰ ওপৰত। কিন্তু আনন্দই কোৱা তেওঁলোকৰ পুৰুষ সংগীজন ক'ত?

পাটৰৰ মনটো পুনৰ সন্দেহ প্ৰৱণ হৈ উঠিল।

পাটৰে নিজৰ অজানিতেই খোজ দিবলৈ আৰম্ভ কৰি এটা সময়ত দুয়োগৰাকীৰ নিচেই ওচৰতে ৰৈ দিলে। টি. টিজন ইতিমধ্যেই আঁতৰি গৈছিল। পাটৰে মুখত হঁহাৰ ভাব এটা ফুটাই সুধিলে— 'ৰিজাৰভেছন হ'লনে আপোনালোকৰ?'

পাটৰৰ মাতত থতমত খালে দুয়ো।

বেছ যেন অপ্ৰস্তুত হ'ল।

মোক বোধহয় চিনি পোৱা নাই! পাটৰে ভাবিলে। তেওঁ এইবাৰ পুনৰাই মাত দিলে 'আমাৰ ডবাটোতে আপোনালোকক লগ পাইছিলো। চিনাকি হোৱা নহ'ল অৱশ্যে।'

'চিনি পাইছো। কিয় নাপাম?' বয়সীয়াল মহিলাগৰাকীয়ে এইবাৰ তপৰাই মাত দিলে 'আমাৰ ৰিজাৰ্ভেছনত গণ্ডগোল এটা হ'ল। আমাক হেনো কাঞ্চনজংঘা এক্সপ্ৰেছতহে বাৰ্থ দি থোৱা আছে। সেইখন আকৌ আঠ বজাতহে এইখিনি পাবহি। এতিয়া ইয়াতে ৰৈ থাকিব লাগিব। উপায়ো নাই।'

পাটৰে কি বুলি সান্ত্বনা দিব ভাবি ওৰ নাপালে। আকৌ সজল হাঁহি এটা মাৰি পাটৰ আঁতৰি আহিল। প্লেটফৰ্মত তেতিয়া অযথা হৈ-চৈ আৰম্ভ হৈ গৈছে। পাঁচ মিনিট খুব কম সময়। এইকণ সময়তে নিজৰ ডবা, বাৰ্থ উলিয়াই লোৱাটো সহজো নহয়। যাত্ৰীৰ অহেতুক ভীৰ ঠেলি-ঠেলি পাটৰ এডৰা মুকলি ঠাই পাই ৰৈ দিলে। তেওঁ দীঘলকৈ উশাহ এটা লৈ চাৰিওফালে চাওঁতেই চিটি এছ. পিক দেখা পালে। পুলিচ ৰিজাৰ্ভৰ এণ্ট্ৰি ছেৰটেজ স্কোৱাৰ্ডৰ হাবিলদাৰ এজনৰ লগত কথা পাতি থকা দেখি পাটৰো সেইখিনিলৈকে আগবাঢ়ি গ'ল।

'ছাৰ! এতিয়ালৈকে দুবাৰ চেক কৰা হ'ল। ক'তো একো নাপালো।'

'ইঞ্জিনটোও চাইছিলনে?'

'চাইছিলো। একো নাই।'

'ঠিক আছে।'

চন্দ্ৰ মহন্ত দুখোজমান আঁতৰি গ'ল। পাটৰে জানে চন্দ্ৰ মহন্তই এতিয়া চিন্তা-ক্লিষ্ট হৈ ভাবিছে মাথোঁ এটা কথা ঃ ৰেলখন আগবাঢ়ি যোৱাৰ সংকেত দিব পৰা যায় নে নাযায়!!

পাটৰে ঘড়ীটো চালে। দহমিনিট পাৰ হৈ গ'ল।

চন্দ্ৰ মহন্তৰ মুখৰ চাৱঁনি এবাৰ ছকা-মকাকৈ পাটৰৰ চকুত পৰিল। মহন্তৰ মুখখন মুকলি দেখাইছে। তেওঁ হয়তো সিদ্ধান্ত লৈ পেলালে। তেওঁ এতিয়াই গ্ৰীণ ছিগনেল দিব। ৰেলখন আকৌ ধাৱমান হ'ব। লগে লগে আনন্দ ডেকাহঁতো যাত্ৰা কৰিব পশ্চিমলৈ বুলি।

আনন্দৰ কথা মনত পৰাৰ লগে লগে পাটৰে উচপিচাব ধৰিলে। আনন্দৰ পৰা ঠিকনাটো উলিয়াই থব লাগিব। ইমান দিনৰ মূৰকত লগ পায়ো ভালদৰে কথা এষাৰি পতা নহ'ল। ঠিকনাটো পালে অন্তত চিঠি এখনকে দিব পৰা যাব।

পাটৰ একপ্ৰকাৰ দৌৰিয়ে আহিল অনন্দহঁতৰ ডবাটোলৈ।

পাটৰ ভিতৰলৈ সোমাই নগ'ল। খিৰিকীৰেই মাতিলে আনন্দক। ঠিকনাটো সৰু নোটবুক এখনত লিখি লওঁতেই দুমিনিট পাৰ হৈ গ'ল। ৰেলৰ হুইচেল বাজিব ধৰা দেখি পাটৰে ক'লে 'তোলৈ চিঠি লিখিম। তয়ো উত্তৰ দিবি।'

'দিম। তই জীতেনক লগ পালে মোৰ কথা কবি। তাকো চিঠি এখন দিব কবি।'

'ক'ম।'

ৰেলখন ইতিমধ্যেই চলিবলৈ আৰম্ভ কৰিলে। পাটৰে আঁতৰি যাব ওলাইয়ো শেষত এইবাৰ কিছু উৎকণ্ঠাৰে ক'লে 'তহঁতৰ লগত থকা সৰু ফেমিলীটো লগ পাইছিলো। বেলেগ এখন ৰেলতহে বিজাৰভেছন হ'ব বোলে। ইয়াতে নামি গ'ল। তহঁতৰ এতিয়া চিন্তা নাই। আৰামত যাব পাৰিবি।'

ৰেলৰ গতি আৰু বাঢ়িব ধৰিলে।

পাটৰৰ শেষৰ কথাষাৰে আনন্দক চিন্তাত পেলালে। তেওঁ নিজৰ ছিটটোলৈ উভতি আহিল। মানুহজন বেছ চিন্তামগ্ন হৈ পৰিল। তাৰ স্পষ্ট মনত আছে মানুহগৰাকীয়ে লামডিঙৰ পৰা আহি থকা বুলি কৈছিল। লামডিঙৰ পৰা গুৱাহাটীলৈ ভুল ট্ৰেইন এখনত আহি থকাটো সম্ভৱ জানো!! আৰু যদি সঁচাকৈয়ে ৰেলখন ভুলেই হয়, তেন্তে বয়বস্তু নমাই নিনিলে কিয়? আনন্দই কিছু উত্তেজনা অনুভৱ কৰিলে।

এটা প্ৰকাণ্ড ট্ৰাংক। সি বহি থকা ছিটটোৰ তলতে থোৱা আছে। কি কৰা যায় এতিয়া?

'বড়ো।' কাষৰ জনক মাতিলে ডেকাই।

'কওঁক দাদা!'

'এই ট্ৰাংকটো সেই ফেমেলীটোৱেই থৈ যোৱা, হয়নে?'

'হয়।'

'সেইটো নমাই দিব লাগিব।'

'কিয়?' বড়ো বোলাজন আচৰিত হ'ল।

'তেওঁলোক ইয়াতে নামি গ'ল। অন্য এখন ৰেলেৰেহে যাব হেনো।'

'কিন্তু ৰেলখনতো চলিবই ধৰিছে।'

'হ'লেও চেষ্টা এটা চলাব লাগিব। তুমি উলিয়াই আনা, ট্ৰাংকটো দুয়ো ধৰাধৰি কৰি উলিয়াই লৈ যাওঁ ব'লা।'

বড়োৰ মুখত বিৰক্তিৰ ভাব এটা ফুটি উঠিল। অৱশ্যে ট্ৰাংকটো উলিয়াই অনাত সহায়ো কৰিলে। দুয়ো ধৰাধৰিকৈ ট্ৰাংকটো কঢ়িয়াই দুৱাৰমুখলৈ লৈ আনিলে। ৰেলখন ঠিক সেই সময়তে প্লেটফৰ্ম এৰি থৈ আহিছিল।

'সৌৱা! তেওঁলোক প্লেটফৰ্মৰ বেঞ্চতে বহি আছে!!' খিৰিকীৰে বাহিৰলৈ চাই হঠাতে বড়োৱে চিঞৰি দিলে।

'সোনকালে কৰা।' আনন্দয়ো চিঞৰি ক'লে।

কিন্তু দেৰী হৈ গ'ল। ঠিক দুৱাৰমুখ পাওঁতেই ৰেলখনে প্লেটফৰ্মখন বহু দূৰৈত এৰি থৈ আহিল। এতিয়া দুয়োপাৰে এডৰা গভীৰ পিতনি। মাজে মাজে অৱশ্যে সমান মুকলি ঠায়ো আছে। আনন্দই কিবা ভাবি ট্ৰাংকটো লোহাৰ দৰ্জাখনৰ ঠিক কাষতেই থিয় কৰাই দিলে। আগত আৰু এডৰা মুকলি ঠাই দেখা গৈছে। সেইখিনিতেই ট্ৰাংকটো নমাই দিব পৰা যাব।

অৱশ্যে যথেষ্ট সাৱধান হ'ব লাগিব। এধানিমানো ভুল হ'লেই ট্ৰাংকটো গভীৰ পিতনিৰ ভিতৰলৈ সোমাই যাব।

তথাপি ৰিস্ক লবই লাগিব।

তেওঁলোকে ট্ৰাংকটো কঢ়িয়াই অনা দৃশ্যটো ছকা-মকাকৈ দেখা পাইছেই মানুহগৰাকীয়ে। তেওঁ হয়তো আগবাঢ়ি আহিবই। ট্ৰাংকটো য'তেই নপৰক কিয় তেওঁ অন্ততঃ বিচাৰি উলিয়াব পাৰিব।

'বড়ো! ঠেলি দিয়া ট্ৰাংকটো।'

বড়োয়ে লগে লগে ঠেলি দিলে ট্ৰাংকটো। এটা ধাতৱ শব্দ হ'ল। কিন্তু..............

'দাদা! মহিলাগৰাকীয়ে ট্ৰাংকটো বিচাৰি পাবনে?'

'ক'ব নোৱাৰো। পাবও পাৰে।'

১১

ক্ষণে ক্ষণে ঘড়ীটো চাইছে আলী চাহাবে।

তেওঁৰ হোটেলৰ খিৰিকীখন মেল খাই আছে। কুঁৱলী পৰিছে যদিও দূৰৈৰ শৰাইঘাট দলংখন তেওঁৰ চকুত নপৰা নহয়। কামৰূপ এক্সপ্ৰেছখন আগবাঢ়ি যোৱাও দেখা পাইছে আলীচাহাবে। তেওঁৰ মনৰ উত্তেজনা তেতিয়া চৰম সীমাত। আৰু মাত্ৰ দুই মিনিট সময় আছে পৰম আকাঙ্খিত ক্ষণটোৰ বাবে। আজিৰ পৰা কেইবাশ বছৰৰ আগতে এই শৰাইঘাটতে যুদ্ধ এখন হৈছিল। এইবাৰ আকৌ এখন যুদ্ধ হ'ব। কোন জয়ী হ'ব সেইয়া অকল আলী চাহাবেহে জানে।

তেওঁৰ মুখখনত কুটিল হাঁহি এটা বিৰিঙি উঠিল।

ৰেলখনে ইতিমধ্যে শৰাইঘাট দলঙত ভৰি দিছিল। ৰেলখনৰ ইঞ্জিনৰ ধোঁৱা তেওঁৰ চকুতো পৰিছে। দূৰৈৰ পৰা দীঘল কেৰেলুৱা এটা যেন দেখা গৈছে দীঘল ৰেলখন। আৰু মাত্ৰ একমিনিটৰ ভিতৰতে ভয়ংকৰ নিনাদেৰে ধ্বংসস্তূপত পৰিণত হ'ব ৰেলখন। লগে লগে দলংখন..........

কিন্তু........................

আলীচাহাবৰ মুখখনে বৰণ সলালে।

ৰেলখন ইতিমধ্যেই শৰাইঘাট দলঙখন পাৰ হৈ গৈছিল। কিন্তু দলঙখন তেনেকৈয়ে ৰৈ গ'ল। প্ৰাচীন যুগৰ দৈত্য এটাহে যেন দলংখন, কোনেও যেন পৰাস্ত কৰিব নোৱাৰে। শান্ত হৈ শুই আছে দলংখন। তাৰ বুকুৰেদি প্ৰকাণ্ড ৰেলখন পাৰ হৈ যাওঁতে গাটো এবাৰলৈ হ'লেও কঁপি নুঠিল।

তীব্ৰ আক্ৰোশত আলীচাহাবে মুখখন বিকটাই দিলে।

চকুদুটা মুদি দিলে তেওঁ। খঙত মানুহটো কঁপিব ধৰিলে।

তেওঁ দক্ষিণ দিশলৈ ঘূৰি চালে অৱশ্যে অন্য এটা দৃশ্য দেখিলেহেঁতেন! ৰেল আলিৰ কাষৰ পিতনি এডৰাৰ পৰা এসোপা ক'লা ধোঁৱা ওলাই আহি আকাশলৈ উঠি গৈছে কুণ্ডলী একোটাৰ সৃষ্টি কৰি, যেন আলী চাহাবৰ অৱস্থা দেখি দুখহে পাইছে!! ○

# আলোড়ন

ঘটনাটো নাটকীয় ভাবে ঘটি গ'ল। প্ৰখৰ দুপৰীয়াৰ ৰ'দৰ বাবে ৰাজগড় পথটো প্ৰায় জনশূন্য। আদহীয়া মানুহজনে ছয় নং বাইলেনৰ পৰা ওলাই ৰাজগড় পথত ভৰি দিছিল। কান্ধত আছিল ক'লা চামৰাৰ বেগ এটা। লাহে লাহে খোজ দি তেওঁ ভঙাগড়ৰ দিশে অগ্ৰসৰ হৈছিল। পথৰ কাষৰ পি. চি. অ' এটাৰ সন্মুখত খন্তেক ৰৈ দিলে তেওঁ। পি. চি. অ'টোৰ আইনাৰ স্বচ্ছ দুৱাৰখনৰ মাজেৰে ভিতৰলৈ জুমি চালে এবাৰ। পি. চি. অ'টোৰ মালিক অপূৰ্বই তেতিয়া ফেনখন চলাই চকু মুদি চকীখনতে মূৰটো থৈ আকাশ-পাতাল ভাবি আছিল। সম্পূৰ্ণ বিছ মিনিট ধৰি কোনো এজন গ্ৰাহক অহা নাই। এনেকৈয়ে যদি গোটেই মাহটো পাৰ হৈ যায় সি কোঠাটোৰ ভাড়াকে আদায় দিব ক'ৰ পৰা! মানুহজনে কান্ধৰ চামৰাৰ বেগটো এহাতত লৈ পি. চি. অ'টোৰ ভিতৰলৈ সোমাই অহাৰ প্ৰথমটো শব্দৰ লহৰতে অপূৰ্ব খপ্‌জপাই উঠি পোন হৈ ৰহিল। চিন্তাক্লিষ্ট মানুহজনে মিহি স্বৰেৰে সুধিলে 'লোকেল কল দুটামান কৰিব পাৰিমনে?'

অপূৰ্বই সন্মুখৰ টেবুলখনত থকা টেলিফোনটো আগবঢ়াই দিলে। মানুহজনে কিন্তু অপূৰ্বই আগবঢ়াই দিয়া টেলিফোনটো নুচুলে। তেওঁ বাঁওকাষে থকা সৰু গ্লাছ চেম্বাৰটোৰ ভিতৰলৈ সোমাই গ'ল। ভিতৰৰ পৰা দুৱাৰখন বন্ধ কৰি টুল এখনত বহি লৈ তেওঁ এটা এটাকৈ তিনিটা ফোন কৰিলে। প্ৰথমটো খুব কম সময়ৰ বাবে, পিছৰ দুটাত বেছ দীঘলীয়াকৈ কথা পাতি তেওঁ ওলাই আহিল।

'কিমান হ'ল?' সুধিলে তেওঁ।

অপূৰ্বই মিটাৰ ৰিডিঙটো চাই ক'লে 'দহ টকা।'

'দহ টকা!' মানুহজনে পকেটৰ পৰা মানি বেগটো উলিয়াই লৈ আকৌ সুধিলে।

'আঁ। প্ৰথমটোত দুটকা, পিছৰ দুটাত চাৰি টকাকৈ উঠিছে।'

মানুহজনে এইবাৰ একো নক'লে। দহ টকীয়া নোট এখন উলিয়াই অপূৰ্বৰ হাতত দি তেওঁ ওলাই গ'ল। অপূৰ্বই আগবঢ়াই দিয়া বিলখনো তেওঁ নুচুলে। অপূৰ্ব ক্ষনিক উৎসুক হৈছিল। মানুহজনৰ চাল-চলনত চঞ্চলতা প্ৰকাশ পাইছিল। ভিতৰি ভিতৰি তেওঁ যেন বেছ উত্তেজিত হৈ আছিল। গ্লাছ চেম্বাৰৰ ভিতৰতে ফোনত কথা পাতিলেও দুই-এটা শব্দ অপূৰ্বৰ কাণতো পৰিছিল। কথাকেইটাই অপূৰ্বৰ মনলৈ ভাৱৰ বুৰবুৰণি আনিছিল। কিন্তু মানুহজন ওলাই যোৱাৰ পিছতে তাৰ ভাৱত যতি পৰিছিল। সি আকৌ চকুহাল মুদি মূৰটো চকীখনত আঁউজি থৈ শুবলৈ চেষ্টা কৰিলে। প্ৰায় দুই মিনিটমান পিছতে তাৰ দুচকুলৈ আকৌ তন্দ্ৰালু ভাব এটা

ঘূৰি আহিছিল। আৰু কেইমিনিটমান পিছতে হয়তো সি সাঁচাকৈয়ে টোপনিয়ালেহেঁতেন; কিন্তু হঠাতে বাহিৰত হোৱা হৈ-চৈৰ শব্দই সকলো খেলি-মেলি লগাই দিলে।

বাহিৰত যেন কোনোবাই ফটকা ফুটাইছে।

এই দুপৰীয়াখন ফটকা ফুটোৱাটো স্বাভাবিক ঘটনা নহয়। অন্ততঃ অপূৰ্বৰ বাবে। সি আকৌ খপ্জপাই উঠি বাহিৰ পালেগৈ।

ঘটনাটো ইতিমধ্যেই নাটকীয় ভাৱে ঘটি গৈছিল।

প্ৰায় ৬০-৭০ মিটাৰমান দূৰৈত ঘটিছিল কাণ্ডটো।

পথৰ মাজডোখৰত উবুৰি খাই পৰি আছে অপূৰ্বই অলপ আগতে লগ পোৱা মানুহজন। কান্ধৰ চামৰাৰ বেগটো নাই। শৰীৰটো ৰক্তাবৃত হৈ আছে।

অপূৰ্ব শিয়ঁৰি উঠিছিল।

এসময়ত সিয়ো তেজৰ খেলা খেলিছিল। কিন্তু এতিয়া সেইয়া অতীত। তেতিয়া তাৰ নামো আছিল অন্য এটা। কিন্তু এতিয়াৰ পৰিস্থিতি সম্পূৰ্ণ বেলেগ। অপূৰ্বই থোৰতে যি গম পালে সেইয়া হ'ল, ৰাজপথেৰে মানুহজন ভঙাগড়ৰ দিশে খোজকাঢ়ি গৈ আছিল। হঠাতে মাৰুতি ভেন এখন ভঙাগড়ৰ ফালৰ পৰা তীব্ৰবেগে আহি বৈ গ'ল। ভেনখনৰ পৰা দুজন যুৱক নামি আহি মানুহজনক আগচি ধৰিলে। এজনে কান্ধৰ পৰা চামৰাৰ বেগটো কাঢ়ি ল'লে। সিজনে হাতত থকা এ. কে. ৪৭টোৰে ধাৰাসাৰে গুলি বৰষিব ধৰিলে। মাত্ৰ দুটা ছেকেণ্ডৰ ঘটনা। পিছৰ পলকত যুৱক দুজন মাৰুতি ভেনখনত উঠি লৈছিল। ভেনখন আকৌ ঘূৰি গৈছিল ভঙাগড়লৈ.......

২

অপূৰ্বৰ গোটেই নিশা টোপনি নাহিল। চকু মুদিলেই মানুহজনৰ মুখ খন ভাঁহি উঠে। জীৱনৰ সেই চাৰিটা বছৰত যিমান তেজৰ ৰং দেখিছিল তাৰ তুলনাত এইয়া একোৱেই নহয়। তথাপি সি ম্ৰিয়মান হৈছিল। মানুহজন অপৰাধী হ'বই নোৱাৰে। তেওঁৰ চেহেৰাই অন্ততঃ তেনে এটা আভাস নিদিয়ে। হয়তো এটা ভয়ংকৰ পাকচক্ৰৰ আবৰ্তত নিমজ্জিত হৈ আছিল তেওঁ। যাৰ পৰিণতি হল মৃত্যু।

অইনদিনাখন পুৱা ছয় বজাতহে পি. চি. অ'. খোলে অপূৰ্বই। আজি কিন্তু ব্যতিক্ৰম হ'ল। সি পুৱা পাঁচ বজাতেই পি. চি. অ' টো খুলিলে। কোঠাটোৰ চাৰিওফালে সি নিৰ্দ্দিষ্ট বিল তিনিখন বিচাৰিবলৈ লাগি গ'ল। প্ৰথমবাৰ বিচাৰোতেই পাই গ'ল সৰু কাগজখিলা, সেই মানুহজনে লৈ নোযোৱা বিলখন। তিনিটা নম্বৰ লিখা আছে তাত। অপূৰ্বই জানে এই তিনিটা ফোন নম্বৰতেই অবধাৰিত ভাবে লুকাই আছে যোৱা কালিৰ মানুহজনৰ মৃত্যু ৰহস্য।

সময় পাৰ হৈ গৈ দুপৰীয়া পালেহি।

পি. চি. অ'.টোত এতিয়া ভীৰ নাই।

অপূৰ্বই ফোনটো ওচৰলৈ টানি আনিলে। সি প্ৰথম নম্বৰটো ডায়েল কৰিলে। দুবাৰমান ৰিং কৰাৰ পিছত সিফালৰ পৰা ভাঁহি আহিল 'হেল্লো।'

'কোনে কৈছে আপুনি ?' অপূৰ্বই সুধিলে।

'কাকনো লাগে আপোনাক ?' সিফালৰ পৰা ওলোটাই সুধিলে।

'এইটো কাৰ ঘৰনো ?'

'এইটো ঘৰ নহয়। এইটো প্ৰবাল ড্ৰাগ এজেন্সিৰ অফিচ। আপুনি বাৰু কোনে কৈছে ? কাক লাগে ?'

অপূৰ্বই ৰং নাম্বাৰ বুলি কৈয়ে থৈ দিলে ৰিচিভাৰটো।

অন্তত এটা সূত্ৰ পোৱা গ'ল।

প্ৰবাল ড্ৰাগ এজেন্সিৰ ছাইনবোৰ্ডখন অপূৰ্বই দেখিছে। জি. এছ্ ৰোডৰ বাওঁহাতে নতুনকৈ আৰম্ভ কৰা মাৰ্কেট কমপ্লেক্সটোতে দেখিছিল ছাইনবোৰ্ডখন। তাৰ স্পষ্ট মনত আছে। ইয়াৰ পৰা দূৰত্ব হ'ব খুব বেছি ডেৰ কিলোমিটাৰ। গাড়ীৰে গ'লে পাঁচ মিনিটৰ বাট। আৰু উৰন্ত গতিত অহা মাৰুতি ভেন এখনৰ বাবে কিমান সময় লাগিব ? অপূৰ্বই মনতে এবাৰ হিচাব কৰি চালে।

অপূৰ্বই আন দুটা নম্বৰত হাত দিলে এইবাৰ। প্ৰথমটো নম্বৰত বহুবাৰ ফোন কৰিও সিফালৰ পৰা কোনো উত্তৰ নাহিল। অপূৰ্বই বহুবাৰ চেষ্টা কৰি চালে। অৱশেষত সি অৱশিষ্ট ফোন নম্বৰটোত চকু দিলে। মনতে নম্বৰটো আওঁৰাই সি ডায়েল কৰিলে। দুবাৰমান বজাৰ পিছত সিফালৰ পৰা যুৱতী এগৰাকীৰ মাত ভাহি আহিল 'হেল্লো।'

'কোনে কৈছে আপুনি ?' অপূৰ্বই সুধিলে।

'মই ৰূপালী। কাক লাগে আপোনাক ?'

'কাৰ ঘৰনো এইটো ?'

'মোৰেই ঘৰ। আপোনাক কিমান নম্বৰ লাগেনো ?'

'ৰং নাম্বাৰ।' অপূৰ্বই থৈ দিলে ৰিছিভাৰটো।

অপূৰ্ব ভিতৰি ভিতৰি বেছ উত্তেজিত হৈছিল। মাত্ৰ দুটা সূত্ৰ। 'প্ৰবাল ড্ৰাগ এজেন্সি' আৰু 'ৰূপালী'। কিন্তু কোন এই ৰূপালী ?

৩

দিনটোৰ ব্যস্ততাৰ মাজতো অপূৰ্বৰ মনত এটা চিন্তাই জুমুৰি দি ধৰে। সি বাৰু আৰু এঢাপ আগুৱাই যাব নে পুলিচক কৈ দিব মানুহজনৰ মৃত্যুৰ কেইমিনিটমানৰ আগৰ কাহিনী। অপূৰ্বই পিছে একো থিৰাং কৰিব নোৱাৰিলে। দিনটো তেনেকৈয়ে পাৰ হৈ গ'ল। পিছদিনাখনৰ দুপৰীয়াৰ নিজম সময়খিনিত সি আকৌ এবাৰ অস্বস্তিত পৰিল। চকুৰ আগতেই মানুহজনৰ মৃত্যু হৈ গ'ল। সি জানে তাৰ হাতত থকা ফোন নম্বৰ তিনিটাই উন্মোচন কৰি দিব পাৰে হত্যাৰ ৰহস্য।

অপূৰ্বৰ ভাবত যতি পৰিল।

যুৱতী এগৰাকী সোমাই আহিল পি. চি.অ'টোলৈ। অপূৰ্বই টেবুলৰ এচুকত থকা টেলিফোনটো আগবঢ়াই দিলে। যুৱতীয়ে টেবুলৰ সন্মুখত থকা প্লাষ্টিকৰ চকী এখনত বহী লৈ দীঘলকৈ উশাহ ল'লে। অপূৰ্বলৈ পোনে পোনে চাই এইবাৰ ক'লে 'মই পিছে ফোন কৰিব অহা নাই। সামান্য খবৰ এটাহে ল'ব আহিছোঁ।'

অপূৰ্ব আকৌ অস্বস্তিত পৰিল।

যুৱতীৰ মাতটো যেন সি কৰবাত শুনিছিল। কিন্তু ক'ত? সি মনত পেলাবলৈ চেষ্টা কৰিলে। যুৱতীৰ মুখলৈ চালে সি। সপ্ৰতিভ ছোৱালী। বয়স হয়তো পচিছ মানেই হ'ব। চেহেৰাত এটা এগ্ৰেছিভ ভাব। বৰণ বগা, ধুনীয়া।

অপূৰ্বৰ মনত পৰি গ'ল।

এই যুৱতীৰ লগতেইতো সি কথা পাতিছিল।

যুৱতীৰ মুখলৈ তিৰ্য্যক ভাবে দৃষ্টি বুলাই অপূৰ্বই এইবাৰ পোনপটীয়াকৈ সুধি পেলালে 'আপুনি বাৰু ৰূপালী ..........'

'হয়। মোৰেই নাম ৰূপালী। ৰূপালী শৰ্মা। কিন্তু আপুনি কেনেকৈ গম পালে মোৰ নাম?' যুৱতীৰ মুখত অপাৰ বিস্ময়ৰ চাপ। এইবাৰ তেওঁ বেছ উত্তেজনাৰে মাত দিলে 'পৰহি আপুনিয়েই..........'

৪

'মোৰ ঘৰ উত্তৰ লক্ষীমপুৰত। সৰুৰে পৰা মন আছিল সাংবাদিক হোৱাৰ। ইনভেষ্টিগেটিভ জাৰ্ণেলিজিম কৰাৰ। ডিগ্ৰী পাছ কৰি সেয়েহে গুৱাহাটীলৈ গুচি আহিলোঁ। দুবছৰ জালুকবাৰীত পঢ়িলো। জাৰ্ণেলিজিমৰ ডিগ্ৰী এটাও ললোঁ। কিন্তু এইবাৰহে আচল সংগ্ৰাম আৰম্ভ হ'ল। ছমাহমান ক'তো কাম নাপাই ফ্ৰি লান্স জাৰ্ণেলিষ্ট হিচাপে কাম আৰম্ভ কৰিলোঁ। সেয়া দুবছৰ আগৰ কথা।' ৰূপালী শৰ্মাই নিজৰ কথাখিনি শেষ কৰি অপূৰ্বলৈ চালে।

'তাৰ পিছত?'

'লাহে লাহে দুই এখন কাকতত মোৰ নিউজবোৰ প্ৰকাশ পাব ধৰিলে। বহুতৰে লগত চিনাকীও হ'ল। দিল্লীৰ পৰা ওলোৱা নিউজ পেপাৰ এখনতো কাম পাই গ'লোঁ। হাতলৈ পইছা-পাতি আহিব ধৰিলে। আজি দুমাহমান আগতে দিল্লীৰ পৰা খবৰ এটা আহিল। খবৰটো সাংঘাটিক। গুৱাহাটীখন বোলে ড্ৰাগছ আৰু আৰ্মছ স্মাগলিঙৰ আড্ডা হৈ পৰিছে। মোক খবৰ গোটাব ক'লে। মই ক'ব পৰা আৰম্ভ কৰিম ভাবি-চিন্তি ওৰ পোৱা নাছিলোঁ। মই স্কুটাৰ চলাওঁতেসেয়েহে বৰ আনমনা হৈ পৰিছিলো হয়তো। তেনেকৈয়ে এদিন মোৰ স্কুটাৰখনত খুন্দা খাই বাগৰি পৰিল মানুহ এজন। কোন জানেনে তেওঁ?'

অপূৰ্বই মূৰ জোঁকাৰিলে।

'অৰবিন্দ বৰা।'

'কোন অৰবিন্দ বৰা?' অপূৰ্বই সুধিলে।

ৰূপালী শৰ্মা যেন আচৰিত হ'ল। চকুহাল সেমেকিও উঠিল এবাৰ। লাহেকৈ অৱশেষত মাত দিলে 'দুদিন আগতে তেৱেঁইতো আপোনাৰ ইয়াৰ পৰা মোলৈ ফোন কৰিছিল। তাৰ খন্তেক পিছতে তেওঁকেইটো ..................'

'বুজিলোঁ।'

ৰূপালীয়ে আকৌ আৰম্ভ কৰিলে 'বৰাই এসময়ত ফৰেনচিক লেবৰেটৰীত কাম কৰিছিল। পইছা-পাতি লৈ ৰিপ'ৰ্টবোৰ ইফাল সিফাল কৰিছিল। তেনেকৈয়ে ড্ৰাগছ স্মাগলিঙৰ লগত জড়িত দুই-এজনৰ লগত চিনাকীও হৈছিল। কিন্তু এদিন তেওঁ ধৰা পৰি গ'ল। চাকৰিটো গ'ল। পুলিছ কেছ হ'ল। দুমাহমান জেলো খাটিলে। সেই সময়তে তেওঁৰ অনুশোচনা হ'ল। ড্ৰাগছ স্মাগলিঙৰ চিনাকী কেইজনমানৰ ওচৰত কেচটো চলি থাকোতে তেওঁ সহায় বিচাৰিছিল। তেওঁলোকে সঁহাৰি নিদিলে। বৰাৰ অন্তৰত প্ৰতিশোধৰ স্পৃহা এটা জাগি উঠিছিল। ঠিক সেই সময়তে মোৰ লগত তেওঁৰ চিনাকী হৈছিল। মই তেওঁক উৎসাহ দিলো। তেওঁ মোক সহায় কৰিবলৈ মান্তি হ'ল। দুই এটা খবৰো মোক দিলে। কিন্তু সেইয়া যথেষ্ট নহয়। ড্ৰাগছৰ খুচুৰা বিক্ৰেটাৰ খবৰ মোক নালাগে। মোক লাগে আচল খবৰ।'

ৰূপালী এইবাৰ ৰ'ল।

অপূৰ্বই নীৰবে শুনি গ'ল।

'যোৱা সপ্তাহৰ কথা।' ৰূপালীয়ে কৈ গ'ল 'হঠাতে বৰা মোৰ ঘৰলৈ আহিল। তেওঁ সিদিনা বেছ চিন্তিত হৈ আছিল। তেওঁ মোক খবৰ দিলে গুৱাহাটীত মুঠ চাৰিজন ড্ৰাগছ স্মাগলাৰ আছে। তেওঁলোকৰ প্ৰত্যেকৰে টেৰিটৰি বেলেগ। বেলেগ বেলেগ পথেৰে

তেওঁলোকৰ ড্ৰাগছ আহে, যায়। তেওঁলোকৰ এজনে ইল্লিগেল আৰ্মছ স্মাগলিঙতো সোমাই পৰিছে! সেইজনৰ প্ৰতিপত্তি খুব বাঢ়ি গৈছে। সেয়েহে অন্য তিনিজনৰ লগত তেওঁৰ বৈৰী ভাব এটা উপজিছে। সেই তিনিজনৰ এজনৰ লগত ৰবাৰ যোগসূত্ৰও স্থাপন হৈছিল। মই ৰবাক বিতং খবৰ গোটাবলৈ উৎসাহ দিছিলো। ৰবা সেইদিনা উভতি যোৱাৰ পিছত দুদিনমানলৈ কোনো খবৰ নাই। যিদিনাখন ৰবাক মাৰ্ডাৰ কৰিছিল তাৰ আগদিনাখনৰ গধূলিৰ কথা। ৰবা মোৰ ঘৰলৈ আহিছিল। প্ৰায় এঘন্টামান তেওঁ মোৰ লগত আছিল। তেওঁক বেছ চিন্তিত দেখাইছিল। তেওঁ কৈছিল তেওঁ ইনভেষ্টিগেচনৰ অন্তিম পৰ্যায় পাইছিলহি। চাৰিওজন ড্ৰাগছ স্মাগলাৰৰ পৰিচয় তেওঁ পাইছিল, কিন্তু এটা কথাই তেওঁক দুশ্চিন্তাত পেলাইছিল। আগতে কৈছিলোৱেই এজন ড্ৰাগছ স্মাগলাৰৰ লগত ৰবাৰ যোগসূত্ৰ হৈছিল। সেইজনে ৰবাক বহুতো খবৰ দিছিল। তেওঁ ৰবাক সহায় কৰাৰ কাৰণো আছিল। তেওঁৰ স্বাৰ্থ এটাই। অইন কেইজন এক্সপজড হওঁক, তেওঁ বাচি যাওঁক। অইন কেইজনৰ ক্ষতি হ'লে তেওঁৰেই লাভ।'

অপূৰ্বই নীৰৱে শুনি গ'ল।

তাৰ দুচকুৰ দৃষ্টি ৰূপালীৰ মুখত, চকুহালত আৰু কমনীয় ওঁঠত স্থিৰ হৈ বৈ গ'ল। সি যেন মোহাচ্ছন্ন। ৰূপালীয়ে আকৌ এবাৰ ক'বলৈ আৰম্ভ কৰিলে 'সেইদিনা যোৱাৰ সময়ত ৰবাই কৈ গৈছিল মোক পিছদিনা ঘৰতে থাকিবলৈ, যাতে ফোন কৰিলেই তেওঁ মোক লগ পায়। মই ফোনৰ কাষতে বৈ থাকিলোঁ। তেওঁ ফোন কৰিলে দুপৰীয়া এক বজাত। প্ৰয় পাঁচ মিনিট কথা পাতিছিলোঁ আমি। ৰবাই মোক কৈছিল ড্ৰাগছ স্মাগলিঙৰ লগত জড়িত চাৰিওজনৰ বিপক্ষে তেওঁ অকাট্য প্ৰমাণ পাইছে। সেইবোৰ হেনো তেওঁৰ লগত থকা ক'লা চামৰাৰ বেগতে আছে। গধূলি মোৰ ঘৰলৈ আহি সকলোবোৰ দিয়াৰ কথা। কিন্তু তেওঁ এটা কথা বাৰে পতি দোহাৰিছিল।'

'কি কথা?' সুধিলে অপূৰ্বই।

ৰূপালীয়ে দীঘলকৈ উশাহ লৈ ক'লে 'ৰবাৰ মতে তেওঁৰ অভিযানৰ কথা ড্ৰাগছ স্মাগলিঙৰ চক্ৰটোৱে ইতিমধ্যে গম পাই গৈছে। প্ৰত্যেকৰে শেন চকু তেওঁ কঢ়িয়াই লৈ ফুৰা প্ৰমাণবোৰৰ ওপৰত। তেওঁক সহায় কৰাজনেও প্ৰমাণবোৰ তেওঁকেই দি দিয়াটো বিচাৰিছে। ৰবাই হেনো কোনোপধ্যেই প্ৰমাণবোৰ দি নিদিয়ে বুলি কৈ দিছে বুলি মোক কৈছিল। সেয়ায়েই ৰবাৰ লগত মোৰ শেষ কথা। তাৰ পিছৰখিনিতো আপুনি জানেই।'

'জানো অৱশ্যে......'

'আপুনি হয়তে ভাবি আচৰিত হৈছে মই আপোনাৰ কথা কেনেকৈ গম পালোঁ। নহয় নে? কথাটো খুব সহজ। মোৰ কলাৰছ আইডেন্টি ডিভাইচ এটা আছে। সেইদিনা ৰবাই কৰা ফোন নম্বৰ আৰু যোৱা পৰহিৰ ফোন নম্বৰ একে হোৱাত মোৰ সন্দেহ উপজিল। তেতিয়াই

আপোনাৰ খবৰ ল'লো। মই অৱশ্যে ঠিকেই অনুমান কৰিছিলোঁ আপুনি মোক সহায় কৰিব বুলি।'

'সহায়?' অপূৰ্ব আচৰিত হ'ল।

'অঁ। সৰু সহায় এটা।'

'কি সহায়?' অপূৰ্বই সুধিলে।

৫

দিনটো বেছ ব্যস্তভাৱে পাৰ হৈ গ'ল অপূৰ্বৰ। প্ৰথম ঘন্টাটোত অৱশ্যে বৰ অস্বস্তি লাগিছিল। জীৱনত কোনোদিনে ছোৱালীয়ে চলাই যোৱা স্কুটাৰৰ পিছফালে উঠি পোৱা নাছিল। তদুপৰি মাত্ৰ কেই ইঞ্চিমানৰহে ব্যৱধান আছিল তাৰ আৰু ৰূপালীৰ মাজত। সিয়ো প্ৰতিবাৰ ব্ৰেক মৰাৰ লগে লগে শূন্য হৈ পৰে। এনেকুৱা এটা পৰিস্থিতিত কেনেকৈ যে দিনটো পাৰ হৈ গধূলি হ'লহি অপূৰ্বই গমেই নাপালে। ঠিক গধূলি ছয় মান বজাত পি. চি. অ'টোৰ সন্মুখত অপূৰ্বক নমাই দি ৰূপালীয়ে ক'লে 'মোৰ কাৰণেই আজি আপোনাৰ সময় আৰু ব্যৱসায় দুয়োটাৰে ক্ষতি হ'ল।'

'মোৰ অৱশ্যে ক্ষতি হ'ল ঠিকেই, কিন্তু আপোনাকো বিশেষ একো সহায় কৰিব নোৱাৰিলোঁ।'

'হ'লেও এটা কথা গম পালো যে প্ৰবাল ড্ৰাগছ এজেঞ্চিৰ মালিকজন ড্ৰাগছ ট্ৰেফিকিঙৰ কেছত এবাৰ এৰেষ্ট হৈছিল।'

'এৰেষ্ট হৈছিল হয়, জেইল পিছে নহ'ল। ফৰনেচিক ৰিপ'ৰ্টেই তেওঁক বচালে। মোৰ বোধেৰেই অৰবিন্দ বৰাই আছিল সেই ৰিপ'ৰ্টৰ আঁৰৰ মানহ। সেই ভুলৰ পৰিণতিওঁ তেওঁ পালে।'

ৰূপালীয়ে একো নক'লে।

দীঘলকৈ হুমনিয়াহ এটি এৰি ৰূপালীয়ে স্কুটাৰখন আগুৱাই লৈ যাব ওলায়ো ৰৈ গ'ল। এইবাৰ কিছু উৎকণ্ঠাৰে সুধিলে 'সেই মানুহজনৰ ওচৰলৈ ৰাতি নাযাব জানো?'

'কোনজন মানুহৰ কথা ক'লে নুবুজিলোঁ।'

'পাহৰিলে নেকি?'

'পাহৰা নাই। কিন্তু.....'

'আমি ড্ৰাগছ কোম্পানিটোৰ অফিচৰ পৰা ওলাই আহোঁতে চিৰিখনৰ মুখতে যে, বয়সীয়াল মানুহজনক লগ পাইছিলোঁ মনত আছেনে? তেওঁতো আপোনাক মাতিছিল নিজৰ ঘৰলৈ। ঠিকনাও দিছিল। বহুত কথা ক'বলৈ আছে হেনো। আপোনাকতো তেওঁ নিউজ পেপাৰৰ ৰিপোৰ্টাৰ বুলি বহুত কথা ক'লে।'

অপূৰ্বই হাঁহিলে।

'হাঁহিলে যে?'

'ঠিক আছে। যাম এবাৰ। বুঢ়াই যি কয় শুনিম। আপোনাক জনাম বাৰু।'

৬

ঠাইখিনি অন্ধকাৰ। ৰাস্তাটোৰ দুয়োকাষে থকা ঘৰবোৰৰ পৰা ছিটিকি অহা পোহৰ যিকণ পৰিছে সেয়া যথেষ্ট নহয়। অপূৰ্বৰ হাতত টৰ্চ এটা আছিল বাবে সি একো অসুবিধা পোৱা নাছিল। টৰ্চটোৰ পোহৰকে সম্বল কৰি অপূৰ্বই খোজকাঢ়ি আহি ৰাস্তাটোৰ ভাঁজটোত উপস্থিত হ'ল। সেইখিনিতে দোকান এখন থকাৰ কথা। দোকানখনৰ কাষেদি সৰু গলি এটা থকাৰ কথা আৰু গলিটোৰ শেষ মূৰত থকা ঘৰটোৱে হ'ল এতিয়া অপূৰ্বৰ গন্তব্যস্থল। অপূৰ্বই দোকানখনৰ কাষেদি থকা সৰু, ঠেক গলিটোৰ মুখত ভৰি দিলে। তাৰ বাওঁকাষে গেলামালৰ দোকান এখন। গ্ৰাহক এজনো নাই। বিক্ৰেতাও তেতিয়া এজনেই। এই নিশা ন বজাত এনেকুৱা এটা চুবুৰিত হঠাতে গ্ৰাহক এজন দেখি দোকানীজনে ভালেই পালে।

'কি লাগে?' সুধিলে দোকানীজনে।

কাষৰ ঠেক গলিটোলৈ আঙুলিয়াই দেখুৱাই অপূৰ্বই সুধিলে 'এই গলিটোৰে গ'লে ইব্ৰাহিম আলি নামৰ ড্ৰাগছ কোম্পানিত কাম কৰা মানুহজনৰ ঘৰ পামনে?'

'ঘৰটো পাব। কিন্তু তেওঁকহে লগ নাপাব।'

'কিয়?' অপূৰ্ব আচৰিত হ'ল।

'দুঘণ্টামান আগতে তেওঁৰ একচিডেণ্ট এটা হ'ল। মাৰুতি ভান এখনে খুন্দিয়ালে। মূৰত বৰ বেয়াকৈ আঘাত পাইছে। জি. এম. চি হস্পিটালত আছে বুলি শুনিছোঁ। অৱস্থা বৰ বেয়া। বোধহয়.....।'

অপূৰ্ব নৰ'ল।

সি উভতি খোজ দিলে।

অপূৰ্বই বুজি পালে এই ঘটনাটো এটা সাধাৰণ ঘটনা নহয়। কাৰোবাৰ আঙুলিৰ নিৰ্দেশত মাৰুতি ভানখনে খুন্দিয়াই থৈ গ'ল সেই প্ৰৌঢ় ইব্ৰাহিম আলীক। হয়তো তেওঁৰ মুখ বন্ধ কৰিবলৈকে সজোৱা হ'ল এই দুৰ্ঘটনা। আলীয়ে যি কথা ক'বলৈ ওলাইছিল সি হয়তো কাৰোবাৰ বাবে চৰম দুশ্চিন্তাৰ কাৰণ হ'লেহেঁতেন। কিন্তু.....

অপূৰ্বৰ ঠিক মনত আছে, প্ৰবাল ড্ৰাগছ এজেঞ্চিৰ অফিচৰ চিৰিৰ মুখত যি সময়ত ইব্ৰাহিম আলীয়ে ৰূপালী আৰু তাৰ লগত প্ৰথম চিনাকি হৈছিল ঠিক সেই সময়ত ওচৰতে থকা লিফটখনৰ দুৱাৰ মুখত ছিকিউৰিটি গাৰ্ড এটাহে থিয় হৈ আছিল। সিহঁতৰ কথাৰ ভু আন কোনোবাই পাব হ'লে সেই চিকিউৰিটি গাৰ্ডজনেই দিব লাগিব। হয়তো ইব্ৰাহিম আলীৰ মৃত্যুৰ পৰোৱানা তেতিয়ায়েই ৰচা হৈ গৈছিল।

অপূৰ্বই খোজৰ গতি বঢ়ালে।

সন্মুখত এতিয়া তাৰ এটায়ে পথ খোলা হৈ আছে। সিয়ো যুঁজিব লাগিব। অন্তত এই তেজৰ খেলা সি বন্ধ কৰিবই লাগিব। এবছৰ আগলৈকে সিয়ো আৰশ্যো তেজৰ নদীতেই সাতুঁৰি-নাদুৰি আছিল। তাৰ গুলিৰ আঘাততো বহুকেইজনে ধৰাশায়ী হৈছিল।

যাওঁক এতিয়া সেইবোৰ, অপূৰ্বই ভাবিলে।

সি খৰকৈ আলি কেঁকুৰিৰ ভাঁজ এটা পাৰ হ'বলৈ গৈয়ো ৰৈ গ'ল। দূৰৈত গাড়ী এখনৰ হেড লাইটৰ পোহৰৰ বিন্দু দুটা তাৰ চকুত পৰিল। বৰ তীব্ৰ গতিৰে গাড়ী এখন আহি থকাৰ দৃশ্যটোৱে অপূৰ্বৰ ষষ্ঠ ইন্দ্ৰিয় সজাগ কৰি তুলিলে। তাৰ বাওঁহাতে কিছু আঁতৰেদি নলা এটা গৈছে। নলাটোৰ এটাফালে এটা ঘৰ, আনটো ফাল কিছু মুকলি। অপূৰ্বই পলকতে সিদ্ধান্তটো লৈ পেলালে। সি তড়িৎ গতিৰে দৌৰি নলাটোৰ মুখ পাই বাওঁহাতে ঘূৰিলে। কিন্তু মাত্ৰ এটা ক্ষুদ্ৰাতিক্ষুদ্ৰ মুহূৰ্তৰ বাবে পলম হৈ গ'ল অপূৰ্বৰ। গাড়ীখনৰ হেড লাইটৰ পোহৰ তাৰ শৰীৰত এবাৰৰ কাৰণে হ'লেও পৰি গৈছিল। সি নিজকে বচাব নোৱাৰিলে। যি মুহূৰ্তত অপূৰ্বই নলাটোৰ কাযৰ মুকলি ঠাইখিনিৰে দৌৰিবলৈ আৰম্ভ কৰিছিল ঠিক সেই সময়তে গাড়ীখন ৰৈ গৈছিল নলাটোৰ মুখতে। অপূৰ্বই ঘূৰি চোৱা নাছিল। কিন্তু গাড়ীখনৰ ইঞ্জিনৰ শব্দই অপূৰ্বক সোঁৰৰাই দি গ'ল সেইখন মাৰুতি ভেন আৰু সি প্ৰচণ্ড গতি বেগত দৌৰি পলাই যোৱাৰ বাহিৰে অন্য কোনো উপায়ো নাই.....

৭

'হেল্লো ৰূপালী নেকি?'

'অ'। মই কৈছোঁ। তোমাৰ মাতটো ইমান কঁপিছে কিয়?'

'মোৰ কাৰণে চিন্তা কৰিব নালাগে।' অপূৰ্বই নিজৰ মাতটো যথাসম্ভৱ সুস্থিৰ কৰি লৈ ক'লে 'ইব্ৰাহিম আলীৰ একচিডেণ্ট এটা হ'ল। মাৰুতি ভান এখনে খুন্দিয়ালে। জি. এম. চি.ত পৰি আছে। মই তেওঁৰ ঘৰলৈ ঠিক সময়তে গৈছিলোঁ যদিও আধা বাটতে খবৰটো পাই উভতি আহোঁতে মোকো....'

'তোমাক কি?' সিফালৰ পৰা ৰূপালীৰ উৎকণ্ঠা ভৰা প্ৰশ্ন।

অপূৰ্বৰ মনটোও হঠাতে কঁপি উঠিল।

ৰূপালীৰ 'তুমি' সম্বন্ধটো তাৰ ভাল লাগিল। সিয়ো ৰূপালীক তুমি বুলি মাতিব নেকি? ওহোঁ সি নকয়। এতিয়া যুদ্ধৰ সময়। এইবোৰ চিন্তাই তাৰ মনলৈ অস্থিৰতা মাতি আনিব। ৰূপালীৰ লগত সি পিছে পৰেও অন্তৰংগ মুহূৰ্ত কটাব পাৰিব।

'ইব্ৰাহিম আলীৰ ঘৰৰ ওচৰত মোকো মাৰুতি ভেন এখনে খেদি আহিছিল। মই পলাই আহিলোঁ। মই এতিয়া বন্ধু এজনৰ ঘৰত। এই মুহূৰ্তত আমাৰ আটাইতকৈ বেছি প্ৰয়োজন হৈছে ইব্ৰাহিম আলীক লগ পোৱাৰ। কিন্তু জি. এম. চিত যোৱাৰ মোৰ কোনো সুবিধা নাই। মই সেইকণ সুবিধা লব নোৱাৰিলেও আপুনি পাৰিব। আলী যদি জীয়াই আছে তেওঁৰ মুখৰ পৰা

সকলো কথা জানি লব লাগিব। গীতানগৰ থানালৈকো যাব। তেওঁলোকক বুজাব যে এইটো সাধাৰণ হিট এণ্ড ৰাণ কেছ নহয়।'

'কিন্তু তুমি কি কৰিবা?'

'মই? মোৰ বহুত কাম। কালিলৈহে লগ পাম।'

'ক'ত?'

'এতিয়াই ক'ব নোৱাৰোঁ। পিছত ফোনেৰে জনাম বাৰু।'

'পাৰিলে মোৰ ঘৰলৈকে আহিবা।'

'চেষ্টা কৰিম।'

অপূৰ্বই ফোনৰ ৰিছিভাৰটো থৈ একে উশাহে পানী এগিলাচ পি খালে।

'এই ৰূপালী কোননো? আগতেতো তোৰ মুখত কোনো ছোৱালীৰ কথা শুনা নাছিলোঁ। অৱশ্যে এই এবছৰে তোক লগ পোৱা নাই।'

'এজনী জাৰ্ণেলিষ্ট। কিন্তু মোৰ লগত আজি দুপৰীয়াহে চিনাকী হৈছিল।'

দিগন্তৰ দুচকুত অবুজ সাঁথৰ।

সি সঁচাকৈয়ে আচৰিত হৈছিল। সুদীৰ্ঘ পাঁচ বছৰ সি আৰু অপূৰ্ব বিপদে- আপদে একেলগে আছিল। অপূৰ্ব পৰিচিত আছিল এজন সুদক্ষ শ্বুটাৰ হিচাবে। অব্যৰ্থ আছিল তাৰ নিচান। আৰু দিগন্ত? সি আছিল অতিশয় সুকৌশলী। সুচতুৰ। অচিন অজান অৰণ্য-নগৰ-চহৰ আৰু গাঁও বোৰত দিহিঙে-দিপাঙে ঘূৰি ফুৰি এসময়ত সিহঁত দুয়োটাই বুজি পাইছিল এই ৰক্তাক্ত সংঘাতপূৰ্ণ জীৱনৰ কোনো মূল্য নাই। দুয়ো সমাজলৈ ঘূৰি আহিছিল। দিগন্তই বাছি লৈছিল কয়লাৰ ব্যৱসায়। দুমাহতে সি লাখপতি হৈছিল। ছমাহত কোটিপতি। কিন্তু অপূৰ্বই বাছি ল'লে এক লাখ টকাৰ ঋণেৰে সৰু ব্যৱসায়টো। সেই দেখিয়েই হ'বলা এই এবছৰে সিহঁতৰ দেখা-দেখিয়েই হোৱা নাছিল। সেয়েহে নিশা দহ বজাত হঠাতে তাৰ ঘৰলৈ অপূৰ্ব আহি ওলোৱাত দিগন্ত আচৰিত হৈছিল। এতিয়া অপূৰ্বৰ মুখত কাহিনীতো শুনি দিগন্ত বিমোৰত পৰিল। প্ৰবাল ড্ৰাগছ এজেঞ্চিৰ ছিকিউৰিটি গাৰ্ডটোৰ পৰা কথা উলিওৱাটো একো টান কাম নহ'ব। কিন্তু তাৰ পিছত?

'তই এতিয়া কি কৰিম বুলি ভাবিছ?'

'মই? মোৰ লক্ষ্য এটাই। স্মাগলাৰ চাৰিটাক এক্সপজড কৰি দিয়া। অৱশ্যে বন্দুকেৰে নহয়, ৰূপালীৰ কলমেৰে।'

'তাৰ মানে সাক্ষী- প্ৰমাণ গোটাই সকলো ৰূপালীৰ হাতত দি দিবি আৰু তাই বাতৰি কাকতত প্ৰকাশ কৰিব তই গোটোৱা খবৰখিনি, নহয় নে?' দিগন্তই এখন্তেক ৰৈ পুনৰ ক'লে - 'কিন্তু খবৰ গোটোৱাটো সহজ কথা নহয়। এতিয়া তোৰ হাতত শক্তি-সামৰ্থ্য এটাও নাই। ৰিভলভাৰ এটাও নাই কিজানি!'

'মোৰ হাতত নাই সঁচা কথা। তোৰ হাততটো আছে আৰু সেই কাৰণেইতো তোৰ ওচৰলৈ আহিছোঁ।'

দিগন্তই কিছু সময় তভক মাৰি ৰৈ অৱশেষত মাত দিলে 'ঠিক আছে। মোৰ লগত দুটামান ল'ৰা আছে। সিহঁতক এতিয়াৰ পৰাই কামত লগাই দিম। তই চিন্তা নকৰিবি।'

অপূৰ্বৰ মুখলৈ যেন স্বস্তিৰ ভাব এটা আহিল। সি উঠি থিয় হ'ল।

'তই যাবই নেকি' দিগন্তই সুধিলে।

'অঁ।'

'মই বস্তু এটা দিওঁ। লৈ যা। কামত আহিব।'

অপূৰ্বই কি বস্তু বুলি সুধিব খুজিও ৰৈ গ'ল। সি জানে দিগন্তই তাক কি বস্তু দিব ওলাইছে। অপূৰ্ব বিমোৰত পৰিল। দিগন্তই যদি পুনৰ ৰিভলভাৰ এটা দিয়ে সি ল'ব নে নলয়? অপূৰ্বই ভাবিও ওৰ নাপালে। অৱশেষত....

৮

কৰ্কশভাৱে বাজি উঠা কলিং বে'লটোৰ শব্দত টোপনিৰ পৰা খপ্‌জপাই উঠি কাষৰ সৰু টেবুখনৰ ওপৰত থকা ঘড়ীটোলৈ চালে অপূৰ্বই। নিশা তিনি বাজিছে এতিয়া। এই শেষ নিশাৰ অতিথি কোন হ'ব পাৰে! অপূৰ্বই ভাবি ওৰ নাপালে। সি গাৰুৰ তলত দিগন্তই দিয়া ৰিভলভাৰটো খেপিয়াই চালে। ঠিক ঠাইতে আছে সৰু ৰিভলভাৰটো। অপূৰ্বই কিন্তু বিচনাখনৰ পৰা উঠাৰ মুহূৰ্তত ৰিভলভাৰটো ন'ললে।

সি চকুহাল মোহাৰি শোৱা কোঠাৰ পৰা ওলাই সম্মুখৰ সৰু কোঠালিটো পালে। সেইটোৱে তাৰ ড্ৰয়িংৰুম, ডাইনিং ৰুম সকলো। সি ভিতৰৰ পৰাই সুধিলে 'কোন?'

'মই, দিগন্ত। দুৱাৰখন খোল।' বাহিৰৰ পৰা দিগন্তৰ মাততো শুনিলে অপূৰ্বই। সি এক মুহূৰ্তও পলম নকৰাকৈ দুৱাৰখন খুলি দিলে।

দিগন্তই হুৱমূৱকৈ ভিতৰলৈ সোমাই আহি বেতৰ চকী এখনত বহি ল'লে। অপূৰ্বইও দুৱাৰখন জপাই থৈ দিগন্তৰ কাষৰ চকী এখনতে বহিলে।

'লাইটটো নজ্বলাবি।' দিগন্তই ক'লে।

অপূৰ্ব নিমাতে ৰ'ল।

'অকণ বড়ো নামৰ তই কোৱা সেই ছিকিউৰিটি গাৰ্ডজনক ধৰিলোঁ।' অৱশেষত দিগন্তয়ে নীৰৱতা ভাগি ক'লে 'তই ভবা কথাই ঠিক। সিয়ে ইব্ৰাহিম আলীয়ে যে তহঁতৰ আগত মুখ খুলিব পাৰে তাৰ খবৰ লগে লগে প্ৰেমলালক দি দিছিল।'

'প্ৰেমলাল ! কোন প্ৰেমলাল?'

'তই নাজান?'

অপূৰ্বই মূৰ জোকাৰি ক'লে 'নাজানো।'

'শুন তেন্তে।' দিগন্তই আৰম্ভ কৰিলে 'অৰবিন্দ বৰাই যি চাৰিজন ড্ৰাগছ স্মাগলাৰৰ কথা কৈছিল তাৰ এজনেই হ'ল এই প্ৰেমলাল। মানুহটো বিহাৰী, থাকেও বিহাৰত। কিন্তু তাৰ ব্যৱসায়ৰ মূল কেন্দ্ৰ হ'ল অসমত, গুৱাহাটীত। সি চাৰিওফালে তাৰ মানুহ বিয়পাই দিছে। আনকি তাৰ প্ৰতিদ্বন্দ্বী আন তিনিজন ড্ৰাগছ স্মাগলাৰৰ ব্যৱসায়তো সি তাৰ নিজৰ মানুহ সুমুৱাই দিছে। অকণ বড়োৱে যদিও প্ৰবাল ড্ৰাগছ এজেঞ্চিত কাম কৰে, আচলতে সি প্ৰেমলালৰ মানুহ। এতিয়া প্ৰেমলালেই গুৱাহাটীৰ ড্ৰাগছ স্মাগলিঙৰ একছত্ৰী সম্ৰাট। তাৰ তুলনাত প্ৰবাল ড্ৰাগছ এজেঞ্চিৰ বিমল জৈন, ডিব্ৰুগড়ৰ আৰছাদ খান আৰু তিনিচুকীয়াৰ বিনোদ সিং একোটা নগন্য মাখি। মজাৰ কথা কি জান? ইয়াৰে প্ৰত্যেকেই এজনে আনজনৰ ওপৰত আধিপত্য চলাব খোজে। ইয়াৰ বাবে প্ৰত্যেকজনৰ বাবে অৰবিন্দ বৰাৰ চামৰাৰ বেগটো সোণৰ কণী পৰা হাঁহ। তাত থকা প্ৰমাণবোৰেৰে ইজনে আনজনৰ ওপৰত ব্লেকমেইলিং কৰিব পাৰিব।'

অপূৰ্বই শুনি গ'ল।

দিগন্তই গলহেকাৰি এটা মাৰি পুনৰ আৰম্ভ কৰিলে 'অৰবিন্দ বৰাৰ খুব ভাল চিনাকী আছিল বিমল জৈনৰ সৈতে। অৱশ্যে অন্য তিনিজনৰ লগতো তেওঁৰ যোগসূত্ৰ নথকা নহয়, আছিল।প্ৰত্যেকজনৰে ড্ৰাগছ স্মাগলিং কেছৰ ফৰেনচিক ৰিপোৰ্টবোৰ বৰায়ে ইফাল-সিফাল কৰি দিছিল। সেই বৰাৰে যেতিয়া অন্তৰত প্ৰতিশোধৰ স্পৃহা জাগি উঠিছিল তেতিয়া অন্য তিনিজনৰ বিপক্ষে প্ৰমাণ গোটোৱাত বিমল জৈনে সহায় কৰি দিছিল। কিন্তু বৰাই শেষত ওভতগোৰে নাচিব লোৱাত তেৰোঁ বিমোৰত পৰিল। তোৰ পি. চি. অ'ৰ পৰা বৰাৰ ফোনটো পায়ে জৈনে তাৰ গুণ্ডা বাহিনী পঠিয়াই দিলে বৰাৰ হাতৰ পৰা চামৰাৰ বেগটো লৈ আনিবলৈ। সেইদিনা মাৰুতি ভেনখনত আছিল তিনিজন ঃ ৰুদ্ৰ থাপা, পূৰণ সিং আৰু অনিল দাস। সেইদিনা বৰাৰ ওপৰত গুলি চলোৱাৰ কথা নাছিল। কিন্তু ৰুদ্ৰ থাপা আৰু পূৰণ সিঙে কিয় গুলীয়ালে অকণ বড়োৱে নাজানে। সিহঁতে বৰাৰ হাতৰ পৰা চামৰাৰ বেগটো আনিলে হয়, কিন্তু সেইটো বিমল জৈনৰ হাত নাপালেগৈ।'

'কিয়?' অপূৰ্বই সুধিলে।

'গণ্ডগোলটো তাতেই লাগিল।' দিগন্তই আকৌ আৰম্ভ কৰিলে 'প্ৰেমলালে যিদৰে অকণ বড়োক কিনিছিল সেইদৰে ৰুদ্ৰ থাপাও হয় আৰছাদ খান নতুবা বিনোদ সিঙৰ জালত সোমাই পৰিছিল। চামৰাৰ বেগটোৰ সৈতে ৰুদ্ৰ থাপা যি নাইকিয়া হ'ল তাৰ আৰু উৱাদিহ পোৱা নাই অকণ বড়োহঁতে।সেই দেখিয়েই চাৰিওজনৰ মাজত এতিয়া ঘাত-প্ৰতিঘাতে চূড়ান্ত সীমা পাইছে। বিনোদ সিং আৰু আৰছাদ খান এতিয়া গুৱাহাটীত আছে। অৱশ্যে ক'ত আছে বড়োৱে নাজানে। মাত্ৰ এটা কথাই সি জানে, কালিলৈ ফ্লাইটত প্ৰেমলালে বৰঝাৰ এয়াৰপোৰ্টত ভৰি দিব। তাৰ পিছত গণেশ চহৰীয়াৰ লগত গুৱাহাটীলৈ আহিব।'

'কোন গণেশ চহৰীয়া?'

'অকণ বড়োৱে নাজানে। মানুহজনক সি চিনি নাপায়। মাত্র টেলিফোন নম্বৰটোহে জানে। টেলিফোনেৰেই সি গণেশ চহৰীয়াৰ লগত কথা পাতে। আচলতে প্ৰেমলালৰ লোকেল এজেণ্ট হ'ল এই গণেশ চহৰীয়া।'

'টেলিফোনৰ নম্বৰটো আছে নেকি তোৰ লগত?'

দিগন্তই জেপৰ পৰা সৰু নোটবহী এখন উলিয়াই লৈ পাত এখিলাত থকা ফোন নম্বৰটো দেখুৱালে অপূৰ্বক। অপূৰ্ব লগে লগে ৰোমাঞ্চিত হ'ল। অন্ততঃ বৰাই সেইদিনা কৰা তৃতীয় ফোন নম্বৰটোৰ গৰাকীৰ শুংসূত্ৰ সি পালে। কিন্তু ইয়াৰ পিছত?

'মই কথা এটা ভাবিছোঁ।' ক'লে দিগন্তই।

'কি কথা?' সুধিলে অপূৰ্বই।

'কালিলৈ প্ৰেমলালক এয়াৰপোৰ্টৰ পৰা গুৱাহাটীলৈ অহাৰ পথত অপহৰণ কৰিব লাগিব। মনত ৰাখিবি, সেইটোৱে আমাৰ হাতত থকা এতিয়া একমাত্ৰ বিকল্প। এতিয়া কোনেও নাজানে বিনোদ সিং, আৰছাদ খান আৰু বিমল জৈন ক'ত আছে, কি কৰি আছে। কালিলৈ প্ৰেমলাল লুকাই পৰিব গুৱাহাটীৰ বুকুত। তেতিয়া কেনেকৈ বিচাৰি উলিয়াবি সেই চামবাৰ বেগটো। তদুপৰি সিহঁতৰ শক্তি তোৰ-মোতকৈ বহুত বেছি। সমুখ সমৰত তই-মই এতিয়া এক টিলিকতে উফৰি যাম। গতিকে....'

৯

ঘনে ঘনে হাত ঘড়ীটোলৈ চাইছে অপূৰ্বই।

এতিয়া দুপৰীয়া এক বাজি পঞ্চলিছ মিনিট হৈছে। নতুন দিল্লীৰ পৰা অহাৰ ফ্লাইটখন আৰু পাঁচ মিনিটৰ পিছতে বৰঝাৰত অৱতৰণ কৰিব। ইয়াৰ পাঁচ মিনিটৰ পিছতে প্লেনৰ পৰা নামি এৰাইভেল লাউঞ্জত ভৰি দিব কুখ্যাত স্মাগলাৰ প্ৰেমলাল। ঠিক সেই সময়তে কাৰ পাৰ্কিঙত ৰৈ থকা ৰঙা বৰণৰ মাৰুতি জেন এখনৰ পৰা গণেশ চহৰীয়া ওলাই গৈ প্ৰেমলালক লৈ আহিব গাড়ীলৈ। ৰঙা মাৰুতি জেন খনৰ পিছে পিছে এটা নিৰাপদ দূৰত্ব বজাই ৰাখি আহি থাকিব বগা মাৰুতি জীপচী এখন। ভি. আই. পি. ৰোডৰ ক্ৰছিংটোতে আৰু এখন মাৰুতি জীপচী লগ লাগিব সমদলটোত। নাৰ্চিং হোম আৰু পেট্ৰোল পাম্পটো পাৰ হৈ ধেনুভেৰীয়া ভাঁজটো ঘূৰোতেই দুয়োখন মাৰুতি জীপচীয়ে আগচি ধৰিব জেনখনক। ঠিক সেই সময়তে নীলা মাৰুতি কাৰ এখনো ৰৈ থাকিব। এক মুহূৰ্ত পলম নকৰাকৈয়ে চহৰীয়া আৰু প্ৰেমলালক উঠাই মাৰুতি কাৰখন উধাও হ'ব নতুনকৈ বনোৱা ব্ৰডগজ ৰে'ল লাইনৰ কাষেদি যোৱা কেঁচা মাটিৰ পথটোৰে। চৰ্কদৈ, দীপৰ বিল পাৰ হৈ গড়চুক পাব গাড়ীখন। তাৰে এঘৰত.....

দিগন্তই অৱশ্যে আন এটা উপায়ো চিন্তা কৰি থৈছে। কোনো সুৰুঙা বাকী ৰখা নাই সি।

সি জানে এই সুদীৰ্ঘ এবছৰ বহুত দীঘলীয়া সময়। প্ৰায় অকৰ্মণ্য হৈ পৰিছে সিহঁত। আগতে এনেকুৱা এটা ঘটনাৰ বাবে সিহঁতে কাৰোলৈকে পৰোৱা কৰা নাছিল। এতিয়া অনবৰতে নোটৰ বাণ্ডিলবোৰ গণি গণি সিহঁতৰ মাংসপেশীৰ বজ্ৰকঠিন শক্তি ক্ষয় যোৱাই স্বাভাৱিক।

সেই কাৰণে অপূৰ্ব ৰৈ থাকিবলগীয়া হৈছে লংকেশ্বৰত। সি বহি আছে বগা ৰঙৰ মাৰুতি ভান এখনত। লগত আছে এজন যুৱক। গাড়ীখন আৰু যুৱকজন দিগন্তৰে। সিয়ো যেন এতিয়া দিগন্তৰ আজ্ঞাবহ ভৃত্য। অপূৰ্বৰ এনে লাগি গ'ল।

অপূৰ্বৰ এহাতত দিগন্তই দিয়া মোবাইল ফোন এটা। সি দিগন্তৰ ফোনৰ কাৰণেই অপেক্ষা কৰি আছে। দিগন্ত ব্যৰ্থ হ'লেই অপূৰ্ব সক্ৰিয় হৈ পৰিব লাগিব। সি তেতিয়া প্ৰেমলাল আৰু চহৰীয়াক কঢ়িয়াই অনা জেনখন আগচি ধৰিব লাগিব এই লংকেশ্বৰত।

তাৰ কাম সিমানেই

বাকীখিনি দিগন্তই কৰিব।

অপূৰ্ব মনে মনে বেছ অস্থিৰ হৈ পৰিছিল। সি বাৰু দিগন্তৰ সহায় লৈ ভুল কৰিলে নেকি! অৱশ্যে তাৰ হাতত এতিয়া অন্য কোনো উপায়ো নাই।

অপূৰ্বই আকৌ ঘড়ীতোলৈ চালে।

প্ৰায় পাঁচ মিনিট পাৰ হৈ গ'ল। নিয়ম মতে প্ৰেমলাল ইতিমধ্যে অৱতৰণ কৰাৰ কথা। সি মোবাইল ফোনটো অন কৰি দিগন্তলৈ ডায়েল কৰিলে। প্ৰথমবাৰ ৰিং হওঁতেই দিগন্তৰ সঁহাৰি নোপোৱাত অপূৰ্বৰ অকণো চিন্তাই হোৱা নাছিল। কিন্তু.....

অপূৰ্বৰ ধৈৰ্য্যৰ বান্ধ লাহে লাহে চিঙি যোৱাৰ উপক্ৰম হ'ল। দিগন্তই ফোনটো ধৰা নাই কিয়? এই সময়ত দিগন্ত এয়াৰপোৰ্টৰ কাৰ পাৰ্কিঙত থকা তাৰ মাৰুতি জীপচী গাড়ীখনত বহি থকাৰে কথা। তেন্তে?

১০

দিগন্তই চিগাৰেট এটা জ্বলাই ল'লে। এসোপা ধোঁৱা উৰুৱাই সি তাৰ মাৰুতি জীপচীখনৰ উইণ্ডস্ক্ৰিনেৰে সন্মুখলৈ চাই পঠিয়ালে। সি য'ত গাড়ীখন ৰখাই থৈছে তাৰপৰা প্ৰায় ত্ৰিছ মিটাৰমান দূৰতে ৰৈ আছে ৰঙা মাৰুতি জেন এখন। দুৱাৰ খিৰিকীৰ আইনাৰ ক'লা বৰণৰ বাবে ভিতৰত থকা আৰহী দুজনে এতিয়া কি কৰি আছে দিগন্তই ধৰিব নোৱাৰিলে। সি গাড়ীখনৰ নম্বৰটো আকৌ এবাৰ পঢ়ি চালে। ঠিকেই আছে। অকণ বড়োৱে কোৱা নম্বৰটোৰ সৈতে মিলি গৈছে। বেচেৰা অকণ বড়ো! বড়োৰ মুখৰ পৰা কথা ওলাওঁতে বৰ বেছি কষ্ট হ'ল। শাস্তিৰ মাত্ৰাও সেই অনুপাতে বেছি হ'ল। বড়োৱে সেই শাস্তি সহ্য কৰিব নোৱাৰিলে। যোৱা কালি নিশায়ে বড়োৰ দেহটো নিঠৰ হৈ পৰিছিল। এতিয়াও খানাপাৰাৰ পাহাৰৰ বুকুতে পৰি আছে দেহটো।

হঠাতে মাৰুতি জেনখনৰ পিছফালৰ দুৱাৰখন খোল খালে।

প্ৰায় চল্লিশ বছৰীয়া ওখ-পাখ, হটঙা চেহেৰাৰ মানুহ এজন নামিল গাড়ীৰ পৰা। চাৰিওফালে এবাৰ সাৱধানী দৃষ্টি বুলাই তেওঁ কাৰ পাৰ্কিঙৰ পৰা লাহে লাহে খোজ দি এয়াৰপোৰ্ট বিল্ডিঙৰ এৰাইভেল লাউঞ্জৰ দুৱাৰমুখলৈ আগবাঢ়ি গ'ল। দিগন্তৰ উচ্পিচনি এইবাৰ বাঢ়িল। হয়তো প্লেনখন অৱতৰণ কৰিলে। কিন্তু এৰাইভেল লাউঞ্জৰ বাহিৰৰ বাৰাণ্ডাত থকা প্ৰমোদেতো প্লেনখন অৱতৰণ কৰাৰ খবৰ পালেই দিগন্তক দিয়াৰ কথা। দিগন্তই সম্মুখলৈ চাই কিছু হতাশ হ'ল। তাৰ পোনে পোনে থকা গছ এজোপাৰ বাবে এয়াৰপোৰ্ট বিল্ডিঙৰ এৰাইভেল লাউঞ্জৰ দুৱাৰমুখন তাৰ চকুত নপৰে। এই সময়ত গাড়ীখনত অকলে থকাৰ সিদ্ধান্তটো লোৱাৰ বাবে তাৰ নিজৰ ওপৰতে খং উঠিল। ভি. আই. পি চ'কত ৰাজীৱ আৰু পেট্ৰোল পাম্পটো পাৰ হৈয়েই ধেনুভেৰীয়া ভাঁজটোৰ মুখতে চঞ্চল ৰৈ আছে দুখন গাড়ীত। এই মুহূৰ্তত সিহঁতক মাতিব গ'লেও হিতে বিপৰীতহে হ'ব। দিগন্তৰ উত্তেজনা ক্ৰমাৎ বাঢ়ি আহিল।

সি নিজৰ বুকুৰ ঢপঢপনি নিজেই শুনা যেন পালে।

দিগন্তক বিস্ময়ত হতবাক কৰি হঠাতে এজন চাপৰ মঙহাল যুৱক মাৰুতি জেনখনৰ ওচৰলৈ খৰ খোজেৰে আগবাঢ়ি আহিল। জেনৰ চালকজনৰ লগত এখন্তেক কথা পাতিয়েই আঁতৰি গ'ল মানুহজন। বেছ খৰ খোজেৰে আঁতৰি গ'লেও মানুহজনৰ গলত থকা বগা দাগটো দিগন্তৰ চকুত ঠিকেই ধৰা দি গ'ল। তাৰ সৰ্বশৰীৰ কঁপি উঠিল। অকণ বড়োৱে বিৱৰণ দিয়া অনিল দাসৰ চেহেৰাৰ লগত হুবহু মিলি গৈছে মানুহজন। তাৰ অৰ্থও এটা হ'ব পাৰে বিমল জৈনেও অনিল দাসৰ হতুৱাই জাল পেলাইছে প্ৰেমলালক ধৰিবলৈ। মানুহজন অৰ্থাৎ অনিল দাস ইতিমধ্যে কাৰ পাৰ্কিঙত থকা বগা মাৰুতি ভেনখনত উঠি বহিছিল। এহাতত মোবাইল ফোন এটা লৈ অইনখন হাতেৰে গাড়ীখন ষ্টাৰ্ট কৰি পাৰ্কিঙ প্লেচৰ পৰা গাড়ীখন লাহে লাহে বাহিৰলৈ লৈ গ'ল তেওঁ। ঠিক সেই মুহূৰ্ততে দিগন্তইয়ো মবাইল ফোনটো অন্ কৰি কিছু অনুচ্চ কণ্ঠৰে মাত দিলে 'ৰাজীৱ!'

'কওঁক।' সিফালৰ পৰা ৰাজীৱৰ মাত ভাঁহি আহিল।

'এই মাত্ৰ বগা মাৰুতি ভান এখন ইয়াৰ পৰা ওলাই গৈছে। চালকজন হ'ল অনিল দাস। বিমল জৈনৰ মানুহ। তুমি দূৰত্ব এটা বাজাই ৰাখি পিছ ল'বা।'

'কিন্তু এই স্পটটোত...'

'চিন্তা নকৰিবা। মই চম্ভালি ল'ম।'

ফোনটো থৈ দিগন্তই উশাহ সলালে। সি এইবাৰ গাড়ীখনৰ পৰা নামি গ'ল। মনটো বেছ বিক্ষিপ্ত হৈ পৰিছে তাৰ। সুদীৰ্ঘ এবছৰৰ মূৰকত এনেকুৱা ধৰণৰ উত্তেজনাৰ মুখামুখি হৈ তাৰ বেয়াও নালাগিল। সি হয়তো কিবা ভাৱত বিভোৰ হৈ পৰিছিল। হাতত থকা মোবাইল ফোনটো কোন তলকতযে গাড়ীখনতে এৰি থৈ আহিল সি তলকিবই নোৱাৰিলে। সি লাহে

লাহে খোজ দি আগুৱাই গ'ল। যাওঁতে জেনখনৰ চালকজনক আঁৰ চকুৰে চায়ে তাৰ সৰ্বশৰীৰ আকৌ এবাৰ কঁপি উঠিল। চালকৰ আসনত বহি থকা মানুহজনক সি কৰবাত দেখিছিল। ক'ত? দিগন্তই মনত পেলাবলৈ চেষ্টা কৰিও হতাশ হৈ পৰিল। হে ভগৱান! এসময়ৰ দুৰ্ধৰ্ষ নগা উগ্ৰপন্থী আইজাক কন্যাক প্ৰেমলালৰ লগ লাগিল কেনেকৈ? এসময়ত আইজাক কন্যাকৰ লগত অস্ত্ৰ চালনাত সিহঁতৰ এজনেই যেৰ মাৰিব পাৰিছিল। সেই অপূৰ্বও বহি আছে লংকেশ্বৰত, হাতত আছে মাত্ৰ পইণ্ট নাইন এম এমৰ ৰিভলভাৰ এটা।

দিগন্ত পিছে উভতি নগ'ল।

সি একে গতিৰেই আগুৱাই গৈ থাকিল। এতিয়া তাৰ মস্তিকটোৰে একমাত্ৰ ভৰষা।

১১

এয়াৰপোৰ্টৰ এৰাইভেল লাউঞ্জৰ দুৱাৰমুখত তেতিয়া শতাধিক মানুহ। টেক্সিষ্টেণ্ডৰ দালাল কেইজনৰ বাহিৰে বাকীবোৰ নীৰৱ, কেইজনমানে জুম বান্ধি মাত্ৰ কথা পাতি আছে। দিগন্তই দূৰৰ পৰাই প্ৰত্যেকজনৰ ওপৰত চকু ফুৰাই অস্বস্তিত পৰিল। প্ৰমোদক নেদেখি দিগন্ত যিমান আচৰিত হ'ব লাগিছিল জেনখনৰ পৰা নামি অহা গণেশ চহৰীয়াক নেদেখি তাতকৈ শতগুণে বেছি আচৰিত হ'ল। দিগন্তৰ দুশ্চিন্তাও উপজিল। সিতো নিজ চকুৰেই মানুহজনক এৰাইভেল লাউঞ্জলৈ গৈ থকা দেখিছিল। লাউঞ্জৰ ভিতৰলৈ যে প্ৰৱেশ নিষেধ, সেইটোও দিগন্তৰ জনা আছে। তেনেস্থলত মানুহজন এই আধা মিনিটৰ ভিতৰতে নাইকিয়া হ'ল কেনেকৈ?

দিগন্ত লাউঞ্জৰ দুৱাৰমুখৰ সম্মুখৰ বাৰাণ্ডাৰ মানুহৰ জুমটোত সোমাই পৰিল। ডিঙি মেলি এবাৰ খিৰিকীৰ আইনাৰ মাজেৰে লাউঞ্জৰ ভিতৰলৈ চকু দিয়েই দিগন্ত চমকি উঠিল। ভিতৰত যে জেনৰ পৰা নমা ওখ, হটঙা মানুহজনক অৰ্থাৎ গণেশ চহৰীয়াক দেখা পোৱা যাব সি সপোনতো ভাবিব পৰা নাছিল। চহৰীয়া ভিতৰৰ এচুকত থিয় হৈ আছে, তেওঁৰ দৃষ্টি দূৰৰ ৰানৱে'ত এইমাত্ৰ আহি ৰৈ দিয়া এয়াৰ বাছখনত স্থিৰ হৈ আহি ৰৈ আছে।

দিগন্তই জানে অলপ পিছতে বিমানখনৰ পৰা অলেখ যাত্ৰীৰ লগতে নামি আহিব প্ৰেমলাল। কুখ্যাত প্ৰেমলাল। এতিয়া গুৱাহাটীৰ আটাইতকৈ শক্তিশালী ড্ৰাগছ স্মাগলাৰ। তেওঁৰ এজেণ্টজনেই যদি অনায়েসে লাউঞ্জৰ ভিতৰলৈ সোমাই যাব পাৰিছে তেতিয়া হ'লে প্ৰেমলালৰ হাতৰ মুঠিতো কিজানি পুলিচৰ গোটেইজাক সোমাই আছে।

দিগন্ত উভতি আহিব খোজোতেই দূৰৈৰ এটা চুকৰ পৰা প্ৰমোদক খৰখোজেৰে আহি থকা দেখি সি হঠাতে ৰৈ গ'ল। প্ৰমোদ তাৰ নিচেই ওচৰ চাপি আহি ফুচফুচাই ক'লে 'ৰুদ্ৰ থাপা আৰু পূৰণ সিঙক দেখিছিলোঁ। ৰুদ্ৰ থাপাই মোবাইলত ফোন কৰি আছিল। খান চাহাব বুলি এবাৰ কোৱা শুনিছিলোঁ ফোনতে।'

'দুয়োটা ক'ত আছে এতিয়া?' দিগন্তই সুধিলে।

'টেক্সি এখনত বহি আছে। সৌ কল্ড ড্ৰিংকছৰ বুথটোৰ ওচৰত। দেখিছেনে?'

'দেখিছোঁ।' দিগন্তই এবাৰ চাই সন্মতি জনালে।

দিগন্তই দ্ৰুতভাৱে চিন্তা কৰিব ধৰিলে।

আৰু মাত্ৰ দহ মিনিট আছে। প্ৰতিটো মুহূৰ্তই এতিয়া মূল্যবান। এটা পলো অথলে যাব দিব নোৱাৰি।

'কি কৰিম এতিয়া?' প্ৰমোদে সুধিলে।

'গাড়ীত মোৰ মোবাইলটো আছে। সেইটোৱে অপূৰ্বক কনটেক্ট কৰিবা। তাক দুই নম্বৰ স্পটলৈ আহিব ক'বা। আৰু তুমি থাপাইঁতক নজৰত ৰাখিবা। এবাৰো যাতে চকুৰ আঁতৰ হ'ব নোৱাৰে।'

প্ৰমোদ আঁতৰি গ'ল।

দিগন্তই আকৌ এবাৰ দীঘল দীঘল আইনাবোৰৰ মাজেৰে ভিতৰলৈ চাই পঠিয়ালে। লাউঞ্জখন ইতিমধ্যে যাত্ৰীৰে উপচি পৰিছে। কিন্তু চহৰীয়া ক'ত?

১২

অপূৰ্বৰ মাত্ৰ তিনি মিনিট লাগিল পেট্ৰোল পাম্পটো পাওঁতে। সি চঞ্চলৰ মাৰুতি কাৰ খনৰ ওচৰতে তাৰ ভেনখন ৰখাই দিলে। তাৰ বাওঁহাতে পেট্ৰোল পাম্পটোলৈ সোমাই যোৱা ভাঁজটো, সোঁ হাতে অলপ আঁতৰেৰে বাণীলৈ যোৱা কেঁচা মাটিৰ পথটো গৈছে। পথটোৰ বহু দূৰৰ এটা মূৰত বি. এচ. এফৰ কেম্পটো ৰিণিকি ৰিণিকি অপূৰ্বৰ চকুত পৰিল। অৱশ্যে ৰে'ল লাইনটোৰ কাষে কাষে যোৱা ৰাস্তাটো য'ৰ পৰা আৰম্ভ হৈছে তাৰ পৰা বি. এচ. এফ.ৰ কেম্পটোলৈ বহু দূৰ। অন্ততঃ সিহঁতৰ এমিনিটৰ অপাৰেচনটোৰ কাৰণে অকণো ভয় নাই কেম্পটোৰ পৰা। কিন্তু এতিয়া হয়তো ক'ৰবাত অথন্তৰ হৈছে। অৱশ্যে দিগন্তৰ ওপৰত তাৰ সম্পূৰ্ণ আস্থা আছে। শেষ মুহূৰ্তত দিগন্তই কৌশল সলনি কৰিছে যদিও ইয়াৰ অৰ্থ এটাই হ'ব বিপদৰ পৰা পৰিত্ৰাণ পাবলৈ উপায়ো সি হাতৰ মুঠিতে পাইছে।

'অপূৰ্বদা।' চঞ্চলে অপূৰ্বক দেখি তাৰ গাড়ীখনৰ পৰা নামি আহি সুধিলে 'কিবা গম পাইছেনে?'

'নাই পোৱা। প্ৰমোদে মাত্ৰ ইয়ালৈ আহিব ক'লে। বহু সিমানেই।'

'মোৰো চিন্তাই হৈছে। ৰাজীৱকো বগা মাৰুতি ভেন এখনৰ পিছে পিছে গৈ থকা দেখিলোঁ। সিয়ো একো ইংগিত দি নগ'ল।'

'ময়ো তাক বাটতে দেখি আহিছোঁ।'

'এতিয়া কি কৰিব?' চঞ্চলৰ কণ্ঠস্বৰত উত্তেজনাৰ সুৰ।

'কৰিবলৈ একো নাই। এতিয়া অপেক্ষাৰ সময়। তুমি গাড়ীতে বহি থকা। ময়ো

গাড়ীতে থাকিম। দিগন্তৰ চিগনেল আহিলেই তুমি ভেনখন আগুৱি ধৰিবা। মই চাৰিওফালৰ পৰিস্থিতি চম্ভালিম। দিগন্তই বাকীখিনি কাম কৰিব।'

'ঠিক আছে।'

চঞ্চল গ'লগৈ।

অপূৰ্বই ভেনখনৰ পিছফালে বহি থকা যুৱকজনলৈ ঘূৰি চাই মাত দিলে 'ৰেজাউল।' যুৱকজনে সকঁকৈ সঁহাৰি দিলে।

'তুমি গাড়ী চলাব জনা নহয়?' অপূৰ্বই সুধিলে।

'এসময়ত শিকিছিলোঁ। কাম চলাই দিব পাৰিম কিজানি।'

'সেয়ে হ'ব। তুমি ড্ৰাইভিং ছিটত বহা।'

'আৰু আপুনি?'

অপূৰ্বই উত্তৰ নিদিলে। সি এতিয়া দুশ্চিন্তাত পৰিছে। মাত্ৰ দুখন গাড়ী। তিনিটা প্ৰাণী। এটা নাইন এম এমৰ ৰিভলভাৰ। এইখিনিৰে প্ৰেমলালক কিডনেপ কৰিবলৈ যথেষ্ট হ'ব জানো? প্ৰেমলালৰ হাতত অস্ত্ৰ নথকাৰ সম্ভাৱনাই বেছি। চহৰীয়ায়ো অস্ত্ৰ চলাব নাজানিব পাৰে। কিন্তু গাড়ীচালকজন? কুখ্যাত স্মাগলাৰ এজনে নিৰস্ত্ৰ হৈ কেতিয়াও ভ্ৰমণ নকৰে। অন্তত কোনো সহচৰ নাই যেতিয়া চালকজনৰ দক্ষতাত দুয়োজনৰে প্ৰবল বিশ্বাস থাকিবই লাগিব। আৰু যদি চালকজনৰ হাততো কোনো শক্তিশালী মাৰণাস্ত্ৰ থাকে তেতিয়া কি হ'ব?

১৩

দিগন্তৰ উত্তেজনা তেতিয়া চৰম সীমাত।

সেই অনুপাতে তাৰ দুঃশ্চিন্তাও বাঢ়িছে।

বিমানৰ যাত্ৰীবোৰে নিজৰ নিজৰ বয়বস্তু সামৰি লোৱাৰ ব্যস্ততাৰ মাজত গণেশ চহৰীয়া যে সোমাই পৰিব দিগন্তই সেয়া সপোনতো ভাবিব পৰা নাছিল। এচুকত নিৰলসভাৱে চিগাৰেট হুপি থিয় হৈ থকা প্ৰায় চল্লিছ বছৰীয়া লোকজনৰ ওপৰতে দিগন্তৰ দৃষ্টি ৰৈ আছে। সম্পূৰ্ণ স্বাভাৱিক লাগিলেহেঁতেন যদিহে চহৰীয়াই কুখ্যাত স্মাগলাৰ প্ৰেমলালক লাউঞ্জত ভৰি দিয়াৰ লগে লগেই বাহিৰলৈ লৈ আহিলেহেঁতেন। কিন্তু এতিয়া সম্পূৰ্ণ ব্যতিক্ৰম ঘটনা এটাহে ঘটিছে। ক'ৰবাত যেন অমিল হৈছে। কিন্তু ক'ত?

চহৰীয়াই এটা সময়ত মজলীয়া আকাৰৰ ছুটকেছ এটা দাঙি আনি মানুহজনৰ ওচৰত থ'লে। দুয়ো তাতেই কথা পাতিলে বেছ কিছুপৰ। তাৰ পিছত সৰু ট্ৰলীখনত ছুটকেছটো উঠাই দুয়ো ট্ৰলীখন ঠেলি ঠেলি বাহিৰলৈ বুলি খোজ ল'লে। দিগন্তৰ নিচেই কাষেদি দুয়ো লাউঞ্জৰ দুৱাৰমুখ পাৰ হৈ বাহিৰ পালেহি। দিগন্তই দেখিলে দূৰৈৰ মাৰুতি জেনখনো পাৰ্কিঙ প্লেচৰ পৰা আগবাঢ়ি আহিছে। দিগন্তই দুৱাৰমুখৰ ভীৰৰ আঁৰে আঁৰে সন্তৰ্পণে খোজ দি নিজেও আগবাঢ়িল।

আইজাক কন্যাকে পাৰ্কিঙ প্লেচৰ পৰা বাহিৰলৈ ওলাই যোৱা পথটোৰ মুখতে গাড়ীখন ৰখাই দিছিল। চহৰীয়াই অবিশ্বাস্য ভাৱে দ্ৰুতগতিত ছুটকেছটো গাড়ীখনৰ ডিকিত ভৰাই নিজেও গাড়ীখনত উঠি বহিল, যাত্ৰীজনো ইতিমধ্যে পিছফালৰ ছিটত বহি লৈছিল। চহৰীয়াই নিজৰ দুৱাৰখন বন্ধ কৰাৰ লগে লগেই গাড়ীখনো ধাৱমান হ'ল।

দিগন্তই পলম নকৰিলে।

সি তড়িৎ গতিৰে তাৰ নিজৰ গাড়ীখনৰ কাষ চাপি গ'ল।

ড্ৰাইভিং চিটত বহি থকা প্ৰমোদক সি চেপা কণ্ঠেৰে দূৰৈৰ পৰা মাত দিলে 'গাড়ী ষ্টাৰ্ট কৰা।'

'কিন্তু...'

দিগন্তই সন্মুখৰ আসনত বহি লৈ সুধিলে 'কিন্তু কি?'

'থাপাইঁত গ'লগৈ।'

'গ'ল! কেতিয়া?'

'তিনি মিনিটমান আগতে।'

দিগন্তৰ উত্তেজনাৰ মাত্ৰা আৰু বেছি হ'ল। প্ৰমোদে ইতিমধ্যে গাড়ীখন আগবঢ়াই নিছিল। দিগন্তৰ চকুৰ দৃষ্টি উইণ্ডস্ক্ৰীনেৰে সন্মুখৰ ৰঙা মাৰুতি জেনখনত স্থিৰ হৈ ৰৈ আছে। কিন্তু মনটো?

সি মোবাইলটো অন্ কৰিলে।

'হেল্ল।'

'মই। দিগন্ত।'

'অঁ। কৈ যা।'

'চিকাৰ গৈ আছে। পিছফালে দুজন। আগফালে মাত্ৰ ড্ৰাইভাৰজন।'

'মাত্ৰ তিনিজন! তই চিন্তা নকৰিবি।'

'কিন্তু গাড়ী কোনে চলাইছে জাননে? আইজাক কন্যাকক তোৰ নিশ্চয় মনত আছে। তই পিছে চিন্তা নকৰিবি। ময়ো পিছে পিছে গৈ আছোঁ। তই মাত্ৰ কন্যাকক বগৰাই দিবি। প্ৰথম গুলিটোতে। দ্বিতীয় গুলিটোলৈ ৰ'ব লগা হ'লেই সি সৰ্বনাশ ঘটাই দিব। পাৰিবিনে?'

১৪

আইজাক কন্যাক! নামটো শুনিয়েই অপূৰ্ব শিয়ঁৰি উঠিল। পাটকাইৰ গহন অৰণ্যৰ বুকুত এসময়ত লগ পাইছিল আইজাক কন্যাকক। অব্যৰ্থ আছিল আইজাক কন্যাকৰ নিচান। সুদীৰ্ঘ দিনৰ অন্তত আকৌ কন্যাকৰ মুখামুখি হ'ব লাগিব। হাতত আছে কিমান সময়? এক মিনিট? দুই মিনিট? খুব বেছি পাঁচ মিনিট। কিন্তু কেনেকৈ চম্ভালিব কন্যাকক?

অপূৰ্বই চাৰিওফালে চালে।

এয়াৰপোৰ্টৰ পৰা অহা গাড়ীবোৰ দ্ৰুতবেগেৰে পাৰ হৈ গৈছে। পেট্ৰোল পাম্পৰ ভাঁজটো পোৱাৰ সময়খিনিত গাড়ীবোৰৰ গতিবেগ অৱশ্যে মন্থৰ হৈ পৰে। মাত্ৰ বিছ বা পঁচিছ চেকেণ্ডৰ বাবেহে, তাৰ পিছত ভাঁজটো অতিক্ৰম কৰিলেই গাড়ীবোৰৰ গতিবেগে আকৌ তীব্ৰৰূপ ধাৰণ কৰে। অপূৰ্বই বুজি পালে এই মাজৰ বিছ চেকেণ্ডেই হ'ব তাৰ বাবে চৰম উত্তেজনাৰ সময়। এটা অসতৰ্ক ভুলৰ পৰিণতি কি হ'ব পাৰে অপূৰ্বৰ জনা আছে। এতিয়া সি অৱশ্যে পৰিণতিলৈ চিন্তা কৰা নাই। সি উইণ্ডস্ক্ৰীনেৰে সম্মুখলৈ চাই অৱশেষত মাত দিলে 'ৰেজাইল।'

'কি?'

'জেনখন দেখিছা নহয়?'

'দেখিছোঁ।'

'সাজু হৈ ৰোৱা।'

চঞ্চলৰ মাৰুতি গাড়ীখনৰ ষ্টাৰ্ট হোৱাৰ শব্দ অপূৰ্বৰ কাণত সোমাল। খুব মন্থৰ গতিৰে চঞ্চলৰ গাড়ীখন আগবাঢ়ি গৈছে। ক্ৰমশঃ চঞ্চলৰ গাড়ীৰ গতি বঢ়াৰ লগে লগে আহি থকা জেনখনো অপূৰ্বৰ দুচকুত আৰু বেছি স্পষ্টকৈ ধৰা দিবলৈ উপক্ৰম কৰিলে। জেনখনৰ নাম্বাৰ প্লেটখনো এটা সময়ত অপূৰ্বৰ চকুত স্পষ্ট হৈ আহিল। কন্যাকৰ মুখখনো ছঁয়াময়াকৈ অপূৰ্বৰ চকুত পৰিল। তাৰ হাতত এতিয়া দিগন্তই দিয়া নাইন এম. এম.ৰ ৰিভলভাৰটো। ৰিভলভাৰটো সোঁ হাতৰ মুঠিত লৈ বাওঁহাতেৰে মাৰুতি ভেনখনৰ দুৱাৰ খুলি অপূৰ্বই ৰেজাউললৈ চাই মাত দিলে 'গাড়ী ষ্টাৰ্ট কৰা।'

গাড়ীখন ক্ষীণ শব্দ এটাৰ লহৰ তুলি সজীৱ হৈ উঠিল। পিছ মুহূৰ্তত মন্থৰ গতিৰে আগবাঢ়িব ধৰিলে গাড়ীখন।

'স্পীড নবঢ়াবা, নকমবাও। মনত থাকিবনে?'

ৰেজাউলে উত্তৰ নিদিলে।

অপূৰ্ব নিজেও উত্তৰ শুনিবলৈ ৰৈ নাথাকিল।

চঞ্চলৰ গাড়ীখন ঠিক সেই সময়তে টাৰ্নিং এটা লৈ প্ৰায় মাজ পথতে ৰৈ গৈছিল। উল্কা বেগে আহি থকা জেনখনে বিকট এটা শব্দৰ লহৰ তুলি ৰৈ গৈছিল পথৰ বাওঁহাতে থকা শিলৰ দম এটাৰ ওচৰত।

অপূৰ্বই অকল এই দুৰ্লভ ক্ষণটোলৈকে বাট চাই আছিল।

সি ভেনখনৰ পৰা নামিয়েই সোঁহাতখন সম্মুখলৈ আগবঢ়াই দিলে।

প্ৰায় লগে লগেই তাৰ হাতৰ মুঠিত থকা ৰিভলভাৰটোৱে অগ্নিস্ফুলিংগ এটা ওলাই জেনখনৰ সম্মুখৰ আইনাখন ভাঙি চূৰমাৰ কৰি দিলে। অপূৰ্বই কন্যাকৰ মুখখন চকামকাকৈ এবাৰ মাথোঁ দেখা পাইছিল। কন্যাকৰ মুখখন বিদীৰ্ণ হোৱা নেদেখি অপূৰ্বৰ মনৰ উত্তেজনা বাঢ়ি গ'ল। সি চঞ্চলৰ গাড়ীখনৰ বাওঁকাষে দৌৰি গৈ নিজৰ শৰীৰটো লুকাওঁতে এটা চেকেণ্ডো

নালাগিল। গাড়ীখনৰ আঁৰ লৈ অপূৰ্বই আগবাঢ়ি যাওঁতেই শুনা পালে কেইবাটাও ধাতৱ শব্দ। জেনখনৰ পৰা এটাৰ পিছত সিটোকৈ শব্দবোৰ ধাৰাসাৰে আহিব ধৰিছে। লগে লগে যন্ত্ৰণাকাতৰ আৰ্তনাদো অপূৰ্বৰ কাণত পৰিল। অপূৰ্বৰ চিনাকি যেন লাগিল আৰ্তনাদটো। কোন আহত হ'ল? ৰেজাউল, চঞ্চল, প্ৰমোদ নে দিগন্ত?

ইতিমধ্যে চৌদিশে চিঞৰ-বাখৰ, লৰা-ঢপৰা আৰম্ভ হৈ গৈছে। দুয়ো দিশৰ পৰা অহা গাড়ীবোৰো হঠাতে ব্ৰেক মাৰি বৈ গৈছে মাজপথতে।

অপূৰ্বই এইবাৰ উশাহ ল'বলৈকো পাহৰি গ'ল।

সি দ্ৰুতগতিত চঞ্চলৰ গাড়ীৰ আঁৰৰ পৰা ওলাই আহি জেনখনৰ ড্ৰাইভিং চিটটোলৈ বুলি লক্ষ্য কৰি শেষ আঘাতটো হানিলে। কন্যাকৰ বিদীৰ্ণ হৈ যোৱা মুখখন দেখি অপূৰ্বৰ মনত থিতাপি লোৱা জিঘাংসাৰ ভাবটো আচম্বিতে নোহোৱা হৈ পৰিল। সিতো এবছৰ আগতেই পুনৰ অস্ত্ৰ তুলি নলওঁ বুলি শপত লৈছিল। আজি এবছৰ নৌওঁহতেই তাৰ সিদ্ধান্ত সলনি হ'ল। তাকো এজনী ছোৱালীৰ বাবে।

'অপূৰ্ব! বি কুইক।' দিগন্তৰ চিঞৰটোৱেহে অপূৰ্বক বাস্তৱলৈ ঘূৰাই আনিলে। সি চাৰিওফালে চাই হতাশ হৈ পৰিল। ৰেজাউল আৰু চঞ্চল দুয়োটা নিথৰ হৈ পৰি আছে দুয়োখন গাড়ীৰ চালকৰ আসনত। আৰু জেনখনত?

'অপূৰ্ব! আৰু মাত্ৰ এক মিনিট আছে। সোনকালে কৰ।'

১৫

মানুহজনৰ যন্ত্ৰণাকাতৰ চিঞৰ ক্ৰমে বাঢ়ি আহিব ধৰিলে। লগে লগে দিগন্তৰ কথাৰ সুৰো আৰু উৰ্ধগামী হ'ল। অপূৰ্ব কিন্তু নিৰ্বিকাৰ। সি কোঠাটোৰ এচুকত থকা কাঠৰ চকী এখনত নিৰুদ্বেগভাৱে বহি ৰ'ল। তাৰ দুচকুত উদাস ভংগী। সি বন্ধ হৈ থকা খিৰিকীখনৰ আইনাৰ মাজেৰে দূৰৈৰ গছ-বিৰিখেৰে আবৰা খানাপাৰাৰ পাহাৰৰ চূড়াবোৰলৈ চাই আছিল। তাৰ চকুৰ আগতে ৰেজাউল আৰু চঞ্চলে মৃত্যু সাবতি লৈছিল তাৰ এটা মাত্ৰ সামান্য ভুলৰ বাবে। সেই একেটা ভুলৰ পৰিণতিত গণেশ চহৰীয়াও নিথৰ হৈ পৰিছিল।

দিগন্ত বিচলিত হোৱা নাছিল।

ঠিক এক মিনিটৰ ভিতৰতে সি কামটো সমাধা কৰিছিল। পিছৰ মুহূৰ্তত অপূৰ্ব আৰু প্ৰমোদৰ সহায়ত প্ৰেমলালক লৈ সজোৰে পলাই আহিছিল। অপাৰেচনটো সমাধা হ'ল বুলি সিহঁতে সন্তুষ্টি লভিছিল। কিন্তু এতিয়া?

দিগন্ত হতাশ হোৱাৰ কাৰণো আছে।

সিহঁতে জেনখনৰ পৰা ধৰি অনা মানুহটোৰ বক্তব্য এটাই - সি প্ৰেমলাল নহয়। তাৰ নাম ৰঘু যাদৱ। প্ৰেমলালৰ সহচৰ। প্ৰেমলালে হঠাতে সিদ্ধান্ত সলনি কৰি পুৱাৰ ফ্লাইটতে

ববঝাবত ভৰি দিছিল। গণেশ চহৰীয়াই প্ৰেমলালক গুৱাহাটীলৈ লৈ আনিছিল। অকল চহৰীয়াইহে জানিছিল প্ৰেমলাল গুৱাহাটীৰ ক'ত আছে। প্ৰেমলালৰ ঠাইত ৰঘু যাদৱ আবেলিৰ ফ্লাইটতে গুৱাহাটীলৈ আহিব লগা হ'ল। লগত আছিল এটা ছুটকেছ, যিটোত আছিল তিনি কোটি টকাৰ বাণ্ডিল। এতিয়াও ছুটকেছটো জেনখনৰ ডিকিতে পৰি আছে। হয়তো...

'ইয়াক কি কৰিবি এতিয়া?' হঠাতে দিগন্তই অপূৰ্বক সুধিলে।

অপূৰ্বৰ ভাৱত যতি পৰিল। কথাতো সিয়ো ভবা নাছিল। অৱশেষত সি মাত দিলে 'ইয়াৰ পৰা জানিবলগীয়া কথাখিনিটো জনা হ'লেই। গতিকে এৰি দে।'

'এৰি দিম! তই মূৰ্খ নেকি অপূৰ্ব? সি এবাৰ মুকলি হৈ যাব পাৰিলেই আমাকে প্ৰথমতে খেটি মাৰিব খুজিব।'

'তেন্তে?'

'এটাই উপায় আছেগৈ।'

কি উপায় বুলি সুধিব খুজিও অপূৰ্বই নুসুধিলে। সি জানে ৰঘু যাদৱক চিৰদিনলৈ বুলি নিথৰ কৰি দিয়াৰ বাহিৰে দিগন্তৰ অন্য কোনো গত্যন্তৰ নাই। অপূৰ্বই হাজাৰ বাধা দিলেও দিগন্তই তাকেই কৰিব। সি চকুহাল মুদি পুনৰ ভাৱত বিভোৰ হৈ যোৱাৰ সময়ত তাৰ কাণত পৰিল ৰঘু যাদৱক চোঁচোৰাই লৈ যোৱাৰ শব্দ।

'অপূৰ্ব।' দিগন্তই খন্তেক পিছতে মাত দিলে।

'কি?' অপূৰ্বই চকুহাল মেলি সঁহাৰি দিলে।

'ব'ল!'

'ক'লৈ?' অপূৰ্বই আচৰিত হ'ল।

'এই মাত্ৰ ৰাজীৱে খবৰ দিছে, সি বেলতলাৰ চাৰিআলিটোতে ৰৈ আছে। আমি সময় মতে গৈ নাপালে চৰাই উৰি যাব পাৰে।'

১৬

গধূলিৰ আন্ধাৰ ক্ৰমে গাঢ় হৈ আহিব ধৰিছিল। বেলতলাৰ চাৰিআলিটো ষ্ট্ৰীট লাইটৰ পোহৰত আলোকোজ্জ্বল হৈ উঠিছিল। নেচনেল হাইৱেৰে দুয়োকাষে ৰৈ থকা ট্ৰাকৰ লানি নিছিগা শাৰীৰ মাজতে ৰাজীৱৰ মাৰুতি জীপচীখন এঠাইত ৰৈ আছে। তাৰ দুচকুৰ দৃষ্টি বাওঁকাষে থকা চাৰি তলাৰ বিল্ডিংটোৰ দুৱাৰমুখত স্থিৰ হৈ ৰৈ আছিল। সেয়েহে কোন তলকত যে দিগন্ত আৰু অপূৰ্বই জীপচীখনৰ পিচফালে বহি লৈছিল সি উমানেই নাপালে। দিগন্তৰ মাতত সচকিত হৈ উঠি ৰাজীৱে ক'লে 'অনিল দাস বোলাজন ববঝাৰৰ পৰা পোনে পোনে আহি ঘৰটোত যি সোমাল আৰু ওলোৱা নাই। পোন্ধৰ মিনিটমান আগতে টেক্সি এখনত আহি ৰুদ্ৰ থাপাও ভিতৰলৈ সোমাই গৈছে।'

দিগন্তই একো নক'লে।

সি বিল্ডিংটোলৈ চাই পঠিয়ালে। এই পোহৰৰ মাজত বিল্ডিংটোৰ ভিতৰলৈ যোৱাৰ কোনো অৰ্থ নাই। সি খবৰ পোৱা মতে নিশা সাত বজাৰ পৰা লোড শ্বেডিং হ'ব। অন্ধকাৰে আবৰি ধৰিব চৌদিশ। অন্ধকাৰৰ মায়াজালৰ মাজেৰে সিহঁত সোমাই যাব পাৰিব। আৰু তাৰ পিছত...

'কেইটা বাজিছে এতিয়া?'

'ছয় বাজি পঁচপন্ন মিনিট।'

'আৰু পাঁচ মিনিটৰ পিছতে লোড শ্বেডিং হ'ব। ৰাজীৱ! তুমি লগে লগে বিল্ডিংটোলৈ উঠি যাবা। তোমাৰ হাতত চাইলেন্সাৰ লগোৱা ৰিভলভাৰ এটা আছেই। যাকেই য'তে লগ পোৱা তাকে ই খতম কৰি দিবা। তোমাৰ চিগনেল পালে আমিও উঠি যাম।'

ৰাজীৱে একো নামাতিলে।

তাৰ চকু তেতিয়াও বিল্ডিংটোৰ দুৱাৰ মুখত।

ঠিক সাত বজাৰ লগে লগে চৌদিশ হঠাতে অন্ধকাৰ হৈ পৰিল। ৰাজীৱে চিকাৰি মেকুৰি এটাৰ দৰে বেছ খৰ খোজেৰে অন্ধকাৰৰ মাজেৰে বিল্ডিংটোলৈ সোমাই গ'ল। সি যোৱা প্ৰথম পাঁচ মিনিটলৈ দিগন্ত আৰু অপূৰ্বৰ মাজত এষাৰিও মাতবোল নহ'ল। অৱশেষত দিগন্তই চেপা কণ্ঠেৰে মাত দিলে 'অপূৰ্ব! মোৰ দুশ্চিন্তা উপজিছে। ৰাজীৱ জৰুৰ বিপদত পৰিছে। নহ'লে...'

'আমিও উঠি যাওঁ।'

'ব'ল।' দিগন্তই সঁহাৰি দিয়েই জীপচীখনৰ পৰা নামি ল'লে।

অপূৰ্বও একেজাঁপে জীপচীখনৰ পৰা নামিল।

দুই-এখন দোকানত জেনেৰেটৰ চলিছে যদিও বিল্ডিংটো কিন্তু তেতিয়াও অন্ধকাৰত নিঃসাৰ হৈ পৰি আছে। বিল্ডিংটোৰ তলৰ মহলাত মটৰ পাৰ্টছৰ দোকানৰ শাৰী, একোণত ওপৰলৈ উঠি যোৱাৰ চিৰি। দিগন্ত আৰু অপূৰ্ব চিৰিটোৰে সতৰ্কতাৰে ওপৰলৈ উঠি গ'ল। সম্পূৰ্ণ অন্ধকাৰত ডুব গৈ থকা চিৰিখনেৰে প্ৰথম মহলাত ভৰি দি সিহঁত বৈ গ'ল। বাওঁহাতে থকা দুৱাৰ এখনত প্ৰকাণ্ড তলা এটা মাৰি থোৱা আছে। সিহঁতে তলাটো অন্ধকাৰতে লিৰিকি-বিদাৰি চাই আকৌ চিৰিৰে ওপৰলৈ উঠি গ'ল। অপূৰ্বৰ এহাতত পইণ্ট নাইন এম. এম.ৰ ৰিভলভাৰটো, দিগন্তৰ এহাততো সৰু অকণমানি ৰিভলভাৰ এটা। দুয়ো দ্বিতীয় মহলাত ভৰি দিয়েই সচকিত হৈ উঠিল। বাৰুদৰ গোন্ধ সিহঁতৰ চিনাকি। বহুকেইটা বছৰ বাৰুদ, ধোঁৱা আৰু তেজৰ গোন্ধৰ মাজতে সিহঁত জীয়াই আছিল। এতিয়াও যেন সিহঁতে সেই চিনাকি গোন্ধটোকে পালে!

দ্বিতীয় মহলাৰ বাঁওহাতে থকা দুৱাৰখন খোলা।

ভিতৰখন অন্ধকাৰ।

দিগন্তই প্ৰথমে ভিতৰলৈ সোমাই গ'ল।

অন্ধকাৰতে সি অনুমান কৰিলে, সিহঁত এটা প্ৰকাণ্ড কমত ভৰি দিছে। অন্ধকাৰ যদিও দিগন্তৰ খেয়াল হ'ল মজিয়াত চাৰিজন মানুহ ধৰাশায়ী হৈ পৰি আছে। নিশ্চল মানৱ দেহা সেইয়া। তিনিজন দিগন্তৰ অচিনাকি। এজনহে চিনাকী।

'ৰাজীৱ।' মজিয়াত নিশ্চল হৈ পৰি থকা দেহ এটাৰ ওচৰ চাপি দিগন্তই ফুচফুচাই মাত দিলে। অপূৰ্ব কিন্তু হুঁচিয়াৰ। সি পাঁচ ফুটমান আঁতৰত থিয় হৈ আছে। সি জানে এতিয়া আৰু ৰাজীৱক মাতি আৰু কোনো লাভ নাই। সি নিজে অপেক্ষা কৰি থাকিব লাগিব আৰু এটা ৰক্তাক্ত মুহূৰ্তলৈ। তাৰ ষষ্ঠ ইন্দ্ৰিয়ই তাক সতৰ্ক কৰি দিলে। সি গম পাইছে কোনোবা এজন খুপি খুপি ভিতৰৰ পৰা খোজ দি আহি আছে। অকলশৰীয়া নিশ্চয় নহয়। লগত থাকিব হয়তো উদ্যত ৰিভলভাৰ এটা।

১৭

কোঠাটো অন্ধকাৰ। ভিতৰত মাথোঁ দুজন লোক। এজনে পায়চাৰি কৰি আছে। আনজনে চকী এখনত বহি আছে। তেওঁৰ সম্মুখত খোলা খিৰিকী এখন। খিৰিকীখনৰ সিকাষে প্ৰায় দুই ফুটমান আঁতৰত আন এটা বিল্ডিংৰ ছাদখন আৰম্ভ হৈছে। তেওঁ সিটো বিল্ডিংৰ অন্ধকাৰ ছাদখনলৈ চাই থাকিয়েই অৱশেষত ঢেপা কণ্ঠেৰে ক'লে 'খান চাহাব! চিন্তা নকৰিব। মই মানুহ এটা পঠিয়াই দিছোঁ খিৰিকীখনেৰে কাষৰ বিল্ডিঙৰ ছাদলৈ যোৱাৰ ব্যৱস্থা কৰিবলৈ। সি নিজে পাইপ এডালেৰে পাৰ হৈ গ'ল। কিন্তু আমাৰ বাবে কাঠ এছটা যোগাৰ কৰি আনিছেই। আৰু এক মিনিটমানৰ পিছতে আমি ইয়াৰ পৰা গুছি যাব পাৰিম।'

'মই অইন এটা কথা লৈহে চিন্তা কৰিছোঁ, সিং।'

দুশ্চিন্তা আৰছাদ খানৰ দৰে বিনোদ সিঙৰো হৈছে। আজি ত্ৰিছ বছৰ ধৰি স্মাগলিঙৰ অন্ধকাৰ জগতখনত তেওঁ বিচৰণ কৰি আহিছে। কেতিয়াও এনেধৰণৰ দুৰ্যোগৰ সম্মুখীন হোৱা নাই। অথচ আজি আবেলিলৈকে সকলো ঠিকেই আছিল। প্ৰথমটো বেয়া সংবাদ আহিল আবেলি দুই বজাত। প্ৰেমলাল ৰাতিপুৱাই গুৱাহাটী পালেহি। এই খবৰটো সঁচাকৈয়ে তেওঁলোকৰ বাবে বেয়া আছিল। কিন্তু তাতোকৈও বেয়া খবৰ আহিল তাৰ ঠিক পিছতেই। প্ৰেমলালৰ এজেন্ট গণেশ চহৰীয়াক মাজ পথতেই কোনোবাই হত্যা কৰি থৈ গ'ল। কিন্তু আচৰিতভাৱে তিনি কোটি টকাৰ ছুটকেছটো হস্তগত নকৰাকৈয়ে এৰি থৈ লৈ গ'ল ৰঘু যাদৱক।

খবৰটোৱে কঁপাই গৈছিল চৌদিশ।

অন্য এজন সম্ৰাটৰ অভিষেক হোৱা নাইতো! বিনোদ সিং আৰু আৰছাদ খান বিব্ৰত হৈছিল। অৱশ্যে খন্তেকতে সুখবৰ এটাও আহিছিল। বিমল জৈনে তেওঁলোকৰ ওচৰত

আত্মসমৰ্পণ কৰিব ওলাইছে। ইয়াৰ কাৰণ হ'ল এই মুহূৰ্তত তেওঁলোকৰ লগত থকা চামৰাৰ ক'লা বেগ এটা। তাত থকা প্ৰতিখিলা কাগজ, ফটো, ভিডিঅ' কেছেট তেওঁলোকৰ বাবে মৃত্যুদূত সদৃশ। কিছুসময়ৰ আগতে প্ৰেমলালেও খবৰ পঠিয়াইছিল চহৰীয়া আৰু কন্যাকৰ মৃত্যু আৰু ৰঘু যাদৱৰ অপহৰণৰ পিছত তেৰোঁ শক্তিহীন হৈ পৰিছে। এতিয়া বুজাবুজিৰ বাবে ইচ্ছুক তেওঁ।

এটাৰ পিছত এটাকৈ খবৰবোৰ আহিছিল।

শেষ মুহূৰ্তত আহিল সেই ভয়ানক খবৰটো।

এই বিল্ডিংটোত মৃত্যুদূত এজন আহি উপস্থিত হৈছে। ইতিমধ্যে ধৰাশায়ী হৈছে তিনিজনকৈ তেওঁলোকৰ অনুচৰ। অৱশ্যে অজান আততায়ীজনো অৱশেষত ৰক্তাবৃত হৈ নিথৰ হৈ পৰিছিল। আৰছাদ খান আৰু বিনোদ সিং তেতিয়াই ওপৰলৈ উঠি আহিছিল পিছফালৰ চিৰি এখনেৰে। লগত আছিল চামৰাৰ বেগটো। সিঙে এজনক পঠিয়াই দিছিল সিটো বিল্ডিংলৈ যোৱাৰ ব্যৱস্থা কৰিবলৈ, আৰু এজনক পুনৰ তললৈ পঠিয়াই দিছিল আনজন আততায়ীৰ কোনো সহচৰ লুকাই আছে নে নাই চাই আহিবলৈ।

'খান চাহাব।'

'কি হ'ল সিং?'

'কাঠ এছটাৰ যোগাৰ হ'ল। পুৰন্দৰে খিৰিকীৰে বাটামৰ লগত লগাই দিছে। সেইখনেৰেই আমি সিটো বিল্ডিংলৈ গুছি যাব পাৰিম। ইয়াত থকা এতিয়া মুঠেই নিৰাপদ নহয়।'

'কিন্তু...'

'কোনো কিন্তু নাই খান চাহাব। দেৰি নকৰিব। এক মিনিট অথলে যোৱা মানেই বিপদ চপাই লোৱা।' কথাষাৰ কৈয়ে বিনোদ সিং বহাৰ পৰা উঠি থিয় হ'ল। তেওঁ অন্ধকাৰৰ মাজেৰেই খিৰিকীখনৰ বাটামত পাৰি দিয়া এফুট বহলৰ কাঠ এছটাৰে খুপি খুপি সিটো বিল্ডিংলৈ গুছি গ'ল।

আৰছাদ খান আৰু বিব্ৰত হ'ল।

তেওঁ দীঘলকৈ উশাহ এটা লৈ মজিয়াত থকা ক'লা চামৰাৰ বেগটো ভালদৰে খামুছি ধৰি সাজু হ'ল। চকীখনত ভেঁজা দি তেওঁ প্ৰথমে খিৰিকীখনৰ বাটামত থিয় হ'ল। গ্ৰীল নলগোৱা খিৰিকীখনৰ বাটামত পাৰি থোৱা কাঠছটা এনেয়ে তেওঁ চুই চালে। সিপাৰত বিনোদ সিং আৰু পুৰন্দৰ বোলাজনে থিয় হৈ তেওঁক কৈ আছে 'খান চাহাব। সোনকাল কৰক।'

আৰছাদ খান যাবলৈ সাজু হ'ল।

তেওঁৰ ত্ৰিছ বছৰৰ আগৰ দিনবোৰৰ কথা মনত পৰিল। ভৰ ডেকা বয়স আছিল তেতিয়া তেওঁৰ। ডিব্ৰুগড়ত টুলুঙা নাৱৰে কানি-আফিং লৈ ভৰ বাৰিষা তেওঁ ইপাৰ সিপাৰ হৈছিল নিশাৰ বৰ লুইতখন। তেতিয়া ভয় বোলা ভাৱটো মনলৈ আহা নাছিল। কিন্তু আজি?

'খান চাহাব। সাৱধানে আহিব। তললৈ নাচাব।'

আবছাদ খান সচকিত হ'ল। তেওঁ কাঠছটাৰ মাজ ডোখৰ পাইছিলহি। তেওঁ তললৈ এবাৰ চাই পঠিয়ালে। নিজৰ অজানিতেই কেতিয়া যে তলৰ অন্ধকাৰলৈ চকুৰ দৃষ্টি গৈছিল ততকে ধৰিব নোৱাৰিলে আবছাদ খানে। আৰু.....

১৮

অপূৰ্বই যেন বতাহতে বিপদৰ গোন্ধ পালে। সি দুখোজমান আগবাঢ়ি গ'ল। কোঠাটোৰ পূব কোণত দুৱাৰ এখন আছিল। দুৱাৰখন মেল খোৱাই থোৱা আছে। অপূৰ্বই বেছ তড়িৎ গতিৰে দুৱাৰখনৰ ওচৰ চাপিল। দুৱাৰখনৰ সিটো পাৰে দীঘল কৰিডৰ এটা আৰম্ভ হৈছে। দুয়োফালে বেৰ থকা বাবে নিশ্চিদ্ৰ অন্ধকাৰত ডুব গৈ আছে কৰিডৰটো। বেছ দীঘল কৰিডৰটোৰ এটা মূৰত যেন তৃতীয় এজন ব্যক্তি উপস্থিত হৈছে। অপূৰ্ব এপলক ৰৈয়ে নিশ্চিত হ'ল। তাৰ ৰিভলভাৰৰ সীমাতে আছে চিকাৰ। অপূৰ্বৰ মনলৈ এবাৰৰ বাবে হ'লেও জিঘাংসাৰ ভাব এটা আহিল। সি নিজকে সম্বৰণ কৰিব নোৱাৰিলে।

অপূৰ্বই সোঁহাতখন লাহে লাহে ওপৰলৈ দাঙি আনি দেহৰ সমকোণত ৰাখি থ'লে। নিশাহ কিন্তু সি এৰি নিদিলে। চকু আৰু মন যেন একেটা বিন্দুতে বন্দী কৰি থ'বলৈ চেষ্টা কৰিলে।

এইবাৰ সি ট্ৰিগাৰত হাত বুলালে।

সৰুকৈ হিচ্চ বুলি শব্দ এটাই কঁপাই দিলে কৰিডৰটো।

প্ৰায় লগে লগে চিৎকাৰ এটা কৰি কৰিডৰৰ এটা মূৰত কোনোবা এটা ঢলি পৰাৰ দৃশ্য ছঁয়াময়াকৈ অপূৰ্বৰ চকুত পৰিল।

অপূৰ্বই আকৌ এবাৰ ট্ৰিগাৰ টিপিলে।

পুনৰ অনুচ্চ স্বৰত ধাতৱ শব্দ এটা হ'ল।

অপূৰ্ব এইবাৰ ৰৈ নাথাকিল। সি দৌৰি গ'ল। তাৰ পিছে পিছে দিগন্তও দৌৰি আহিল। প্ৰায় ত্ৰিছ ফুটমান আঁতৰত মজিয়াত পৰি আছে এজন মানুহ। কপালৰ এছোৱা উৰি গৈছে অপূৰ্বৰ গুলিৰ আঘাতত। দিগন্তই জেপৰ পৰা কণমানি টৰ্চ এটা উলিয়াই জ্বলাই লৈ চাৰিওফালে চালে। প্ৰায় দহ ফুটমান আঁতৰত কৰিডৰটোৰ বাওঁফালে আৰু এটা চিৰি ওপৰলৈ উঠি গৈছে। দিগন্তই অপূৰ্বক ইংগিত এটা দি প্ৰায় দৌৰি গ'ল চিৰিটোলৈ। অপূৰ্বই পিছে পিছে গৈ চেপা কণ্ঠেৰে ক'লে 'দিগন্ত। সাৱধানে যাবি।'

চিৰিখন ওপৰ তলাৰ য'ত শেষ হৈছে তাৰ পৰা আৰু এটা কৰিডৰ আৰম্ভ হৈছে। অন্ধকাৰ কৰিডৰটো ক'ত শেষ হৈছে ধৰিব নোৱাৰি দুয়ো এপলক নিশ্চল হৈ ৰ'ল। তাৰ পিছত দুয়ো আকৌ খুপি খুপি আগবাঢ়ি গ'ল। প্ৰায় বিছ ফুটমান আগবাঢ়ি যোৱাৰ পিছত কৰিডৰটো

হঠাতে শেষ হ'ল। সোঁহাতে দুৱাৰ এখন জপাই থোৱা আছে। দিগন্তই এবাৰ লাহেকৈ হেচুকি দিয়াৰ লগে লগে দুৱাৰখন মেল খাই গ'ল।

আকৌ অন্ধকাৰ কোঠা এটা।

কিন্তু...

কোঠাটোৰ এমূৰত থকা খিৰিকীখন খোলা। খিৰিকী খনৰ ফাঁকেৰে বাহিৰৰ পোহৰৰ ৰেঙণি পৰি কোঠাটোৰ আন্ধাৰ যথেষ্ট আঁতৰিছে। সেইকণ পোহৰৰ মাজেৰে কোঠাটোৰ চাৰিওফালে চকু ফুৰাব ওলায়ো দিগন্ত থমকি ৰ'ল। তলত যেন বেছ হৈ-চৈ হৈছে। এজুম মানুহে যেন উচ্চ স্বৰেৰে কথা পাতিব ধৰিছে।

দিগন্ত খিৰিকীখনৰ ওচৰ চাপিব গৈয়ো থমকি ৰ'ল।

দুটা ধাতৱ শব্দই হঠাতে তাক সচকিত কৰি পেলালে। এই শব্দ তাৰ চিনাকি। সি সুধিলে 'কাক গুলিয়ালি?'

'সৌ বিল্ডিংটোৰ ছাদত দুটা মানুহ বৈ আছিল।'

'ঠিকেই কৰিলি।' কথাষাৰ কৈ দিগন্তই খিৰিকীখনৰ ফাঁকেৰে তললৈ চাই মাত দিলে 'তলত হুলস্থুল হৈছে। কোনোবা মানুহ এটাই বোলে ওপৰৰ পৰা জুইচাইড কৰিলে। মানুহবোৰে চিঞৰি চিঞৰি ক'ব ধৰিছে।'

'জপিয়াই পৰা নাই। পিছল খাই পৰিল বোধহয় এই কাঠছটাৰ পৰা।'

'কি কৰিবি এতিয়া?'

'তললৈ ব'ল।'

দুয়ো প্ৰায় বায়ু বেগেৰে আকৌ ওলাই গ'ল।

বাহিৰখন তেতিয়াও অন্ধকাৰ।

বিল্ডিংটোৰ পিছফালখন আওঁহতীয়া। দুটা বিল্ডিংৰ মাজত কাৰণে অন্ধকাৰৰ মাত্ৰাও বেছি। তাতেই প্ৰায় চল্লিশ জন মানুহ গোট খাইছে। প্ৰত্যেকৰে চকু মাটিত ৰক্তাবৃত হৈ পৰি থকা নিথৰ দেহ এটাৰ ওপৰত বৈ আছে। দিগন্তই মানুহজনৰ দেহটোলৈ এবাৰ চকু ফুৰাই অপূৰ্বক কিবা এবাৰ ক'ব ওলায়ো বৈ গ'ল।

অপূৰ্ব ওচৰত নাই।

অপূৰ্বই মানুহৰ জুমটোৰ ভীৰ ঠেলি ঠেলি আঁতৰি যাব ধৰা দেখি দিগন্ত আচৰিত হ'ল। দিগন্তক হতবাক কৰি অপূৰ্ব বিল্ডিংটোৰ দেৱালখনৰ কাষ চাপি গ'ল। ঠাইখিনিত মানুহ নাই। নৰ্দমা এটা তলেৰে গৈছে। নৰ্দমাটো শুকান, পানী নাই। আৰু তাতেই পৰি আছে ক'লা চামৰাৰ বেগ এটা। বেগটো অপূৰ্বৰ চিনাকি। সি বেগটো তুলি লোৱা দেখি দিগন্তই একো নামাতিলে। অপূৰ্বৰ উজ্জ্বল হৈ পৰা মুখখনলৈ চাই দিগন্ত খৰখোজেৰে আহি নিজৰ মাৰুতি ভেনখনত বহি ল'লে। ঠিক লগে লগে অপূৰ্বও চামৰাৰ বেগটো বুকুতে সাবটি লৈ গাড়ীখনত

বহি লৈ মাত দিলে 'ব'ল।'

'ক'লৈ যাবি?'

'ৰূপালীৰ ঘৰলৈ।'

'কিন্তু...।' গাড়ীখন চলাই থাকিয়েই দিগন্তই কিবা এবাৰ ক'ব খুজিলে। অপূৰ্বই মাজতে মাত দিলে 'তাইক মই কথা দিছিলোঁ। বেগটো বিচাৰি উলিয়াই দিম বুলি। এতিয়া বেগটো পালোঁ যেতিয়া মই দিয়া কথাৰ মূল্য ৰাখিব পাৰিম।'

'তই জানো জান এই বেগটোৰ মূল্য কিমান?'

'জানো। কিন্তু মই আকৌ এবাৰ তেজৰ খেলা খেলিবলৈ ইচ্ছা নকৰোঁ। আমি কাৰোবাক এক্সপজ কৰিব গ'লে আকৌ এবাৰ বন্দুক উলিয়াই ল'ব লাগিব। এইবাৰ আমাৰো অৱস্থা ৰাজীৱহঁতৰ নিচিনা হৈ যাব পাৰে। তাতকৈ পি. চি. অ'টো চলাই কষ্টেৰে জীয়াই থকাটোৱে ভাল।'

দিগন্তই একো নামাতিলে।

আচলতে ৰাজীৱহঁতৰ প্ৰসংগ ওলাওঁতেই তাৰ মনটো সেমেকি উঠিছিল। সিয়ো বাৰু অপূৰ্বৰ নিচিনা হ'বলৈ চেষ্টা এটা কৰি চাব নেকি এবাৰ? দিগন্তই নিজেই নিজকে প্ৰশ্ন কৰিলে।

১৯

এই ভীৰত ৰূপালীৰ স্কুটাৰ চলাই বৰ আমনি লগা হৈছে। আজি দুসপ্তাহ আগলৈকে অৱশ্যে এনে নাছিল। এতিয়া তাইৰ বেংক বেলেন্সো বাঢ়িছে। মাৰুতি কাৰ এখন কিনিব পৰাকৈ টকাও গোট খাইছে। বিখ্যাতো হৈ পৰিছে তাই। মাত্ৰ এসপ্তাহ ধাৰাবাহিকভাৱে তাই সজাই-পৰাই লিখিছিল ড্ৰাগছ স্মাগলিঙৰ জগতখনৰ কথা। এসপ্তাহতে চাৰিওফালে হুলস্থুল লাগি পৰিছিল। ড্ৰাগছ স্মাগলিঙৰ জগতখন থানবান হৈ পৰিছিল। তেওঁলোকৰ মায়াজালত থকা পুলিচ, আবকাৰী, কাষ্টমছ, মেজিষ্ট্ৰেট এই সকলো এজন এজনকৈ জেললৈ শাৰী পাতিছিল। জৈন, প্ৰেমলালৰ দৰে কিমানজন কুখ্যাত স্মাগলাৰ ধৰা পৰিছিল তাৰ লেখ-জোখ নাই।

ৰূপালীয়ে বি. বি. চি., চি. এন. এন., ষ্টাৰ নিউজ সকলোৰে পৰা অফাৰ পাইছিল। ক'ত কাম ল'ব তাই? পেৰিছ, নিউয়ৰ্ক, লণ্ডন, দিল্লী, মুম্বাই নে অইন কৰ'বাত?

তাইৰ স্কুটাৰখন তেতিয়া ৰাজগড় ৰোডেৰে আগবাঢ়িছিল।

ছয় নম্বৰ বাইলেনটোৰ মুখত থকা পি. চি. অ'টোৰ ওচৰ চাপোতে অজানিতে তাইৰ স্কুটাৰৰ গতি কমি আহিছিল। কিন্তু তাই নৰখালে। ঘূৰিও নাচালে পি. চি. অ'টোলৈ। তাই স্কুটাৰৰ গতি আকৌ বঢ়াই দিলে। তাই এতিয়া বৰ ব্যস্ত। কাৰোবাক 'থেংক ইউ' বুলি পিছতো কেতিয়াবা ক'ব পৰা যাব। ০

# আঘাত

শৰণীয়া পাহাৰৰ পৰা নামি অহা একা বেকা পথটো নিঃসীম অন্ধকাৰত ডুব গৈ আছিল। সেয়েহে হেড লাইট দুটা নুমাই অহা মাৰুতি ভেন খন যথেষ্ট লেহেম গতিত নামি আহিছিল। গাড়ীখনৰ চালকজন যুবক, মুখখন ৰুক্ষ আৰু কঠিন। তেওঁৰ ওচৰত বহি থকাজনৰ মুখখন এমুখ ডাড়িৰে ভৰা। সন্মুখৰ অন্ধকাৰ পথটোলৈ একমনে চাই থাকি অৱশেষত তেওঁ লাহেকৈ মাত দিলে 'এই ভাঁজটো ঘূৰিলেই শৰণীয়াৰ মেইন ৰোডটো পাই যাম।'

প্ৰায় ধেনুভেৰীয়া ভাঁজটোৰে লাহে লাহে গাড়ীখন বেছ দক্ষতাৰে তললৈ নমাই আনিলে চালকজনে। সমতলত গাড়ীখন ষ্টাৰ্ট দি তেওঁ সুধিলে 'এতিয়া ক'লৈ যাম? বেলতলালৈ নে পল্টন বজাৰলৈ?'

'উলুবাৰী হৈ পল্টন বজাৰলৈ ব'ল।'

'তাৰমানে ছাৰৰ ওচৰলৈ? এই নিশা দহটা বজাত যোৱাতকৈ ফোন কৰাই ভাল।'

'ফোনেই কৰিম, কিন্তু ইয়াত নহয়। অপসৰা চিনেমা হলটোৰ ওচৰতে যে নতুনকৈ ৰেষ্টুৰেন্টখন খুলিছে তাতে বাৰ এখনো আছে। তাৰ পৰাই মোবাইলেৰে ফোন কৰিম।'

'ঠিক আছে।'

গাড়ীখন এইবাৰ শৰণীয়াৰ পথটোৰে উলুবাৰী চাৰিআলি অতিক্ৰম কৰি জি. এছ. ৰোডেৰে বেছ দ্ৰুত গতিৰে আগবাঢ়িল। পথটোত এতিয়া ব্যস্ততা কম। চিটি বাছ কেইখনৰ বাহিৰে পথটোত বাহনৰ সংখ্যা খুবেই কম। সেয়েহে কম সময় লাগিল মণিপুৰী বস্তি পাওঁতে। পথৰ সোঁকাষে গাড়ীখন পাৰ্ক কৰি দুয়ো নামি গ'ল ওচৰৰ ৰেষ্টুৰেন্টখনলৈ। ভিতৰৰ টেবুলবোৰ প্ৰায় খালি। এচুকৰ টেবুল এখন দুয়ো বাচি ল'লে। হুইস্কি আৰু চিকেন পকোৰাৰ মায়াবী সোৱাদে দুয়োকে কম সময়ৰ ভিতৰতে উত্তাল কৰি তুলিলে। কেনেকৈ যে সময়বোৰ আগুৱাই গ'ল খেয়ালে নাৰাখিলে দুয়ো। হঠাতে হাতৰ ঘড়ীটোলৈ এবাৰ চকু পৰাতহে চালকজন চমকি উঠিল। প্ৰায় কম্পিত স্বৰেৰে তেওঁ ক'লে 'ফাৰুক! এঘাৰ বাজি গ'ল। ছাৰে চিন্তা কৰি থাকিব।'

ফাৰুক বোলাজনে পকেটৰ পৰা মোবাইল ফোনটো উলিয়াই ল'লে।

'হেল্লো!'

'মই ফাৰুক, ছাৰ!'

'কোৱা।' সিফালৰ পৰা নিৰ্লিপ্ত কণ্ঠে ভাঁহি আহিল কথাষাৰ। ফাৰুকে যথেষ্ট অনুচ্চ কণ্ঠেৰে ক'বলৈ আৰম্ভ কৰিলে 'পানীৰ ৰিজাৰ্ভাৰটোৰ চাৰিওফালে চাৰিটা ডিভাইচ ফিট কৰি থৈ আহিছোঁ। অহাকালি মিনিষ্টাৰে ইন'গৰেট কৰাৰ সময়ত চুইচটো টিপিলেই একেলগে চাৰিওটা ফুটি যাব। ৰিজাৰ্ভাৰৰ পানীখিনিয়ে গান্ধীবস্তীৰ গোটেই এলেকাটো ডুবাই দিব। কিমান মৰিব

এতিয়াও ক'ব নোৱাৰিম। অহাকালিহে......'

'তুমি ক'ত আছা এতিয়া?'

'আমি...... গাড়ীৰে আহি আছোঁ........' ফাৰুকে এপলক বৈ মাত দিলে।

'কৃষ্ণও আছে নেকি লগত?'

'আছে। সিয়ে গাড়ী চলাই আছে।'

'তাক লৈ ৰাতিপুৱা আহিবা।' সিফালৰ পৰা গহীন মাতযাৰ ভাঁহি আহিল।

'কিন্তু......' ফাৰুকে খেৰোগেৰোকৈ অৱশেষত মাত দিলে।

'কিন্তু কি?'

'সৰু দুৰ্ঘটনা এটা ঘটি গ'ল।'

'দুৰ্ঘটনা?'

'অঁ, আমি তাঁৰবোৰ গাত খুন্দি পুতি থাকোঁতে দুটা মানুহে দেখা পালে। লেবাৰজাতীয় মানুহ। দুয়োটাই চিঞৰ- বাখৰ কৰিব ওলাইছিল। উপাই নাপাই খতম কৰি দিলো। ডেড়বডি দুটা তাতেই পৰি আছে।'

এপলক নীৰবে পাৰ হৈ গ'ল।

অৱশেষত সিফালৰ পৰা পুনৰ গহীন কণ্ঠস্বৰ ভাহি আহিল 'ডেড়বডি দুটা আজি অথবা অহাকালি ৰাতিপুৱা কাৰোবাৰ চকুত পৰিলে আমাৰ অনৰ্থক বিপদ হ'ব। পুলিচ আহিব। বিচাৰ-খোচাৰ হ'ব। পুলিচৰ পহৰা বাঢ়িব। মন্ত্ৰীৰ প্ৰগ্ৰেমো বাতিল হৈ যাব পাৰে। গতিকে এতিয়াই দুয়োটা আকৌ উভতি যোৱা। ডেড়বডি দুটা উঠাই লৈ আহিবা। গান্ধীবস্তী হৈ এটা ৰাস্তা ৰেল লাইন পাৰ হৈ মণিৰাম দেৱান ৰোডত লগ লাগিছে। নিউজ পেপাৰৰ অফিচটোৰ মুখতে, গম পাইছা নহয়? তাতে ৰেল লাইনত পেলাই থৈ আহিবা ডেড়বডি দুটা।'

'হ'ব ছাৰ!'

মোবাইল অফ কৰি ফাৰুক বোলাজনে কৃষ্ণলৈ চাই এইবাৰ বেছ উদ্বিগ্নতাৰে ক'লে

'ব'ল!'

২

এঘণ্টা আগৰ পথৰ ব্যস্ততাখিনি এতিয়া আৰু নাই। জি. এছ. ৰোডৰ দুয়োফালৰ ষ্ট্ৰীট লাইটকেইটাহে যেন পথৰ অতন্দ্ৰ প্ৰহৰী। জনশূন্য পথটোৱে কৃষ্ণই বেছ দ্ৰুতগতিত গাড়ী চেকুৰাই আনিছিল। দুয়োৰে মুখত কোনো কথা নাই। ফাৰুকে ৰুমালখনেৰে একোবাৰ মুখত বিৰিঙি উঠা ঘামবোৰ মচি আকৌ উইণ্ডস্ক্ৰীনেৰে সম্মুখৰ শূন্য পথটোলৈ চাই পঠিয়ালে। উলুবাৰী চাৰিআলি পাৰ হৈ বাওঁহাতে শৰণীয়ালৈ যোৱা পথটোলৈ একেটা গতিৰে কৃষ্ণই গাড়ী আগবঢ়াই নিওঁতে ফাৰুকে মাত দিলে 'লাহে লাহে ব'ল। পাহাৰলৈ উঠি যাওঁতে হেড লাইট নজ্বলাবি, নুমাই থবি।'

শৰণীয়া পাহাৰলৈ উঠি যোৱা অন্ধকাৰাছন্ন পথটোৰে হেড লাইট নজ্বলোৱা মাৰুতি ভেনখন লাহে লাহে কিন্তু বেছ দক্ষতাৰে চলাই নিলে কৃষ্ণই। ফাৰুকে বাটছোৱাত এষাৰো কথা নক'লে। তাৰ নির্দয় অন্তৰখন এই প্রথমবাৰৰ বাবে এক অনামি উত্তেজনাত কঁপিবলৈ উপক্রম কৰিছিল। দহ মিনিটমান উঠি যোৱাৰ পিছত নির্দিষ্ট ঠাই টুকুৰাত গাড়ীখন ৰখাই দিওঁতে ফাৰুক আৰু বেছি চঞ্চল আৰু বিব্রত হ'ল। একো নোকোৱাকৈয়ে লাহেকৈ দর্জাখন খুলি গাড়ীৰ পৰা নামিল। তাৰ এহাতত টর্চ এটা। আনখন হাত পেন্টৰ পকেটৰ ভিতৰত, চাইলেন্সাৰযুক্ত লোডেড নাইন এম. এম.ৰ ৰিভলভাৰ এটা সি খামুচি ধৰি আছে। ইয়াৰ সহায়তেই যেন সি সাহস গোটাবলৈ প্রয়াস কৰিছে।

'তই আঁতৰৰ ভাঁজটোত গাড়ীখন ঘূৰাই আন। মই ডেড্‌বডি দুটা তলৰ পৰা উঠাই আনো।' কথাষাৰ কৈ ফাৰুক বাটৰ কাষৰ কৃষ্ণচূড়া এজোপাৰ কাষেদি তললৈ নামি গ'ল। ফাৰুকে এবাৰ টর্চ লাইটতো জ্বলাই ল'ব খুজিও সিদ্ধান্তটো অৱশেষত সলনি কৰিলে। সি বেছ সাৱধানেৰে তললৈ বুলি অগ্রসৰ হ'ল।

সি যি টুকুৰা ঠাইৰে নামি গ'ল সেই খিনিৰ ঢালটো থিয় নহয়। বিশ ডিগ্রীমান কোণ কৰি তললৈ নামি গৈছে এটা সৰু লুণ্ডলুণ্ডীয়া কেঁচা মাটিৰ লিক। প্রায় বিশ মিটাৰ মান তলত আছে নতুনকৈ নির্মাণ কৰি উলিওৱা প্রকাণ্ড পানীৰ ৰিজাৰ্ভাৰ, য'ত এতিয়া ভর্তি হৈ আছে কেইবা লাখ গেলন পানী!!

ঠাইখিনি অন্ধকাৰ।

ফাৰুকে খুপি খুপি নামি গৈ তলৰ এটুকুৰা সমতল ঠাই পাই টর্চটো জ্বলালে। তাৰ পৰা তিনি ফুটমান আঁতৰত পৰি আছে ৰক্তাক্ত মৃতদেহ এটা। কিন্তু.....

ফাৰুকৰ অন্তৰখন আকৌ এবাৰ কঁপি উঠিল।

তাৰ হিচাব মতে একেখিনি ঠাইতে দুয়োটা মৃতদেহ থাকিব লাগিছিল, কিন্তু এতিয়া আছে মাত্র এটা মৃতদেহ, দুটা নহয়।

ফাৰুকে চাৰিওফালে চালে।

অকণমানি টর্চটোৰ পোহৰে ওচৰৰ গছ-বিৰিখ আনকি পানীৰ ৰিজাৰ্ভাৰটোৰ কংক্রীটৰ দেৱাল পর্যন্ত চুই গ'ল। ফাৰুকৰ ঠিক মনত আছে, দুয়োজনকে সি বগৰাই দিছিল দুটা গুলিৰে। দুয়োজন ঢলি পৰাও সি দেখিছিল। এজনৰ কপালত সৰু বিন্ধা কৰি সোমাই গৈছিল প্রথম গুলিটো। আৰু দ্বিতীয়জন? ফাৰুকৰ বেছ মনত আছে, হাত দুখনেৰে তলপেটটো খামুচি ধৰি মানুহটো হঠাতে ঢলি পৰিছিল। ৰক্তাবৃত দুয়োটা শৰীৰত টর্চৰ পোহৰ পেলাই তেতিয়াই ফাৰুকে নিশ্চিত হৈহে আঁতৰি গৈছিল। কিন্তু এতিয়া?

ফাৰুকে মৃতদেহটো চোঁচোৰাই ওপৰলৈ লৈ গ'ল। কৃষ্ণই গাড়ীখন কৃষ্ণচূড়াঁজোপাৰ ঠিক তলতেই ৰখাই থৈছিল।

'তই ইমান দেৰি কৰিলি! মোৰ চিন্তাই হৈছিল।' কৃষ্ণই সৰুকৈ ক'লে।

'চিন্তাৰ কথাই।' ফাৰুকে মৃতদেহটো পিছ ফালৰ ডিকিত ভৰাই উত্তৰ দিলে।

'কিহৰ চিন্তাৰ কথা কৈছ তই?'

'এটা মৃতদেহ নাই।'

'কি?'

'অঁ। গোটেইখন চলাথ কৰিলো। নাপালো। মাত্র তেজৰ চেকুৰাহে দেখা পালো।'

'তাৰমানে?'

'বোধহয় মানুহটো মৰা নাছিল। মৰাৰ ভাওহে ধৰিছিল । আমি যোৱাৰ পিছত পলাই গ'ল। অথবা........' এক মুহূৰ্ত বৈ ফাৰুকে আকৌ ক'লে 'কোনোবাই উঠাই নিলে মৃতদেহটো।'

কৃষ্ণই একো নামাতিলে।

ফাৰুকে গাড়ীখনত পুনৰ উঠি বহি লোৱাৰ পিছত সি গাড়ীখন ষ্টাৰ্ট কৰি সুধিলে - 'ক'লৈ যাম?'

'গান্ধীবস্তিৰ ৰেল লাইনলৈ ব'ল।'

৩

মনোহৰে দুবাৰ মান সেঁহাই সেঁহাই কথা ক'বলৈ চেষ্টা কৰিছিল, কিন্তু গেঙনি কিছুমানহে বাহিৰ হ'ল। দুহাতেৰে তল পেটতো খামুচি ধৰি ঠাইতে আকৌ সি ঢলি পৰিল। মুহূৰ্ততে হুৱা-দুৱা লাগি গ'ল সৰু চুবুৰিটোত। গান্ধীবস্তিৰ শৰণীয়া পাহাৰৰ পশ্চিম কোণৰ এঢলীয়া চৰকাৰী মাটিখিনিত গঢ় লৈ উঠা সৰু সৰু জুপুৰী ঘৰটোৰ পৰা এজন দুজনকৈ প্রায় পোন্ধৰজন মানুহ গোট খালে। অজ্ঞান হৈ খেৰৰ জুপুৰী ঘৰ এটাৰ পিৰালিত পৰি থকা মনোহৰক অট'ৰিক্সাখনত তুলি দুজন ধাৱমান হ'ল জি. এম. চিলৈ। হস্পিটালৰ কেজুৱেলটিৰ ডেকা চিকিৎসক জনৰ কথাষাৰেহে লগত যোৱা লোক দুজনক মুহূৰ্ততে বিস্ময়ত হতবাক কৰি তুলিলে। মনোহৰৰ পেটত গুলিয়ে আঘাত কৰিছিল! এই কথাষাৰৰ তাৎপৰ্য কি তেওঁলোকৰ জনা আছে; কিন্তু তেওঁলোক নিৰুপায়। প্রায় পাঁচ মিনিটৰ ভিতৰতে জি. এম.চি পুলিচ আউট'পষ্টৰ এ. এচ. আই এজনো আহি ওলাল। সৰু সৰু দুই এটা কথা সুধি এ. এচ. আই জন আকৌ উভতি গ'ল। মনোহৰৰ প্রকৃত চিকিৎসা এই বাৰহে আৰম্ভ হ'ল। প্রায় দহ মিনিট মান পিছত মনোহৰৰ তলপেটৰ ক্ষতস্থানত ঔষধৰ প্রলেপ এটা পৰিল। চকুও মেলি চালে এবাৰ।

'জীৱনৰ আকৌ কি হ'ল?' সেহাই সেহাই সুধিলে মনোহৰে।

'তোমাৰ লগত জীৱনো আছিল নেকি?' সুধিলে লগত অহা এজনে।

'অঁ। সিয়েই প্রথমে দেখিছিল মানুহ দুটাক। আমি 'কি কৰিছ' বুলি চিঞৰোতেই গুলি

মাৰি দিছিল আমাক......'

'জীৱনৰ গাতো গুলি লাগিছিল নেকি?'

'লাগিছিল। মই গুছি আহোতে সি উবুৰি খাই মাটিতে পৰি আছিল।'

পিছৰ সময়খিনি দ্ৰুতগতিৰে পাৰ হ'ল। এ. এচ. আইজনো আকৌ উভতি আহিল। মনোহৰৰ মুখৰ পৰা কথাখিনি শুনি তেওঁ অৱশেষত মাত দিলে 'মই পল্টন বজাৰ থানালৈ খবৰ দিব লাগিব। জীৱন বোলাজনক বিচাৰি থানাৰ পৰা পেট্ৰোলিঙৰ গাড়ী যাব। আপোনালোক পিছে গুচি নাযাব। আপোনালোকৰ ষ্টেটমেন্ট ৰেকৰ্ড কৰিব লাগিব।'

৪

দূৰৈৰ পৰা টৰ্চ লাইটৰ পোহৰৰ বিন্দুকেইটা জোনাকী পৰুৱাৰ দৰে দেখা গৈছিল। এবাৰ এঠাইত, আনবাৰ ইঠাইত সৰ্বত্ৰতে পোহৰৰ ৰেখা পেলাই ঠাইটুকুৰা পাত- পাতকৈ বিচাৰি এটা সময়ত সকলো শান্ত হৈছিল। আৰক্ষী কনিষ্টবলকেইজন লুঙলুঙীয়া কেঁচা মাটিৰ পথটোৰে ওপৰলৈ উঠি আহিল। পথৰ দাতিত ৰৈ থকা মাৰুতি জীপচীখনৰ পৰা এচ. আই উত্তম দাসে লগে লগে সুধিলে- 'কি হ'ল? দহ মিনিট লাগেনে ডেডবডি এটা বিচাৰোতে।'

'ডেডবডি নাই চাৰ! বিচাৰি চলাথ কৰিলো। অৱশ্যে.....'

'অৱশ্যে কি?'

'তেজৰ দাগহে দেখিলো। বনত লাগি আছিল।'

দাস হতবাক হ'ল। তেওঁৰ মনত খু-দুৱনি এটা উপজিল। নিজেও গাড়ীৰ পৰা নামি তললৈ গ'ল। প্ৰায় দহ মিনিট তেঁৰো পাত-পাতকৈ বিচাৰি চলাথ কৰিলে। অৱশেষত তেৰোঁ নিশ্চিত হ'ল। সময় অপব্যয় নকৰি তেঁৰো উঠি আহিল। গাড়ীখনৰ ডেস্কবৰ্ডত লগাই থোৱা ভি. এইচ. এফ. চেটটো অন কৰি তেঁৰো সংবাদটো চমুকৈ দি উঠি ক'লে- 'তেজৰ চেকুৰা ওপৰলৈ উঠি অহা পথটোত পৰি আছে। মনোহৰ বোলাজন চুবুৰীটোলৈ তলৰ আন এটা লুঙলুঙীয়া পথেৰে নামি গৈছিল। ইয়াৰ অৰ্থ এটাই হ'ব, ওপৰলৈ উঠি অহা তেজৰ চেকুৰা জীৱন বোলাটোৰ জখমৰ পৰা ওলোৱা। হয় জীৱন নিজেই উঠি গৈছিল বা কোনোবাই উঠাই লৈ গৈছিল তাক।'

'ঠিক আছে। থানাত ৰিপ'ৰ্ট কৰিব।' সিফালৰ পৰা পল্টন বজাৰ থানাৰ অ'. চিৰ মাতষাৰ ভাঁহি আহিল। উত্তম দাসে ভি. এইচ. এফৰ চেটটো আকৌ ডেস্কবৰ্ডত থৈ ড্ৰাইভাৰটোলৈ চাই ক'লে- 'থানালৈ ব'লা।'

থানাত উত্তম দাসলৈ আন এক বিস্ময়ে অপেক্ষা কৰি আছিল।

সঁচাকৈয়ে উত্তেজক আছিল খবৰটো।

অলপ আগতে চান্দমাৰী থানাৰ পৰা খবৰ আহিছে মণিৰাম দেৱান ৰোডৰ পৰা গান্ধীবস্তিলৈ সোমাই যোৱা পথটো য'ত ৰেলৰে লাইনে কটা-কটি কৰিছে, তাতে মাৰুতি ভান এখনৰ পৰা দুজন অচিনাকি লোকে মৃতদেহ এটা নমাই ৰেলৰে লাইনত পেলাই দিছিল। ওচৰতে থকা লেভেল ক্ৰছিঙৰ গেটমেনজনে দেখিছিল দৃশ্যটো। চিঞৰি দিছিল গেটমেনজনে। ওচৰতে থকা ক্লাব ঘৰটোৰ পৰাও দুজনমান যুৱক ওলাই আহিছিল। মাৰুতি ভেনখনৰ মানুহ দুজন বিবুদ্ধিত পৰি গাড়ীখন হঠাতে এৰি ফ্লাই-অভাৰৰ দিশলৈ দৌৰি অন্ধকাৰত বিলীন হৈ গৈছিল।

মৃতদেহটোৰ কপালখন ৰক্তাক্ত হৈ আছিল।

উত্তম দাসে বুজিছিল আজিৰ নিশাটো তেওঁৰ বৰ উত্তেজনাৰে পাৰ হ'ব। অথচ গধূলিতে তেওঁ পৰিকল্পনা এটা কৰি থৈছিল। এহাতত থাকিব ৰঙীন গিলাচ এটা, আনখন হাতেৰে কাৱোবাৰ লাহী ককাঁলটো খামুচি ধৰি ৰাখিব তেওঁ। পল্টন বজাৰৰ চিনাকি হোটেলখনৰ এ. চি. ৰুমটোত বন্দী হৈ ৰ'ব তেওঁ। আৰু.......

কিন্তু এতিয়া সকলো অথলে গ'ল।

যাওঁক। কোনো খেদ নাই। মনতে ভাবিলে দাসে।

৫

প্ৰায় বিশজনমান মানুহ ৰেলৰে লেভেল ক্ৰছিঙৰ মাজডোখৰত তেতিয়াও গোট খাই আছিল। প্ৰায় প্ৰতিজনেই ডেকা বয়সৰ। দুই-এজনৰ চকুৰে-মুখে তেতিয়াও উত্তেজনাৰ চাপ জিলিকি আছিল । পৰম উৎসাহেৰে এজনে ক'ব ধৰিছিল আধা ঘণ্টা আগৰ শ্বাসৰুদ্ধ ঘটনাটো। উত্তম দাসে পিছে সেইবোৰলৈ মন দিয়া নাই। ৰেল লাইনৰ দাঁতিত পৰি থকা মৃতদেহটোৰ ওপৰত টৰ্চৰ পোহৰ পেলায়ে তেওঁ আকৌ উভতি আহিল। মৃতদেহটোৰ কপালখন ৰক্তাক্ত হৈ আছিল। টৰ্চৰ পোহৰত কপালত থকা ৰক্তাক্ত সৰু বিন্ধাটো দেখিয়েই দাসে বুজি পাইছিল- এয়াই জীৱন হ'ব। মনোহৰে কোৱা জীৱন।

ঠাইখিনি চান্দমাৰী থানাৰ এলেকাৰ ভিতৰত। চান্দমাৰী থানাত এচ. আইজনে অনৰ্গল কথা কৈ থকা যুৱকজনৰ কথাখিনি টুকি থকাও উত্তম দাসৰ চকুত পৰিল। এই মুহূৰ্তত তেওঁৰ কৰণীয় একো নাই। পল্টন বজাৰ থানাৰ অ. চিয়ে তেওঁক পঠিয়াইছিল মৃতদেহটো চাই আহিবলৈ; জীৱন দাস হয় নে নহয় সুনিশ্চিত হ'বলৈ। সেইখিনি কাম তেওঁ ইয়ালৈ আহিয়েই কৰিছিল। মৃতদেহটোৰ কপালৰ সৰু জখমটোৰ বাহিৰে অন্য কোনো প্ৰমাণৰো দৰকাৰ নাই এতিয়া।

উত্তম দাসে ৰেললাইনৰ কাষেদি খোজ কাঢ়ি আহি লেভেল ক্ৰছিঙৰ গেটখনৰ ওচৰতে ৰৈ থকা মাৰুতি জীপচিখনৰ ওচৰ পালে। জীপচিখনত উঠিব খুজিও তেওঁ ৰৈ গ'ল। জীপচিখনৰ ঠিক সন্মুখত নীলা মাৰুতি ভেন এখন ৰৈ আছিল। দাস ভেনখনৰ ওচৰ চাপি গ'ল। সন্মুখৰ ড্ৰাইভিং চিটৰ দুৱোখন দৰ্জা এনেয়ে জপাই থোৱা আছিল। উত্তম দাসে দৰ্জা এখন খুলি ভিতৰলৈ টৰ্চৰ পোহৰ পেলায়ে সিঁয়ৰি উঠিল। ভিতৰখনত তেজৰ চেকুৰা য'তে ততে পৰি আছিল। দাসে বুজি পালে সেয়া জীৱন বোলাজনৰেই তেজ। মনোহৰে কোৱা জীৱন।

কিন্তু......

দাসৰ মনত খেলি-মেলিৰ ভাবৰ উদয় হ'ল। নিচেই সৰু ঘটনা এটা।কোন বুলি চিএৰি দিয়াৰ অপৰাধতে গুলি মাৰি দিয়াটো অৱশ্যে নিচেই সামান্য ঘটনা নহয়; কিন্তু তাতোকৈয়ো গুৰুতৰ কথা হ'ল, মৃতদেহটো শৰণীয়া পাহাৰৰ পৰা তুলি আনি ৰেল লাইনত পেলাই দিব

খোজাটোহে ! দাসৰ মনত অস্থিৰতা বাঢ়ি আহিছিল। টৰ্চৰ পোহৰ এইবাৰ গাড়ীৰ ডেক্সবৰ্ডত পেলাওঁতে দাস চমকি উঠিল। সৰু মোবাইল ফোন এটা। লগত আছে সৰু নোটবহী এখন। দাসে বুটলি ল'লে মোবাইল ফোনটো আৰু নোটবুকখন।

দাসৰ ওঁঠত ক্রুৰ হাঁহিৰ ৰেখা এডাল ফুটি উঠিল।

অৱশেষত সূত্র এটা পালে।

দাসে নিজৰ গাড়ীখনলৈ বুলি উভতি আহিল। তেওঁক দেখি ড্রাইভাৰজনে সুধিলে- 'ক'লৈ যাম ছাৰ? থানালৈ নে......'

'থানালৈ নহয়। ৰিলায়েন্স মোবাইল ফোনৰ অফিচলৈ।' দাসে নিজৰ চিটত বহি লৈ ক'লে।

ড্রাইভাৰজনে ইঞ্জিন ষ্টাৰ্ট কৰি উত্তম দাসলৈ চাই পঠিয়ালে। আগেয়ে ৰাতিৰ কৰ্তব্যৰ ফাঁকে ফাঁকে আধা ঘণ্টাৰ বিৰতি এটা পালেই উত্তম দাসে দৌৰ মাৰে পল্টন বজাৰৰ ছয় মহলাৰ সেই হোটেলখনলৈ, য'ত তেওঁ ৰমণীয়ভাৱে কটাব পাৰে কেইটামান ৰঙীণ মুহূৰ্ত; কিন্তু আজি? ড্রাইভাৰজনে পিছে প্রশ্ন নকৰিলে।

সময়ৰ গতি যে ইমান দ্রুত হ'ব পাৰে উত্তম দাসৰ সপোনৰো আগোচৰ আছিল। যিটো কাম এক টিলিকতে হ'ব বুলি ভাবিছিল সেই কামটো শেষ হওঁতে সম্পূর্ণ দুঘণ্টা লাগিল। দাসে ভাবিছিল সৰু নোটবহীখনত থকা মোবাইল ফোনৰ নম্বৰ কেইটা হাতত পৰিল যেতিয়া গৰাকীৰ পৰিচয় উলিওৱাটো অতিশয় উজু হৈ পৰিব। প্রথম ঘণ্টাটো মোবাইল ফোনৰ অফিচ আৰু চকীদাৰক বিচাৰি আৰু শেষত মেনেজাৰক টোপনিৰ পৰা জগাওঁতেই পলকতে পাৰ হৈ গ'ল। পিচৰ কামখিনি শেষ কৰোঁতে আৰু এক ঘণ্টা টিলিকতে উৰি গ'ল। ডায়েৰীখনত মুঠ সাতটা মোবাইল ফোনৰ নাম্বাৰ আছিল। আচৰিত ভাৱেই প্রতিটো ফোনেই ইছু কৰা হৈছিল গুৱাহাটী ফাইনেন্সিয়েল ইনভেষ্টমেন কোম্পানীৰ নামত। ঠিকনাও এটাই, বেলতলা। নামটো শুনিয়েই দাসৰ খু-দুৱনি আৰম্ভ হৈছিল। তেওঁৰ স্পষ্ট মনত আছে, দুসপ্তাহমান আগতে তেনেকুৱা এটা নামৰ থলুৱা বেংকিং প্রতিষ্ঠান আৰম্ভ হোৱাৰ বাতৰি। পল্টন বজাৰৰ দুই এখন হোটেলত পইচা ইনভেষ্ট হোৱা বুলিও তেওঁ শুনিছিল। আনকি তেওঁৰ চিনাকি হোটেলখনেও ঋণ লৈছিল। আজি কালিৰ দিনত ইমান সহজে ঋণ পোৱাৰ নজিৰ ক'তো নাই। এইযাৰ কথা ধুমুহাৰ দৰে বিয়পিছিল।

উত্তম দাসে তাৰ পিছত আৰু পলম নকৰিলে।

প্রায় বিশ মিনিটমানৰ ভিতৰতে দাসৰ জীপচিখন উল্কা বেগেৰে বেলতলা চাৰি আলি পালেহি। নিশা এক বাজিবলৈ তেতিয়া মাত্র কেইটামান মিনিটহে বাকী আছিল। সদ্যব্যস্ত চাৰিআলিটো মৰিশালীৰ দৰে পৰি আছিল। দাসে চাৰিআলিটোৰ উত্তৰ কোণত থকা তিনি মহলীয়া বিল্ডিঙটোৰ চাইনব'ৰ্ডখন পঢ়ি চাই নিশ্চিত হ'ল, তেওঁ সঠিক ঠিকনাতে ভৰি দিছে।

'ৰামনাৰায়ণ!' দাসে মাত দিলে।

জীপচিখনৰ পিছফালৰ পৰা কনিষ্টবল এজন নামি আহিল।

'ভিতৰলৈ গৈ চকীদাৰটোক মাতি আন।'

ৰামনাৰায়ণ বোলাজন আঁতৰি গ'ল। উত্তম দাসে চিগাৰেট এটা জ্বলাই ল'লে। তেওঁৰ মগজুত এসোপা চিন্তা গোট খাইছে। আউসীৰ অন্ধকাৰৰ মাজত তেওঁ মাথোঁ এটা চাকিৰ পোহৰকণৰ সমান সামান্য ৰেঙণি এছাটি দেখা পাইছে। কিন্তু সেয়াই যথেষ্ট নহয়।

বেছ কিছু পৰৰ পিছত ৰামনাৰায়ণ অকলশৰে উভতি অহা দেখি দাসে হুংকাৰ দিলে 'কি হ'ল? চকীদাৰটো নাপালি নেকি?'

'বাহিৰৰ দৰ্জাখনত প্ৰকাণ্ড টলা এটা ওলমি আছে।'

'মুৰ্খ! এই ৰাতিখন তলা মাৰা নাথাকি দৰ্জা খোলা থাকিব নেকি? তোক মই চকীদাৰকহে চাবলৈ কৈছিলো। পালি নে নাই?' দাসে আকৌ এবাৰ ধমকি দি সুধিলে।

'চকীদাৰ বোলে নাই! কাষৰ পি. চি. অ' এটাৰ মানুহ এটাই কৈছে, ৰাতিপুৱা দহমান বজাতে বাইদেউ এজনী আহে; তেওঁৰ হাততে দৰ্জাৰ চাবি থাকে.....'

'ৰাতিপুৱালৈ মই বৈ থাকিব নোৱাৰো। আকৌ এবাৰ খবৰ লৈ আহ বাইদেউজনীৰ নাম আৰু ঠিকনা।'

ৰামনাৰায়ণ আকৌ উভতি গ'ল।

এইবাৰ খোজ দি নহয়, দৌৰি।

৬

'কোন?'

'আমি পুলিচ। পল্টন বজাৰ থানাৰ পৰা আহিছো। দৰ্জাখন খোলক।'

পুৰণি আছাম টাইপ ঘৰটোৰ দৰ্জাখন এইবাৰ ঈষৎ মেল খালে। ভয়াৰ্ত চাৱঁনিৰে বয়সীয়াল মানুহ এজনে দৰ্জাখনৰ ফাঁকটোৰে মুখখন উলিয়াই সুধিলে 'কাক বিচাৰিছে?'

'বৰ্ণালী বৰা আপোনাৰ.......'

'মোৰেই ছোৱালী। কিন্তু তাইক এই ৰাতিখন.......'

'প্ৰয়োজন হৈছে। মাতি দিয়কচোন।' কথাষাৰ কৈ মানুহজনলৈ অলপো ভ্ৰুক্ষেপ নকৰি এচ. আই উত্তম দাসে দৰ্জাখনৰ ফাঁকেৰে ভিতৰলৈ সোমাই আহিল। পুৰণি বেতৰ চোফাচেটৰ এজনীয়া চোফাএখনত বহি লৈ উত্তম দাসে এইবাৰ আগতকৈয়ো হুতা মাতেৰে ক'লে 'সোনকালে মাতি দিয়ক।'

মানুহজনে আৰু কিবা এষাৰ ক'বলৈ ওলাইছিল; কিন্তু দাসৰ মুখৰ অভিব্যক্তিয়ে নিৰীহ মানুহজনক ভয়তে পেপুৱা লগাই দিলে। তেওঁ একো নোকোৱাকৈয়ে ভিতৰলৈ সোমাই

গ'ল। দাসে জানে মাজনিশা ঘৰলৈ পুলিচ অহাটো কোনেও সহজভাৱে ল'ব নোৱাৰে; কিন্তু তেওঁ নিৰুপায়।

কিছু সময় পিছত ভিতৰৰ কোঠাৰ পৰ্দা ঠেলি তিনিজন লোক সোমাই আহিল। এজন বয়সীয়াল লোক, লগত এগৰাকী প্ৰৌঢ়া আৰু প্ৰায় পচিশ বছৰীয়া যুৱতী এগৰাকী। যুৱতীক দেখিয়েই দাসৰ মনটো দমি গ'ল। নিশকতীয়া চেহেৰাৰ যুৱতীলৈ চাই দাসে সুধিলে- 'আপুনিয়েই বৰ্ণালী বৰা ?'

'অঁ।'

'গুৱাহাটী ফাইনেন্সিয়েল ইনভেষ্টমেন কোম্পানীত আপুনি কাম কৰে ?'

'অঁ।' আকৌ চমুকৈ সঁহাৰি দিলে যুৱতী গৰাকীয়ে।

'চাওঁক।' উত্তম দাসে কোনো পাতনি নেমেলাকৈ পোনছাটেঁই ক'লে 'ৰেইড এটা কৰোতে আমি এখন নোট বহী পাইছিলো। তাতে সাতটা মোবাইল ফোনৰ নম্বৰ লিখা আছিল। প্ৰত্যেকটোৱে আপোনালোকৰ কোম্পানীৰ।' দাসে এখন্তেক নীৰৱে ৰৈ তিনিওজনৰ মুখৰ ভাৱান্তৰ লক্ষ্য কৰি হঠাতে মাতটো যথেষ্ট গহীন কৰি ক'লে - 'আপোনালোকৰ কেম্পানীটোৱে যে ইল্লিগেল কাম কৰি থাকে আমি আগতেই সন্দেহ কৰিছিলো। আজি প্ৰমাণ পালো।'

'কিন্তু এই কোম্পানীৰ কামত সোমোৱা মোৰ এমাহো হোৱা নাই।'

'জানো। মই মাত্ৰ কেইটামান কথা সুধিবলৈহে আহিছো।'

'সোধক।'

'কেইজন এমপ্লয়ী আছে কোম্পানীটোত ?'

'অফিচত মই, মেনেজাৰ ছাৰ আৰু একাউণ্টেণ্ট। বচ এই তিনিজনেই। ফিল্ডত অৱশ্যে কেইজন এজেণ্ট আছে ক'ব নোৱাৰো। ছাৰেহে ক'ব পাৰিব।'

'কোন ছাৰ ? মেনেজাৰ ?'

'অঁ।' বৰ্ণালীয়ে সঁহাৰি দিলে।

'ক'ত থাকে তেওঁ ? আৰু নামটো ?'

'নামটো প্ৰবাল কাকতি; কিন্তু ক'ত থাকে নাজানো। আচলতে........' বৰ্ণালীয়ে মাতটো এইবাৰ যথেষ্ট সৰু কৰি ক'লে- 'মই অফিচ, কোম্পানীৰ কথা একোৱেই নাজানো। ৰাতিপুৱা দহ বজাত গৈ অফিচ খোলো। অফিচত থকা সময়ত কম্পিউটাৰৰ কাম চম্ভালো। ইয়াৰ বেছি মই একোৱেই নাজানো।'

'তাই ঠিকেই কৈছে। বিশ্বাস কৰক।' বৰ্ণালীৰ মাকে জীয়েকৰ সমৰ্থনত এইবাৰ মাত লগালে 'কিবা যদি গণ্ডগোল লাগিছে তাই কালিলৈ কাম এৰি দিব। পাঠক ডাঙৰীয়াইহে এই কামটোত তাইক সুমুৱাই দিছিল।তেওঁকে ধৰিব লাগিব কি কামতনো........'

'ৰ'ব....... ৰ'ব....... কোন পাঠক ডাঙৰীয়াৰ কথা কৈছে মই নুবুজিলো।'

'হৰেণ পাঠক। বিহাবাৰীত থাকে।' এইবাৰ বৰ্ণালীৰ দেউতাকে মাত দিলে।

'ফ্ৰীদম ফাইটাৰ যে আছিল সেইজনৰ কথাকে কৈছেনে?'

'অঁ, আপুনি ঠিকেই ধৰিছে। তেওঁৰ ঘৰৰ তলৰ তলাত কম্পিউটাৰ ট্ৰেইনিং চেণ্টাৰ এটা আছে। বৰ্ণালীয়ে তাতেই ট্ৰেইনিং লৈছিল। তেওঁ তাইক খুব ভাল পাইছিল। মৰম কৰিছিল। তেৱেঁই এই কামটোৰ কথা তাইক ক'লে। দৰমহাও ভাল। আমিও তেখেতে কোৱা কাৰণেই.....'

উত্তম দাস বহাৰ পৰা হঠাতে উঠি থিয় হ'ল।

'মই যাওঁ। অহাকালি ৰাতিপুৱা আপোনাক কোম্পানীৰ অফিচত লগ পাম।'

উত্তম দাস ধুমুহাৰ দৰে আহি আকৌ ধুমুহাৰ দৰে উভতি গ'ল। তেওঁ যোৱাৰ পিছতো বহুপৰলৈ ঘৰটোৰ তিনিওটা প্ৰাণী ঠাইতে স্থবিৰ হৈ ৰ'ল। তিনিওজনৰ মস্তিস্কত ভিন ভিন চিন্তাৰ টৌৱে খেলি-মেলি লগাই দিলে। তাৰ মাজতে বৰ্ণালীয়ে দেউতাকলৈ চাই মাত দিলে - 'দেউতা!'

দেউতাকে তলমুৰটো ওপৰ কৰি জীয়েকলৈ চালে।

'তুমি মোৰ লগত এঠাইলৈ যাব পাৰিবানে।'

'এই ৰাতিখন?'

'অঁ।'

'কিন্তু ক'লৈ?' দেউতাকে বিবুদ্ধিত পৰি সুধিলে।

'পি. চি. অ' এটালৈ। পাঠক ছাৰলৈ ফোন এটা কৰিব লাগিব। আৰু.......'

'আৰু কি?'

'আমাৰ ছাৰলৈকো ফোন এটা কৰিব লাগিব।'

'ছাৰ মানে তহঁতৰ মেনেজাৰ?'

'অঁ।' বৰ্ণালীৰ চুটী উত্তৰ। দেউতাকে পিছে আৰু একো প্ৰশ্ন নকৰিলে। দেউতাক ভিতৰলৈ সোমাই গ'ল কাপোৰ সলাবলৈ। মাকে বৰ্ণালীৰ মুখলৈ চাই এইবাৰ ফুচফুচাই মাত দিলে - 'বৰ্ণালী!'

'কি হ'ল মা?'

'তই দেখোন পুলিচৰ দাৰোগাজনক একো নক'লি!'

'কি নক'লোনো?'

'কিয়, তই জানো যোৱাকালি কোৱা নাছিলি যে কোম্পানীটোৰ কাম-কাজ তোৰ অকণো ভাল লগা নাই! কামবোৰ সন্দেহজনক। কোনোবা উগ্ৰপন্থী সংগঠনৰ লগত লেটি-পেটি থাকিব পাৰে বুলি তয়েতো মোক কৈছিলি!'

'কৈছিলো।'

'তেন্তে?'

বৰ্ণালীয়ে একো উত্তৰ নিদিলে। তাইয়ো দোধৰ-মোধৰত পৰিছিল। কি উত্তৰ দিব তাই? দেউতাকৰ চেণ্ডেলৰ শব্দ শুনি তাই মাথোঁ মাকক সান্ত্বনা দিবলৈ ক'লে - 'তুমি চিন্তা নকৰিবা মা।'

৭

বহুপৰলৈ হৰেণ পাঠক নিঃশ্চুপ হৈ নিজৰ ড্ৰইং ৰুমৰ চোফাখনতে বহি ৰ'ল। আশী বছৰ বয়স হৈছে তেওঁৰ। দেশৰ কাৰণে ইংৰাজৰ লগত তেওঁ এসময়ত যুঁজিছিল। আজাদ হিন্দ ফৌজৰো সৈনিক আছিল তেওঁ। পিছতো তেওঁৰ যুঁজাৰু মনটো ক্ষান্ত হোৱা নাছিল। সময়ৰ লগে লগে খোজ মিলাই চলিছিল তেওঁ। সময়ৰ দাবী হিচাপেই জীৱনৰ ভাটি বয়সত নিজেই কম্পিউটাৰ চফ্টৱেৰ ট্ৰেইনিঙ স্কুল এখন খুলিছিল। তেওঁ মনে প্ৰাণে বিচাৰিছিল অন্ততঃ স্ব-নিৰ্ভৰশীল কেইজনমান যুৱক ওলাওঁক। দহজনৰ মাজত তেওঁৰ সুনামো হৈছিল। মেলে-মিটিঙে প্ৰায়ে যাব লগা হৈছিল। তেনেকৈয়ে এদিন যুৱক এজন আহিছিল নিজৰ বিত্তীয় প্ৰতিষ্ঠানটোৰ কম্পিউটাৰ চফট্ৱেৰ কামত। প্ৰথম চিনাকিতে তেওঁ মুগ্ধ হৈছিল। নামমাত্ৰ নিৰিখতে কোম্পানীটোৰ চফট্ৱেৰৰ কামখিনি কৰাই দিছিল। আনকি তেওঁৰ ট্ৰেইনিং চেণ্টাৰৰ আটাইতকৈ ভাল ছোৱালীজনীকে কোম্পানীটোত সুমুৱাই দিছিল। মনে প্ৰাণে তেওঁ বেছ উৎসাহবোধ কৰিছিল।

অন্ততঃ এজন যুৱক ওলাইছে নিজেই নিজৰ ভৱিষ্যত গঢ়িবলৈ।

কিন্তু অলপ আগতে অহা টেলিফোন এটা আৰু তাৰ ঠিক পিছতে অহা পল্টন বজাৰৰ থানাৰ এচ. আইজনে সমস্ত উৎসাহ উদ্দীপনা নিঃশেষ কৰি দিলে। মাজ নিশা টোপনিৰ পৰা সাৰ পাই প্ৰতাৰিত হোৱা খবৰটোৱে তেওঁক বিমৰ্ষ কৰি তুলিছিল। উত্তম দাস ওলাই যোৱাৰ পিছতো তেওঁ বহুপৰলৈ নিঃশ্চুপ হৈ বহি ৰৈছিল।

'ককা!'

'হুঁ!' নাতিনীয়েক ৰুবীৰ মাতত উচপ খাই উঠি পাঠকে মাত দিলে। একমাত্ৰ নাতিনীয়েক ৰুবীকলৈ তেওঁৰ সৰু পৰিয়াল। পত্নী কেতিয়াবাই ঢুকাল। চাকৰিৰ সূত্ৰে পুতেক-বোৱাৰীয়েক থাকে কোকৰাঝাৰত। সেয়েহে বিশ বছৰীয়া ৰুবী তেওঁৰ লগত থাকিয়েই পঢ়ি আছে।

ৰুবী তেওঁৰ কাষৰ চোফাখনত বহি লৈ আকৌ মাত দিলে- 'এটা কথা সোধো ককা?'

'সোধ।'

'তুমি পুলিচ অফিচাৰজনক একোৱেই নক'লা। অন্ততঃ সেই মানুহজনৰ কথা যিখিনি জানিছিলা তাকেইতো ক'ব পাৰিলাহেতেঁন।'

'পাৰিলোহেতেঁন। কিন্তু কৈ একো লাভ নহ'ব। পুলিচে একো উলিয়াব নোৱাৰে। সিহঁত মূৰ্খ। শুন' পুলিচে গম পাব লাগিছিল মাজনিশা দুজন যুৱকে পানীৰ ৰিৰ্জাভাৰ এটাত

অকাৰণতে গাত খান্দিব নাযায়। নিশ্চয় বোমাৰেই উৰুৱাই দিবলৈকে সিহঁতে বুদ্ধি কৰিছে। পুলিচে সেইটো দিশলৈ মনেই দিয়া নাই।' হৰেণ পাঠকে একে উশাহে কথা কেইযাৰ কৈ ৰুবীলৈ চাই পুনৰ মাত দিলে- 'মই ঠিক কৰিছো, এইবাৰ ময়ো হাতে কামে লাগিবৰ হ'ল।'

ৰুবীয়ে অবাক বিস্ময়েৰে ককাকলৈ চালে।

'তুমি এই বয়সত কাৰ লগত যুঁজিবা? তাকো অকলে?' ৰুবীয়ে সুধিলে।

'অকলে নহয়। ভৱেশ ৰাভাকো লগত ল'ম। পাহৰিলি নেকি তেওঁক? মোৰ লগতেইতো এসময়ত ইংৰাজৰ বিপক্ষে যুঁজিছিল। বয়স হ'লে কি হ'ব; এতিয়াও তেওঁৰ দেহত অপাৰ বল আছে। যুঁজাৰু মন এটাও আছে।' কথাষাৰ কৈ হৰেণ পাঠক বহাৰ পৰা উঠিল।

ৰুবীয়েও বহাৰ পৰা উঠি থিয় হ'ল।

'ৰুবী! পৰহি যে মোৰ ৰিভলভাৰটো তোক চাফা কৰি থব দিছিলো আগৰ ঠাইতে থৈছিলিনে?'

৮

'তাৰমানে আকৌ আপুনি যুঁজিবলৈকে ওলাই আহিছে?' সুধিলে ভৱেশ ৰাভাই।

'অঁ। থানাৰ এচ আইজন যোৱাৰ পিছত আধাঘণ্টামান বহু ভাবিলো। তাৰ পিছত ঠিক কৰিলো, দেশৰ ধ্বংস আনিব খোজাকেইটাক মইহে উলিয়াব পাৰিম। পুলিচে নোৱাৰে।'

'কিন্তু কেনেকৈ বিচাৰি উলিয়াব? একোৱেই নাজানো সিহঁতৰ কথা!'

'সিহঁতৰ কথা আপুনি-মই বিশেষ নাজানো সঁচা কথা; কিন্তু বৰ্ণালীয়ে জানে।'

'বৰ্ণালী! আপোনাৰ ট্ৰেইনিং চেণ্টাৰৰ ছোৱালীজনী!!'

'অঁ। তাই মোক ফোন কৰিছিল।'

'কিন্তু.....'

'এতিয়া চিন্তা কৰি একো লাভ নাই। দেশৰ মুক্তি বিচাৰি এসময়ত যুঁজিছিলো। এতিয়াও যুঁজিব লাগিব দেশ ৰক্ষাৰ বাবে। পাৰ্থক্য মাথোঁ সিমানেই।'

ৰাভাই আৰু একো নুসুধি থিয় হ'ল।

অৱশেষত তেওঁ মাত দিলে - 'ৰিভলভাৰটো লওঁনে?'

৯

পাঠকৰ এম্বেচাদৰখন পুৰণি; কিন্তু আপডাল ভাল। বেচ মৰমেৰে ৰাখে। অইন দিনাখন গাড়ীখন চলাবলৈ হ'লে পাঠকৰ মনত বেচ বিৰক্তি ওপজে। আজি কিন্তু তেওঁ অকণো বিৰক্তি অনুভৱ কৰা নাই। সেই চল্লিশৰ দশকতে নিশা পাহাৰীয়া পথত গাড়ী চলোৱাৰ স্মৃতিয়ে তেওঁক খুন্দিয়াই যাব ধৰিলে। তেওঁৰ ইকাষে বহি যোৱা ভৱেশ ৰাভাও নিৰ্বিকাৰ, মুখখনত ভাৱলেশহীন চাৱনি এটা। ষ্ট্ৰীট লাইটেৰে উজলি থকা মাজ নিশাৰ আলিবাটৰ দূৰ-

দুৰণিলৈ তেওঁ চাই আছে।

'কি ভাবিছে ৰাভা?' সুধিলে পাঠকে।

'মই?'

'অঁ। একান্তমনে সমুখলৈ চাই আছে, অথচ মুখত একো কথা নাই।'

'বিশেষ একো ভবা নাই। অৱশ্যে চিন্তা হৈছে। হ'বৰ কথাই। আজিৰ পৰা প্ৰায় পছপন্ন বছৰ আগতেই শত্ৰুক দেখিলেই গুলি মাৰিছিলোঁ; কিন্তু এতিয়া কি কৰিম? পুলিচক জনাম? নে আমিয়েই......'

'পুলিচক জনাবলৈ গ'লে চৰাই উৰি যাব।'

'তেন্তে?' ৰাভাই বিপাঙত পৰি সুধিলে।

'ৰিভলভাৰটো অনা নাই জানো? সেইটোৰ উচিত ব্যৱহাৰ কৰিব লাগিব।'

'মই আকৌ অইন ধৰণেহে ভাবিছিলো। অৱশ্যে আপোনাৰ কথাই মোৰ বাবে আদেশ।' পাঠকে হাঁহিলে।

গাড়ীখন তেতিয়া গণেশগুৰি চাৰিআলিটোৰে কাহিলীপাৰাৰ ফালে গতি লৈ এটা সময়ত সৰু গ'লি এটাৰে সোমাই গ'ল। পুৰণা আছাম টাইপৰ সৰু ঘৰ এটাৰ সম্মুখত গাড়ীখন ৰখাই পাঠকে ক'লে- 'বৰ্ণালীৰ ঘৰ পালোঁহি।'

দুয়ো গাড়ীৰ পৰা নামি গেটখন খুলি ভিতৰলৈ সোমাই গ'ল।তেওঁলোক কলিং বেল বজাব নাপালেই, দৰ্জাখন খুলি দিগম্বৰ বৰাই মুখখন উলিয়াই ক'লে - 'আমি আকৌ পুলিচ বুলিহে ভাবিছিলো। আহক ভিতৰলৈ। মই বৰ্ণালীক মাতি দিওঁ।'

দুয়ো ভিতৰৰ দুজনীয়া চোফা এখনত বহি ল'লে। খন্তেক পিছত বৰ্ণালীও সোমাই আহিল, লগত মাক। পাঠকে কিন্তু আচৰিত কাম এটা কৰিলে। 'মোৰ বৰ্ণালীৰ লগত আছুতীয়া কথা আছে' বুলি বৰ্ণালীক ভিতৰৰ কোঠাটোলৈ লৈ গ'ল। ৰাভা আচৰিত হৈছিল ; কিন্তু আৰু বেছি বিস্ময় অনুভৱ কৰিলে যেতিয়া পোন্ধৰ মিনিটমান পিছত পাঠক আকৌ ড্ৰইং ৰুমটোলৈ সোমাই আহি ক'লে - 'ৰাভা ব'লক।'

ৰাভাই ক'লৈ বুলি সুধিব খুজিছিল, কিন্তু নুসুধিলে।

তেওঁ একেকোবে বহাৰ পৰা উঠি থিয় হ'ল।

'বলক।'

১০

'মই বৰ্ণালীক আজি এবছৰৰ পৰা জানো। দেখাত নিশকতীয়া ছোৱালীজনী; কিন্তু ভিতৰি ভিতৰি বেচ চোকা। তাই কামত সোমোৱাৰ প্ৰথম সপ্তাহটোতে কোম্পানীটোৰ ফিল্ড এজেণ্ট কেইটাৰ কাম-কাজৰ ওপৰত সন্দেহ উপজিছিল। ক'ৰ টকা ক'ৰ পৰা আহিছে, কলৈ

গৈছে তাই উৰাদিহ পোৱা নাছিল। মাথোঁ গম পাইছিল কোম্পানীয়ে পল্টন বজাৰৰ হোটেলকেইখনৰ নামত প্ৰায় এক কোটি টকা খটুৱাইছে। কিহৰ কাৰণে ইমানসোপা টকা খটুৱা হৈছে তাই নাজানে। হোটেল কেইখনৰ সংখ্যাহে তাই জানে। মাত্ৰ ১২ খন হোটেল; কিন্তু নামকেইটা তাই নাজানে।' পাঠকে গাড়ীখন খৰকৈ চলাই থাকিয়েই কৈ গ'ল 'সন্দেহ উপজিলেও বৰ্ণালীয়ে বিশেষ একো চিন্তা কৰা নাছিল; কিন্তু পৰহি তাই ফাৰুক আলি আৰু কৃষ্ণ দাস বোলা দুজন ফিল্ড এজেণ্টক মেনেজাৰজনে বেলতলাৰ নেচনেল হাইৱেৰ কাষৰ 'ওৱেৰ হাউচ' এটাৰ পৰা কনচাইনমেণ্ট এটা ডেলিভাৰি লৈ ৰাতিৰ ভিতৰতে কামটো শেষ কৰিবলৈ কোৱা শুনিছিল। অৱশ্যে আৰ. ডি. এক্স, পানীৰ ৰিজাৰ্ভাৰ, শৰণীয়া পাহাৰ.... এনেকুৱা ধৰণৰ কেইটামান শব্দ স্পষ্টকৈ শুনা পাইছিল ।তাই তেতিয়া বুজিছিল কোম্পানীটো আচলতে ভুৱা, আচল উদ্দেশ্য বেলেগ।'

'তাই লগে লগে আপোনাক খবৰ দিব লাগিছিল।' ৰাভাই মাত দিলে।

'তাই সেইবুলিয়ে ভাবিছিল; কিন্তু শেষ মুহূৰ্তত ঠিক কৰিলে অন্ততঃ এমাহমান ক'ৰ পানী ক'লৈ যায় চোৱাই ভাল হ'ব। তাতে আকৌ চাকৰিৰ প্ৰতি মোহ এটা সকলোৰে থাকে। তাইৰো আছে। দুখীয়া ছোৱালী।'

'বুজিলো।' ৰাভাই সৰুকৈ ক'লে।

'আজি ৰাতিৰ এই ঘটনাটোৱে তাইৰ সকলো সন্দেহ সঁচা প্ৰমাণিত কৰিলে। তাই কিন্তু এটা বৰ সাহসৰ কাম কৰিলে। পুলিচৰ হাতত যি সাতটা মোবাইল ফোন নম্বৰ আছে, সেইকেইটা আচলতে ফিল্ড এজেণ্ট কেইজনৰ হাততহে আছে। পুলিচেও খবৰ লৈছে, কিন্তু ন'-ৰিপ্লাই। আনহাতেদি, তাই জানে মেনেজাৰৰ নামত থকা মোবাইল নম্বৰটো পুলিচৰ হাতত পৰা নাই। তাই ঠিক কৰিলে মেনেজাৰক এবাৰ কন্‌টেক্ট কৰাটো উচিত হ'ব।সেইমতে তাই কৰিলেও। পিছে মেনেজাৰজনে সকলো কথা শুনি ক'লে যে তাই যেন দুনাই আৰু ফোন নকৰে।'

'কিয়?' ৰাভাই সুধিলে।

'কিয় তাই নুসুধিলে।মেনেজাৰৰ এটাই কথা। ফাৰুক বা কৃষ্ণ বোলা এজেণ্ট দুজনে যদি ফোন কৰে বা তাইক লগ পায় বা তাইক লগ ধৰিব আহে, তেতিয়া দুয়োজনকে পল্টন বজাৰলৈ আহিব ক'ব লাগে। তাকো আজিৰ নিশাৰ ভিতৰতে। এইখিনি কৈয়ে ফোনটো থৈ দিলে মেনেজাৰজনে। তাই পুনৰ এবাৰ ফোন কৰিছিল; কিন্তু ন'-ৰিপ্লাই।'

'তেতিয়াহ'লে আমিও পল্টন বজাৰলৈ গৈ আছো। নহয়নে?'

'ঠিক ধৰিছে আপুনি।' পাঠকে সমিধান দিলে।

'কিন্তু কেনেকৈ বিচাৰি উলিয়াব? পল্টন বজাৰ এটা বিৰাট এলেকা।'

'জানো পল্টন বজাৰ এটা বিৰাট এলেকা; কিন্তু আমাৰ হাতত এটা সূত্ৰ আছে। মনত

ৰাখিব মেনেজাৰজনে আজিৰ নিশাৰ ভিতৰতে ফিল্ড এজেণ্ট দুজনক বিচাৰিছে। তেওঁ হয়তো চাৰিওফালে খবৰ দিছে। মোৰ বোধেৰে দুয়োজনেই নিশ্চয় খবৰ পাবই আৰু তেওঁলোক পল্টন বজাৰলৈ আহিবই। কিন্তু ক'লৈ? এই প্ৰশ্নটোৰ উত্তৰ এটাই। সেই হোটেল কেইখনত, যি কেইখনত কোম্পানীৰ টকা ইনভেষ্ট হৈছে।'

'নাম জানো জানে?'

'বৰ্ণালীয়ে নাজানে। গতিকে ময়ো নাজানো।' পাঠকে উত্তৰ দিলে।

'তেন্তে?' ৰাভাই আচৰিত হৈ সুধিলে।

'শুনক।' পাঠকে গাড়ীৰ গতিবেগ আৰু অলপ বঢ়াই কৈ গ'ল- 'এতিয়া নিশা তিনি বাজিছে। আৰু দহ মিনিটৰ ভিতৰত আমি পল্টন বজাৰ পামগৈ। আমি সেইখিনি পাওঁমানে নাইট চাৰ্ভিচৰ বাছবোৰো গোট খাবলৈ আৰম্ভ কৰিব। অসংখ্য মানুহ হ'ব জি. এছ. ৰোডৰ দুয়ো কাষৰ টুৰিষ্ট বাছৰ কাউণ্টাৰবোৰত। কিছুমান গোট খাব হোটেলবোৰত। আমিও প্ৰত্যেক কেইখনতে চকু দিম। সুবিধা আমাৰ এটাই। আমাক কোনেও নাজানে। গম পাব নোৱাৰে আমি কি বিচাৰিছো। তদুপৰি আমাৰ বয়সটোৱে আমাৰ একমাত্ৰ অস্ত্ৰ। কোনেনো বাৰু সন্দেহ কৰিব যে পয়সত্তৰ আৰু আশী বছৰীয়া দুজন মানুহে দেশৰ বাবে আকৌ যুঁজিবলৈ ওলাইছে?'

১১

জি. এছ. ৰোডটো তেতিয়া নিঃসাৰ হৈ পৰি আছে। মাজে মাজে হো-হোৱাই নৈশ সেৱাৰ বাছবোৰ অহা-যোৱা কৰি আছে। নিশা তিনিটা বাজি গৈছে এতিয়া। আৰু পঞ্চল্লিশ মিনিটৰ ভিতৰতে সমগ্ৰ এলেকাতো বিভিন্ন যাত্ৰীৰে ভৰি পৰিব। সাৰ পাই উঠিব পল্টন বজাৰ।

পাঠকে গাড়ীৰ গতিবেগ লাহে লাহে কমাই আনিছে। উলুবাৰী চাৰিআলিটো পাৰ হৈ কিছুদুৰ যোৱাৰ পিছতে ৰাভাই হঠাতে গাড়ীখন ৰখাবলৈ ইংগিত দিলে। পাঠকে গাড়ীখন ৰখাই উদগ্ৰীৱ হৈ সুধিলে- 'কি হ'ল ৰাভা?'

'এই খিনিতে মোৰ ডাঙৰ ল'ৰাটোৰ বন্ধু এজনে অলপতে ৰেষ্টুৰেণ্ট এখন খুলিছিল, লগত বাৰ এখনো আছিল। ৰাস্তাটোৰ বাওঁহাতে, ঠিক অপসৰা হলটোৰ সন্মুখা-সন্মুখি।'

'সৌখন নেকি?' আঁতৰৰ চাইনবোৰ্ড এখনলৈ আঙুলিয়াই দি পাঠকে সুধিলে।

'হ'ব পাৰে। কিন্তু সেইখন বন্ধ হৈ আছে।'

'ভিতৰত নিশ্চয় কোনোবা থাকিব। অন্ততঃ বাৰ মেনজন।'

ৰাভাই গাড়ীৰ পৰা নামি পুনৰ ক'লে- 'আপুনি এখন্তেক ৰওঁক। মই খবৰ কৰি আহো।' ৰাভাই পাঠকৰ উত্তৰলৈ বাট নাচাই খোজ পেলালে।

পাঠক নীৰৱে ৰ'ল।

কেইটামান মুহূৰ্ত তেনেকৈয়ে পাৰ হ'ল। প্ৰথম পাঁচ মিনিট তড়িৎ গতিৰে পাৰ হৈ

গ'ল। ইয়াৰ পিছত ঘড়ীৰ কাঁটা যিমানেই আগবাঢ়িব ধৰিলে, পাঠকৰ বুকুৰ ঢপ্‌ঢপনিও সিমানেই বাঢ়ি আহিব ধৰিলে। বহু কেইখন পল্টন বজাৰ মুখী নৈশ বাছ তেওঁৰ কাষেদিয়েই পাৰ হৈ গ'ল। সময় যিমানেই আগবাঢ়িব সিমানেই উজনি অসমৰ পৰা অহা বাছৰ সংখ্যাও বাঢ়ি আহিব। আৰু তেতিয়া ক'ত বিচাৰি উলিয়াব মুখা পিন্ধা সেই চয়তানৰ দলটোক?

পাঠকে এসোপা চিন্তাত অস্থিৰ হৈ পৰিছিল। সেয়েহে কোন সময়তযে ৰাভাই দৰ্জাখন খুলি তেওঁৰ ওচৰত বহি ল'লে তেওঁৰ খেয়ালেই নহ'ল। ৰাভাই তেওঁক সচকিত কৰি লাহেকৈ মাত দিলে- 'খবৰ এটা পালো।'

'কি খবৰ?' পাঠকে সুধিলে।

'সামান্য এটা খবৰ। মই কৈছিলোৱেই ৰেষ্টুৰেণ্টখন মোৰ ডাঙৰ ল'ৰাটোৰ বন্ধু এজনে খুলিছিল বুলি। সি পিছে নাই। ভিতৰত বাৰমেনটোহে শুই আছিল। তাক মই জগাই টুমনৰ কথা কওঁতে সি মোক চিনি পালে। তাক এইখিনিৰ হোটেল কেইখনৰ কথা সুধিলো। তাৰো কাণত পৰিছে যে কেইখনমান হোটেলে প্ৰাইভেট কোম্পানী এটাৰ পৰা পইচা লৈ নতুনকৈ ফ্লোৰ বঢ়াইছে, বাৰ খুলিছে, এ. চি. ৰুম বনাইছে। সি তাৰে তিনিখন হেটেলৰ নামহে ক'লে। বাকীবোৰৰ নাম নাজানে। কিন্তু.....'

পাঠক অধৈৰ্য্য হৈছিল। কোনোমতে মনৰ উত্তেজনা সামৰি লৈ সুধিলে- 'কিন্তু কি?'

'নিশা দহমান বজাত দুজন যুৱক বাৰলৈ আহিছিল। দুয়োজনৰ চেহেৰা আপুনি বৰ্ণালীৰ পৰা শুনা ফিল্ড এজেণ্ট দুজনৰ লগত বহুখিনি মিলে। দুয়োজনে এঘাৰমান বজালৈ বাৰত আছিল। এজনে মোবাইলেৰে কথা পাতি থকাও বাৰমেনজনে দেখিছিল। তাৰ মতেতো সেই মানুহটো সি আগতে কাম কৰা হোটেলখনৰ বাৰখনলৈকো প্ৰায়ে গৈছিল।'

'হোটেলখনৰ নামটো সুধিছিল নে?' পাঠকে সুধিলে।

'অঁ। ৰূপবন। সেইখন হোটেলতো নতুনকৈ এ. চি. ৰুম বনাইছে, ফ্লৰ বঢ়াইছে.....'

পাঠকে ৰাভাৰ কথা শেষ হোৱালৈ আপেক্ষা নকৰিলে। তেওঁ গাড়ী ষ্টাৰ্ট কৰি আগুৱাই লৈ গ'ল। প্ৰথম চাৰিআলিটো পাই তেওঁ ন'-এণ্ট্ৰিৰ চাইনবোৰ্ডলৈ ভ্ৰুক্ষেপ নকৰি পোনে পোনে সম্মুখলৈ গাড়ী আগবঢ়াই নিলে। প্ৰায় এক মিনিটমান গৈয়ে তেওঁ গাড়ীখন ৰখাই দিলে।

পাঠকে এইবাৰ দীঘলকৈ উশাহ সলালে।

তেওঁৰ দেহ -মনৰ উত্তেজনা এতিয়া আৰু নাই।

পাঠকৰ মনৰ চিন্তাৰ উৎস এতিয়া এটা বিন্দুত থুপ খাইছে। নিজকে তেওঁ সাজু কৰি লওঁতে ভৰাতকৈয়ো কম সময় ল'লে।।

'আপুনি সাজুনে ৰাভা?'

'মই ৰেডী।'

১২

অদূৰত পৰিবহণ নিগমৰ আস্থানটো, সোঁহাতে পল্টন বজাৰ থানালৈ সোমোৱা পথটো আৰু বাওঁহাতে য'ত পথটোৱে এটা প্ৰকাণ্ড ভাঁজ লৈছে, তাতে ছয় তলাৰ পুনৰ্নিৰ্মিত এক অত্যাধুনিক হোটেলে মূৰ দাঙি উঠিছে। পাঠকে গ্ল'-চাইনত জিলিকি থকা নামটো পঢ়ি সন্তুষ্ট হ'ল। তেওঁলোক সঠিক ঠিকনালৈকে আহিছে।

পথটো এতিয়াও পৰিত্যক্ত।

মাত্ৰ এখন নৈশ বাছ পাৰ্কিং কৰি থোৱা আছে।

যাত্ৰীবোৰ নামোতে হুলুস্থুল হৈছে। পাঠকে ভালেই পালে। তেওঁ দুজনমান বয়সীয়াল যাত্ৰীৰ মাজত সোমাই ইফালে-সিফালে চাই সন্তুষ্ট হ'ল। কোনেও তেওঁলৈ দৃষ্টি দিয়া নাই। তেওঁ বেছ দ্ৰুতবেগেৰে খোজ দি বাওঁহাতৰ ফুটপাথেদি বিশ মিটাৰমান আগবাঢ়ি গৈয়ে ৰৈ গ'ল। ঠিক সেইখিনিতে ৰূপবন হোটেললৈ সোমোৱা চিৰিটো আৰম্ভ হৈছে। তেওঁ আকৌ এবাৰ চাৰিওফালে চাই বন্ধ হৈ থকা দৰ্জাখন হেঁচুকি দিলে।

ঈষৎ মেল খালে দৰ্জাখন।

পাঠক ভিতৰলৈ সোমাই গ'ল।

ভিতৰখন প্ৰায় অন্ধকাৰ। চল্লিশ ৱাটৰ বাল্ব এটা জ্বলি আছে যদিও ডাঠ প্লাষ্টিকৰ চেদটোৰ বাবে বাল্বটোৰ পোহৰ অনুজ্বল দেখাইছে। পাঠকে দেখিলে ৰুমটোৰ এটা কোণত কাউণ্টাৰ এটা আৰু তাতে মূৰটো পেলাই কোনোবা এটা শুই আছে। হয়তো চকীদাৰ। পাঠকে ভাবিলে। তেওঁ গল হেকাৰি এটা মাৰি কাউণ্টাৰৰ ওচৰত থিয় হ'ল।

'শুনকচোন।' পাঠকে মাত দিলে।

মানুহজনে এবাৰ মাজতে খপজপাই সাৰ পালে। পাঠকৰ ভাব হ'ল মানুহজন যেন কাৰোবাৰ বাবে অপেক্ষা কৰি আছিল! প্ৰতীক্ষাৰ অন্তত পাঠকক দেখা পাই তেওঁ যেন বেছ বিৰক্তি পাইছে।

'ৰুম এটা হ'বনেকি?' সুধিলে পাঠকে।

'ৰুম থাকিলেও এতিয়া নাপাব। ৰাতিপুৱা ছয় বজালৈ ৰ'ব লাগিব। মেনেজাৰ আহিলেহে ৰুম এলটমেণ্ট হ'ব।'

'কিন্তু মোকতো কৈ থৈছিল যেতিয়াই আহো তেতিয়াই ৰুম পাম বুলি।'

'কৈ থৈছিল? কোনে?'

'নামটো পাহৰিলো। বুঢ়া হৈছোতো।' পাঠকে এখন্তেক ৰৈ আকৌ মাত দিলে-'মনত পৰিছে। গুৱাহাটী ফাইনান্সিয়েল ইনভেষ্টমেন কোম্পানীয়ে মোৰ নামত ৰুম এটা বুক কৰি থৈছে বুলি খবৰ দিছিল। সেইদেখি ৰাতিখন বাছৰ পৰা নামিয়েই .......'

'কি কোম্পানীৰ নাম ক'লে আপুনি?'

পাঠকে নামটো আকৌ এবাৰ আওঁৰালে।

কাউণ্টাৰৰ মানুহজনে পাঠকৰ আপাদমস্তস্ক আকৌ এবাৰ চালে। পাঠকৰ চকু আৰু মুখৰ ভাষা যেন বুজিব খুজিলে তেওঁ। এখন্তেক পিছত তেওঁ সুধিলে পাঠকৰ নামটো। এইবাৰ পিছে পাঠকে তপৰাই নাম এটা ক'লে। মানুহজন যেন বেছ চিন্তিত হৈ পৰিছে। পাঠকৰ মনত এইবাৰ উত্তেজনাই দেখা দিলে। সঠিক লক্ষ্য স্থানতে তেওঁ আঘাত কৰিব পাৰিছে। পাঠকে এইবাৰ আন এটা কৌশল ৰচিলে।তেওঁ লাহেকৈ মাত দিলে 'কোম্পানীৰ মেনেজাৰজনো ইয়াতে থকা কথা। মোক অসুবিধা হ'লেই খবৰ দিব কৈছিল। ৰুম নম্বৰ এটাও কৈছিল। তিনিশ দুই নে দুশ দুই এনেকুৱা কিবা এটা। পাহৰিলো।'

'পাচঁশ দুই।' মানুহজনে এইবাৰ অনুচ্চ কণ্ঠেৰে ক'লে।

'অঁ। মনত পৰিছে। আছেনে তেওঁ?'

'আছেনে নাই ক'ব নোৱাৰিম। আপুনি সৌ চোফাখনতে বহক। মই খবৰ লৈ আহো।' মানুহজনে পাঠকৰ মুখলৈ আকৌ এবাৰ চাই কাউণ্টাৰৰ পৰা ওলাই আহি সোঁকাষে থকা চিৰিৰে ওপৰলৈ উঠি গ'ল। পাঠক এইবাৰহে দুশ্চিঃন্তাত পৰিল। তেওঁ জানে, যিটো নাম ক'লে সেই অচিনাকি নামটো এই অসময়ত শুনিয়েই মেনেজাৰজনে দোধৰ-মোধৰত পৰিব। হয়তো বিপদৰ আশংকা কৰি পলাই যাবও পাৰে। আনহাতেদি মানুহজনৰ পিছে পিছে উঠি গ'লেও তেওঁৰ সন্দেহ উপজিব পাৰে। এই মুহূৰ্তত এটা ভুল পদক্ষেপে সকলো চেষ্টা মাটি কৰি দিব পাৰে।

ইচ! এই সময়ত ৰাভা যদি ওচৰত থাকিলেহেঁতেন........!!

ৰাভাৰ কথা মনত পৰাৰ লগে লগে পাঠকে সকাহ্ পালে। তেওঁ ঘড়ীটোলৈ চালে। নিশা তিনিটা বিশ হৈছে এতিয়া। আৰু দুই মিনিটৰ ভিতৰতে তেওঁ ৰাভাক লৈ এইখিনি পাব লাগিব। তাৰ পিচৰ মিনিটত পাঁচ মহলাৰ সেই কোঠাটোৰ সম্মুখত উপস্থিত হ'ব লাগিব। বন্ধ হৈ থকা দৰ্জা খোলাৰ কিটিপ তেওঁলোক দুয়োজনৰে জনা আছে।

পাঠকে সময় নষ্ট নকৰিলে।

তেওঁ ওলাই গ'ল।

বাহিৰখন তেতিয়াও অন্ধকাৰ। ফুটপাথত যাত্ৰীৰ সংখ্যা বাঢ়িছে। আৰু এখন নৈশ বাছ আহি ফুটপাথৰ কাষতে ৰৈছে। কিন্তু......

হে ভগবান........ ৰাভা ক'ত?

পাঠকে উদভ্ৰান্তৰ দৰে চাৰিওফালে চাবলৈ ধৰিলে।

এক মিনিট পলকতে উৰি গ'ল। পাঠকে বাৰেপতি হাতৰ ঘড়ীটোত চকু দি আছে। এই মুহূৰ্তত তেওঁ কিছু আওঁহতীয়া ঠাই এটুকুৰাত থিয় হৈ আছে। ঠাইটুকুৰা ফুটপাথৰ পৰা পোন্ধৰ ফুটমান আঁতৰত। সৰু গুমটি এখনৰ আঁৰত থিয় হৈ থকাৰ কাৰণে সতকাই তেওঁক

ধৰিব নোৱাৰি। কিন্তু তেওঁ স্পষ্টভাৱে ধৰিব পাৰিছে বাছৰ পৰা নামি ফুটপাথত ভৰি দিয়া ব্যস্ত যাত্ৰীবোৰ। ৰিক্সাৱালাৰ চিঞৰ আৰু টিলিঙাৰ মিলিত শব্দই ঠাই খণ্ডত এক মৃদু কোলাহলৰ সৃষ্টি কৰিছে। পাঠকে প্ৰত্যেকজন যাত্ৰীৰ ওপৰতে চকু থৈছে। কোনো সন্দেহজনক মানুহৰ মুখ চকুত পৰা নাই তেওঁৰ।

আৰু পৰা নাই ৰাভাৰ মুখখন।

ৰাভা তেওঁৰ এম্বেচাদৰ গাড়ীখনৰ কিছু আঁতৰত ফুটপাথত ৰৈ থকাৰ কথা। এতিয়া নিৰ্দিষ্ট ঠাই টুকুৰাত নাই যেতিয়া ৰাভা আঁতৰি যোৱাৰ নিশ্চয় এক বিশেষ কাৰণ থাকিব লাগিব।

পাঠকে আকৌ ঘড়ীলৈ চালে।

প্ৰায় পাঁচ মিনিট উকলি গ'ল।

এতিয়া কি কৰিব তেওঁ? পাঁচ মিনিট বেচ সময়। এখন যুদ্ধ হাৰিবলৈ পাঁচ মিনিটেই যথেষ্ট। পাঠকে যথেষ্ট বিহ্বল হৈ পৰিছিল। তেওঁ অজানিতে দুখোজমান দিব ওলাইছিল, ঠিক তেনেতেই তেওঁৰ পৰা ঠিক বিশ মিটাৰমান আঁতৰত দুটা বিল্ডিঙৰ মাজৰ ফাঁক এটাইদি ৰাভা ওলাই অহা দেখি তেওঁ আৰু বেছি বিস্ময় অনুভৱ কৰিলে। ৰাভা ফুটপাথৰ কাষতে ৰখাই থোৱা এম্বেচাদৰখনৰ ওচৰলৈ বুলি খোজ দিছিল। পাঠকেও খৰখোজেৰে এম্বেচাদৰখনৰ ওচৰলৈ অগ্ৰসৰ হ'ল। দুয়ো দুফালেদি এম্বেচাদৰখনৰ ভিতৰত সোমাই ল'লে।

ৰাভাই দস্তুৰমত ফোঁপাইছিল।

'কি হ'ল ৰাভা?' সুধিলে পাঠকে।

'দুজন মানুহ হঠাতে অট'ৰিক্সা এখনেৰে আহি এইখিনিতে নমা দেখিলো। প্ৰথমে বিশেষ মন দিয়া নাছিলো। পিচত দুয়োজনে 'ৰূপবন'ৰ কাষৰ গলিটোৰে দ্ৰুতগতিত সোমাই যোৱা দেখি ময়ো পিচ ল'লো।

'তাৰ পিচত?'

'দুয়ো 'ৰূপবন'ৰ পিচফালৰ দৰ্জাখনেৰে ভিতৰলৈ সোমাই গ'ল।

পাঠকে হুমনিয়াহ এটা এৰিলে। তেওঁ গোটেই ঘটনাতো এবাৰ জুকিয়াই চালে। 'ৰূপবন' হোটেলখনতেই যে তেওঁলোকে চূড়ান্ত আঘাত হানিব লাগিব সেইটো ধ্ৰুৱপ; কিন্তু কেনেকৈ? সন্মুখেদি নিশ্চয় নহয়। তেন্তে?

'আমিও পিছফালেদি সোমাব লাগিব।' অৱশেষত পাঠকে মাত দিলে।

'কিন্তু ছয় তলাৰ হোটেলখনৰ ক'ত বিচাৰিব? তাতে আকৌ সকলো এতিয়া গভীৰ নিদ্ৰাত।' ৰাভাই ক'লে। পাঠকে মাত্ৰ চমুকৈ উত্তৰ দিলে- 'চিন্তা নকৰিব। ৰুম নম্বৰ এটা পাইছো।'

ৰাভাই যেন এইযাৰ কথা শুনিবলৈকে ৰৈ আছিল। তেওঁ ঘপহকৈ গাড়ীখনৰ পৰা নামি ল'লে।

পাঠকে ৰাভাৰ উচ্চলতাখিনি বৰ ভাল পালে। তেৱোঁ গাড়ীৰ পৰা নামি ল'লে। ৰাভাৰ যুঁজাৰু মন এটা এতিয়াও প্ৰায় অক্ষত অৱস্থাতে আছে। আৰু তেওঁৰ?

১৩

উজাগৰী নিশা কটোৱাৰ চিন মানুহজনৰ চকুৱে-মুখে স্পষ্টকৈ ফুটি উঠিছিল। দেহৰ ক্লান্তিতকৈ মনৰ দুশ্চিন্তাইহে তেওঁক কাহিল কৰি পেলাইছিল। তেওঁ বাতানকুল কোঠাটোৰ একোণত থকা চোফা এখনত বহি আছিল।কোঠাটোৰ আন এটা কোণত বিছনা এখন, ওচৰতে দুখন চকী পাতি থোৱা আছে। তাতেও দুজন পুৰুষ বহি আছে। এজনে ঘনে পতি ঘড়ীটোলৈ চকু দি আছে। নিশা এতিয়া তিনিটা চল্লিশ। ৰাতি পুৱাবলৈ আৰু বেছি সময় নাই। চোফাত বহি থকা মানুহজনৰ হাতত মোবাইল ফোনৰ ছেট আছে। তেওঁ এবাৰ ফোনটো অন কৰিব গৈয়ো পিছ হুঁহকিল। এই মুহূৰ্তত মোবাইল ফোনৰ প্ৰতিও তেওঁৰ সন্দেহ উপজিছে। অথচ আজি নিশা দহটা বজালৈ সকলো ঠিকেই আছিল। অহাকালি বিস্ফোৰণটো সুকলমেই ঘটিলেই তেওঁ পুনৰ এক কোটি টকাৰ নোটেৰে ওফন্দাই দিব পাৰিলেহেঁতেন কোম্পানীৰ চন্দুক।

কিন্তু......

'পুলিচ অফিচাৰ জনলৈ আপুনি ইমান কিয় চিন্তা কৰিছে মই নুবুজিলো। আগতেওতো অফিচাৰজন হোটেললৈ আহে। লেডীগৰাকীও লগত থাকে। এঘণ্টা-দুঘণ্টা কটাই দুয়ো দুফালে গুছি যায়।' চকীত বহি থকা এজনে মাত দিলে।

'ময়ো জানো আগতেও তেওঁ এনেকৈয়ে হোটেলৰ ৰুম এটাত সময় কটায়। কিন্তু কেতিয়াও তেওঁ শেষ নিশা অহা নাছিল। তদুপৰি তেওঁ আমাৰ মোবাইল ফোন কেইটাৰ কথাও গম পাইছে। আমাৰ বেলতলাৰ অফিচৰ কাষৰ পি. চি. অ'টোৰ ল'ৰাটোৰ মতেতো তেওঁ বৰ্ণালীৰ কথাও সুধিছিল। অৱশ্যে আমাৰ সান্ত্বনা এটাই, মোৰ এই ঠিকনাটোৰ কথা বৰ্ণালীয়ে নাজানে, অকল তোমালোক আৰু কৃষ্ণইঁতেহে জানা।' চোফাত বহি থকা জনে অনুচ্চ কণ্ঠে ক'লে। এখন্তেক বৈ তেওঁ পুনৰ আৰম্ভ কৰিলে- 'মোৰ এতিয়া চিন্তা হৈছে কৃষ্ণইঁতক লৈ। মাৰুতি ভেনখন ৰেলৰে লাইনত এৰি থৈ দুয়ো দুফালে পলাল। সিহঁতৰ হাতত মোবাইল নাই। আনহাতেদি আনকেইটা মোবাইল ফোনো ইউজ কৰিবলৈ ভয় হৈছে।'

কোঠাটোৰ পৰিৱেশ পুনৰ নীৰৱ হ'ল।

এইয়া যেন শেষ নিশাৰ নীৰৱতা।

হঠাতে বাহিৰৰ দৰ্জাখনত টোকৰ এটা পৰিল। শব্দটোৱে কোঠাটোৰ পৰিৱেশ পলকতে পুনৰ উত্তপ্ত কৰি তুলিলে। চকীত বহী থকা এজনে বন্ধ দৰ্জাখন খুলি দিলে। লগে লগে ধুমুহাৰ দৰে কোঠাটোলৈ ফাৰুক আৰু কৃষ্ণ সোমাই আহিল। দুয়োটাই বেছ ফোঁপাইছিল। কোঠাটোত থকা বিচনাখনতে বহি লওঁতেও দুয়োটাৰে ফোঁপনি মৰা নাছিল। অৱশ্যে চোফাত বহি থকা মানুহজনৰ মুখলৈ আশাৰ ৰেঙনি নামি আহিছিল। এতিয়াও হাতত যথেষ্ট সময় আছে।

'ইমান দেৰী হ'ল কিয় ?' অৱশেষত সুধিলে চোফাত বহি থকা জনে।

কৃষ্ণ আৰু ফাৰুকে জানে এই প্ৰশ্নটোকেই প্ৰথমে সোধা হ'ব। সিহঁত সাজু হৈয়ে আহিছিল। নিশা এঘৰা বজালৈ সকলো সুকলমেই পাৰ হৈছিল; কিন্তু গণ্ডগোলটো লাগিল গান্ধীবস্তিৰ ৰেলৱে লাইনত। হঠাতে আৰম্ভ হোৱা চিঞৰ-বাখৰত দুয়ো কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিছিল। দুয়ো কোনফালেদি দৌৰিছিল এতিয়া আৰু মনত নাই। এটা সময়ত দুয়ো এৰা-এৰিও হৈছিল। লগ লাগোতে সময় লাগিল মাজ নিশাৰ অমূল্য সময়খিনি। কিন্তু এতিয়া কি কৰিব সিহঁতে ?

ফাৰুকে উত্তৰ দিবলৈ ওলাইয়ো ৰৈ গ'ল। বন্ধ দৰ্জা খনত প্ৰথমে টোকৰ এটা পৰিল। পিচমুহূৰ্তত দৰ্জাখন সামান্য মেল খালে। ফাৰুকে তড়িৎ গতিৰে উঠি গৈ দৰ্জাখনৰ ওচৰ চাপিল।

'সোমাই আহিব দিয়া। সি হোটেলৰ চকীদাৰ।'

ফাৰুকে দৰ্জাখনৰ কাষতে একাষৰীয়াকৈ থিয় হৈ দিলে। তাৰ কাষেদি চুটি-চাপৰ মানুহ এজন সোমাই আহিল।

'এইমাত্ৰ কাউন্টাৰলৈ কম বিচাৰি মানুহ এজন আহিছিল। বুঢ়া মানুহ। তেওঁ আপোনাৰ কথা, কোম্পানীৰ কথা সুধিছিল।' একে উশাহে কথাখিনি কৈ পেলালে চকীদাৰটোৱে।

১৪

তেতিয়াও নিশাৰ অন্ধকাৰ আঁতৰি যোৱা নাছিল। ফুটপাথৰ ওচৰত পাৰ্কিং কৰা নৈশ বাছৰ সংখ্যা অৱশ্যে আৰু বাঢ়িছে। যাত্ৰীও বাঢ়িছে। কোলাহলো বাঢ়িছে। এনেকুৱা এটা পৰিস্থিতিৰ সুযোগ লৈয়ে পাঠক আৰু ৰাভাই প্ৰস্ৰাব কৰাৰ চলেৰে ঠেক গলিটোৰে সোমাই গ'ল। অৱশ্যে সেইটো গ'লি বুলিব নোৱাৰি। তলেদি ঢাকনি নোহোৱা দুফুট বহল পকা নৰ্দমা এটা গৈছে। তাৰ দুয়োকাষে দুখন হোটেলৰ ওখ ওখ বিৰাটকায় অট্টালিকা আৰম্ভ হৈছে। নিশাৰ নিঃসীম অন্ধকাৰত চলমান ছাঁয়ামূৰ্তিৰ দৰে দুয়ো আগবাঢ়ি গৈ এটা সময়ত ৰৈ দিলে। ৰাভাৰ সোঁকাষে নৰ্দমাটোৱে ভাঁজ এটা লৈছে। সেই ভাঁজটোৰে বিশ ফুটমান আগবঢ়াৰ পিচত দুয়ো ৰৈ গ'ল। ঠাইডোখৰ আপেক্ষিকভাৱে কিছু মুকলি। দুয়োকাষে এইবাৰো দুটা ওখ বিল্ডিং। সোঁকাষে থকাটোৰ দেৱালত থকা দৰ্জাএখন ভিতৰৰ পৰা বন্ধ হৈ আছে। ৰাভাই এবাৰ ঠেলিও চালে।

পাঠকলৈ চাই ৰাভাই ফুচ-ফুচাই ক'লে- 'পানীৰ পাইপ বগাই ওপৰলৈ উঠি যাব লাগিব। নহ'লে অন্য উপায় নাই।' পাঠকৰ সঁহাৰিলৈ অপেক্ষা নকৰি ৰাভাই আকৌ অনুচ্চ কণ্ঠেৰে ক'লে- 'আপুনি পাইপ বগাই উঠি যাবলৈ অসুবিধা পাব।মোৰ তাহানিতে উঠাৰ অভ্যাস এটা আছে। আপুনি ইয়াতে ৰৈ থাকক। মই উঠি যাওঁ।'

পাঠকক কোনো কথা ক'বলৈ অৱকাশ নিদি ৰাভাই পানীৰ পাইপেদি সৰীসৃপ এটাৰ

দৰে উঠি গ'ল। প্ৰথম এক মিনিট অৱশ্যে যথেষ্ট লেহেম গতিত উঠিলেও ধীৰে ধীৰে ৰাভাৰ গতি বাঢ়িল। প্ৰথম তলা সোমোৱাৰ পিচতে ৰাভাৰ ফোঁপনি বাঢ়ি আহিব ধৰিলে। দ্বিতীয় তলাটো পায়েই খিৰিকি এখনৰ চাজাত ভৰি দুখন দি ৰাভা থিয় হ'ল। ৰাভাৰ মূৰৰ ঠিক ওপৰতে ৰেলিং এখন আৰম্ভ হৈছে। অন্ধকাৰতে ৰাভাই অনুমান কৰিলে, হয়তো কোনোবা কোঠাৰ বাৰাণ্ডাৰ ৰেলিং সেইয়া! ৰাভাই দুবাৰমান দীঘলকৈ উশাহ লৈ আকৌ উঠিবলৈ আৰম্ভ কৰিলে।

ৰাভাই ঠিকেই অনুমান কৰিছিল।

কোঠা এটাৰ পিছফালৰ বাৰাণ্ডাত ভৰি দি ৰাভাই কোঠাটোলৈ সোমোৱা দৰ্জাখন ঠেলি চালে। দৰ্জখন খোলাই আছিল। ৰাভা ভিতৰলৈ সোমাই গ'ল। অন্ধকাৰ কোঠাটো খালী। ভিতৰখনত আচবাববোৰ য'তে ত'তে পৰি আছে। ৰাভাই ভালেই পালে। মেৰামতিৰ কাম চলি থকা কোঠাটোৰ মূল দৰ্জাখনো সম্ভৱ খোলায়ে থাকিব! ৰাভাই খুপি খুপি সম্মুখলৈ আগবাঢ়ি গ'ল। দৰ্জাখনৰ হেণ্ডেলত লাহেকৈ হেঁচা এটা দিওঁতেই দৰ্জাখন খোল খালে। সম্মুখত দীঘল কৰিডৰ এটা, কম পাৱাৰৰ লাইট এটা জ্বলি আছে। দুয়োপাৰে কোঠাবোৰলৈ সোমোৱা অসংখ্য দৰ্জাৰ শাৰী। এটা মূৰত ওপৰলৈ উঠি যোৱাৰ চিৰি। ৰাভাই জানে তেওঁ সেই চিৰিৰে উঠি যাব লাগিব।

লক্ষ্য তেওঁৰ এটাই।

ৰুম নম্বৰ ৫০২।

১৫

ইমান আচম্বিতে যে কোঠাটোৰ পৰিৱেশ সলনি হৈ পৰিব সেইয়া প্ৰত্যেকজনৰ বাবে সপোনৰো অগোচৰ আছিল। এতিয়া নিশা তিনি বাজি পঞ্চাশ মিনিট গৈছে। কিছুপৰৰ পিচতে ৰাতি পুৱাব। এনেকুৱা এটা অসময়ত হঠাতে অনাহুত আতিথি এজনৰ আগমন কাৰো কাম্য নহয়; কিন্তু কোন এই বুঢ়া মানুহজন? পুলিচ হ'বই নোৱাৰে। তেন্তে?

'ফাৰুক।' অৱশেষত নীৰৱতা ভংগ কৰি চোফাত বহি থকাজনে মাত দিলে।

ফাৰুকে তেওঁলৈ চাই পঠিয়ালে।

'তুমি তললৈ যোৱা। লবীত থকা বুঢ়া মানুহজনৰ লগত কথা পাতিবা। সন্দেহ হ'লে লৈ আহিবা। ফাষ্ট ফ্লৰৰ ৰুম এটা খালী হৈ আছে। তাতে........'

'বুজিছো।' কথাষাৰ কৈয়ে ফাৰুক চকীদাৰটোৰ পিছে পিছে ওলাই গ'ল।

কোঠাটোৰ পৰিৱেশ আকৌ নীৰৱ, থমথমীয়া হ'ল।

প্ৰায় দুই মিনিট তেনেকৈয়ে পাৰ হৈ গ'ল।

হঠাতে শেষ নিশাৰ নীৰৱতা ভেদ কৰি হোটেলখন যেন কঁপি উঠিল- এক ভয়ংকৰ শব্দৰ প্ৰহাৰত। কোঠাটোৰ প্ৰত্যেকজনেই মুহূৰ্ততে উপলব্ধি কৰিলে, সেয়া গুলিৰ শব্দ। ৰিভলভাৰৰ গুলিৰ শব্দ! হয়তো ফাৰুকৰ ৰিভলভাৰৰ পৰাই ওলাইছে গুলিটো! কিন্তু কাক গুলিয়াব ফাৰুকে? এই হোটেলখনত এই নিশা অনাহুত অতিথি মাত্ৰ এজনেই। প্ৰায় আশী

বছৰীয়া বুঢ়া লোক এজনক গুলীওৱাৰ প্ৰয়োজন নাই। কিন্তু........

হে ভগবান......... ফাৰুকৰ ৰিভলভাৰটোত চাইলেন্সাৰ লগোৱা আছিল। কৃষ্ণৰ ঠিক মনত পৰিছে। তেন্তে?

'কৃষ্ণ, তললৈ গৈ চাই আহা ফাৰুকে কাক গুলীয়ালে, কিয় গুলীয়ালে। তাকটো মই গুলীয়াবলৈ কোৱা নাছিলো।'

কৃষ্ণ বহাৰ পৰা উঠি থিয় হ'ল।

তাৰ অন্তৰাত্মা দুৰু-দুৰুকৈ কঁপিছিল। সি জানে এই মুহূৰ্তত সি শক্তিহীন। তাৰ হাতত কোনো মাৰণাস্ত্ৰ নাই। এই কোঠাটোৰ কাৰোৰে হাতত ডেগাৰ এখনো নাই। কিন্তু হোটেলখনত এতিয়া এজন মৃত্যুদূত উপস্থিত হৈছে। তেওঁৰ হাতত আছে উদ্যত ৰিভলভাৰ এটা। তাৰে এটা গুলিয়ে হয়তো ফাৰুকক আঘাত কৰি গৈছে। ইয়াৰ পিচৰ লক্ষ্য কোন?

কৃষ্ণ এইবাৰ অগ্ৰসৰ হ'ল।

কোঠাটোৰ পৰা ওলাই গৈ সি দীঘল কৰিডৰটো পালে। কৰিডৰটো শূন্য; কিন্তু ভিতৰৰ প্ৰত্যেকটো কোঠাৰ পৰা লৰা-ঢপৰা আৰম্ভ হোৱাৰ উমান পাইছে কৃষ্ণই। সি ভাবি চালে চকীদাৰে কোৱা মতে মানুহ এজন আহিছিল তলৰ মহলাৰ লাউঞ্জতে। গুলিৰ শব্দও তলৰ পৰায়ে আহিছিল। গতিকে সি চিৰিৰ পৰা নামি গ'লেই অৱধাৰিতভাৱে মুখামুখি হ'ব লাগিব মৃত্যুদূতৰ লগত।

কৃষ্ণই সিদ্ধান্তটো লৈ পেলালে।

সি প্ৰায় দৌৰি গৈ কৰিডৰটোৰ বিপৰীত দিশ পালেগৈ। পিছফালে এখন বাৰাণ্ডা আছে। তাৰ স্পষ্ট মনত আছে, বাৰাণ্ডাৰ নিচেই কাষেদি পানীৰ পাইপ এডাল তললৈ নামি গৈছে। কৃষ্ণই প্ৰায় একে উশাহতে পিছফালৰ বাৰাণ্ডাত উপস্থিত হ'ল।

বাৰাণ্ডাখন অন্ধকাৰ। তলখিনিও অন্ধকাৰ। একো নেদেখি। কৃষ্ণই উমানতে পানীৰ পাইপডাল আকোঁৱালি লৈ নামিব গৈয়ে আতংকত শিয়ঁৰি উঠিল। তাৰ কাণত স্পষ্টকৈ আঘাত কৰিলে তিনিটা ভয়ংকৰ শব্দই। শব্দটো সি ওলাই অহা কোঠাটোৰ পৰা আহিছে। লগে লগে ভাঁহি আহিছিল বহুকেইজনৰ মিলিত যন্ত্ৰণাকাতৰ আৰ্তনাদ! সেই মৰণ কাতৰ চিঞৰে কৃষ্ণক কঁপাই তুলিলে। সি উপলব্ধি কৰিলে এতিয়া আৰু সময় অপব্যয় কৰাৰ কোনো প্ৰয়োজন নাই।

সি সাৱধানে পাইপডালেদি নামি গ'ল।

ইতিমধ্যে হোটেলখনৰ ভিতৰখনত প্ৰচণ্ড চিঞৰ বাখৰ আৰম্ভ হৈ গৈছে। কৃষ্ণৰ উত্তেজনাও সেই অনুপাতে বাঢ়ি গ'ল। সি বেচ তড়িৎ গতিৰে নামি গৈছিল। ঠিক তলৰ অন্ধকাৰ ঠাইখিনি পাওঁতেই সি শিয়ঁৰি উঠিল। অন্ধকাৰত কোনোবা এজন থিয় হৈ আছে! কৃষ্ণই কোন বুলি চিঞৰিব ওলাইছিল; কিন্তু নোৱাৰিলে। আশী বছৰীয়া বুঢ়া মানুহ এজনৰ হাতত থকা ক'লা ধাতৱ নলী এডালেদি তীব্ৰবেগেৰে ওলাই অহা অগ্নি স্ফুলিংগ এটাই কেতিয়া যে তাক আঘাত কৰি বগৰাই দিলে সি তলকিবই নোৱাৰিলে।

১৬

জি. এছ রোডত তেতিয়া চৰম বিশৃংখলতা। প্ৰায় চাৰি বাজিছে এতিয়া । আৰু কেইটামান মিনিটৰ পিচতে পোহৰ হ'ব। ইতিমধ্যে পথত নৈশ বাছৰ ভীৰ ক্ৰমান্বয়ে বাঢ়ি গৈছে। যাত্ৰীৰ সংখ্যাও বাঢ়িছে। প্ৰত্যেকজনৰ চকুৱে-মুখে বিভীষিকাসনা চাঁৱনি, সকলোৰে দৃষ্টি প্ৰকাণ্ড ছয়মহলীয়া অট্টালিকাটোত থূপ খাইছে। পাঠক আৰু ৰাভাই সেয়েহে সকলোৰে অলক্ষিতে গলিটোৰে ওলাই অহা মানুহৰ জুমটোৰ মাজত সোমাই লওঁতে অকণো টান নাপালে।

'ৰাভা!'

'কওঁক।'

'আমি আতঁৰি যোৱাই ভাল হ'ব নে কি? চিনাকি কাৰোবাৰ চকুত পৰিলে বিপদত পৰি যাম।'

ৰাভাই একো নামাতিলে।

নীৰৱে গৈ গাড়ীত উঠি বহিল।

পাঠকেও তড়িৎ গতিৰে গাড়ীত বহি দিলে। মুহূৰ্ততে গাড়ীয়েও চেঁকুৰি দিলে।

'ৰাতি পুৱালেই।'

'অঁ। সোনকালে ঘৰ গৈ পাব লাগিব। ৰুবীয়ে চিন্তা কৰি থাকিব।' ○

# মৃত্যুৰ ছাঁ

সুউচ্চ অট্টালিকাটোৰ দুৱাৰমুখৰ চিৰিটো ফাঁচী বজাৰৰ হেম বৰুৱা পথৰ পদপথৰ পৰাই আৰম্ভ হৈছে। দুৱাৰ মুখত তেতিয়া অজস্ৰ লোক গোট খাইছে। পোহৰেৰে উদ্ভাসিত হৈ উঠিছে ঠাইখিনি। ছপ্‌ৰাছ্ পেৰাডাইজ নামৰ এই সাত তলাৰ বজাৰ গৃহটোৰ দ্বাৰ আজি মুখ্যমন্ত্ৰীয়ে উদ্‌ঘাটন কৰিব। পানবজাৰ থানাৰ অ. চি. ইনস্পেক্টৰ বিমল মেধিয়ে সেয়েহে বেচ অস্থিৰ হৈ ছপ্‌ৰাছ্ পেৰেডাইজৰ সম্মুখৰ পদপথটোত পাইচাৰী কৰি আছিল। নতুন মুখ্যমন্ত্ৰীয়ে কেইবাটাও সাহসিক সিদ্ধান্ত লৈ চাৰিওফালে তোলপাৰ লগাই দিছে। ফাঁচী বজাৰতো তাৰ কম্পন উঠিছে। সেয়েহে বিমল মেধিয়ে দুৱাৰ মুখত গোট খোৱা শতাধিক কৌতূহলী লোকৰ প্ৰত্যেকৰে মুখবোৰ একোবাৰ সপ্ৰশ্ন দৃষ্টিৰে চাই গ'ল। এজনৰ মুখখনলৈ এবাৰটো এপলক চাইয়েই মেধি তভক মাৰি ৰৈ গৈছিল। ক'ৰবাত যেন দেখিছিল মানুহজনক। উত্তৰ ভাৰতীয় চেহেৰাৰ মানুহজনক ক'ত দেখিছিল মেধিয়ে মনত পেলাব নোৱাৰিলে। আজি অৱশ্যে মেধিৰ আহৰিও নাই চিন্তা কৰিবলৈ।

'ছাৰ!'

বিমল মেধিয়ে মাতষাৰত সচকিত হৈ উভতি চাই এচ. আই ৰঞ্জিত শৰ্মাক দেখি সুধিলে- 'কি হ'ল শৰ্মা?'

'চি. এম. ছাৰৰ কনভয় এইমাত্ৰ উলুবাৰী চাৰিআলি পাৰ হৈ আহিছে। আৰু দহ মিনিট লাগিব এই খিনি পাওঁতে।'

বিমল মেধিয়ে হাতৰ বেতডাল বতাহত জোকাৰি দি বেছ গলগলীয়া মাতেৰে চিঞৰি ক'লে-'আপোনালোক দুৱাৰ মুখৰ পৰা আঁতৰি যাওক। ফুটপাথত ভৰি নিদিব। চেইনডাল পাৰ নহ'ব।'

কথাষাৰ কৈ মেধি ৰৈ নাথাকিল। এইবাৰ তেওঁ হাতে-কামে লাগি গ'ল। প্ৰায় এক মিনিটৰ ভিতৰতে দুৱাৰ মুখৰ ভীৰটো আঁতৰি গ'ল; কিন্তু মেধিৰ দেহ মনৰ অস্থিৰতা একে মাত্ৰাত ৰৈ গ'ল। হাতৰ ঘড়ীটোলৈ তেওঁ বাৰেপতি চকু ফুৰাব ধৰিলে। আৰু তিনি মিনিটৰ ভিতৰতে মুখ্যমন্ত্ৰীৰ কনভয় আহি পাবহি। মুখ্যমন্ত্ৰীয়ে দুৱাৰ মুখৰ ফিটা কাটি ভিতৰলৈ সোমাই যোৱাৰ বিশমিনিটলৈ তেওঁ কিছু উশাহ ল'ব পাৰিব। আকৌ দুশ্চিন্তাৰে পাৰ হ'ব মুখ্যমন্ত্ৰী ওলাই অহা সময়খিনি। কনভয় আঁতৰি যোৱাৰ লগে লগেই তেওঁৰ মনলৈ পুনৰ সুস্থিৰতা ঘুৰি আহিব।

মেধিৰ মনলৈ হয়তো কিছু অসংলগ্ন চিন্তাৰ ভাবো আহিছিল, সেয়েহে দূৰৈত মুখ্যমন্ত্ৰীৰ কনভয়ৰ বাৰ্ণিং কাৰখনৰ চাইৰেণৰ শব্দটো কাণত পৰাৰ লগে-লগেই তেওঁ উচপ খাই উঠিল। তেওঁ পথৰ মাজভাগলৈ দুখোজ আগুৱাই গ'ল। দূৰৈৰ কমাৰপট্টি চাৰিআলিটোত ৰঙা হেড লাইট লগোৱা গাড়ীৰ সমদলটো দেখি তেওঁৰ বুজিবলৈ বাকী নাথাকিল যে আৰু একমিনিট মানৰ ভিতৰতে সমদলটো এইখিনি পাবহি।

'শৰ্মা! ফুকন! ৰেডি হওঁক। আহি পালেহি।' এছ. আই দুজনলৈ চিঞৰি কথাষাৰ কৈয়ে মেধিয়ে আৰু দুখোজ আগুৱাব ধৰোতেই অবাক হৈ ৰৈ গ'ল। হঠাতে সমদলটো মাজপথতে ৰৈ গৈছে কিয়? ঠিক দহ চেকেণ্ড সমদলটো ঠাইতে ৰৈ থাকিল। মেধিয়ে দৌৰিব উপক্ৰম কৰোতেই দেখিলে গাড়ীৰ সমদলটো শিখ মন্দিৰৰ ভাঁজটো ঘূৰি লাখটকীয়াৰে তীব্ৰ গতিৰে পাৰ হৈ গৈছে। ঘটনাটোৰ নাটকীয়টাত মেধি কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিছিল। দৌৰিব এৰি মাজপথতে ৰৈ গ'ল তেওঁ। হাতত থকা মটৰলা ভি. এইচ. এফ. ছেটটোত অনৰ্গল ভাহি আহিছে চিটি এচ. পি.ৰ তীব্ৰ উত্তেজনা পূৰ্ণ চিঞৰ.........'এতিয়াই ছপৰাছ্ পেৰেডাইজ বিল্ডিংটো ঘেৰি ধৰক। পৰুৱা এটাও যেন সোমাব নোৱাৰে। এণ্টিচেবটেজ স্কোৱাডক বিল্ডিংটোৰ প্ৰতিটো কোণেই ইঞ্চি ইঞ্চি কৈ নিৰীক্ষণ কৰিবলৈ লগাই দিয়ক........'

পিছৰখিনি শুনিবলৈ মেধিৰ আৰু ধৈৰ্য্য নাথাকিল।

তেওঁ উভতি ছপৰাছ্ পেৰেডাইজৰ দুৱাৰ মুখলৈ যাবলৈ ওলাইছিল, প্ৰথম খোজটো পেলাই দ্বিতীয় খোজটি দিওঁতেই মেধি হঠাতে ঢলি পৰিল আৰু মেধিৰ চকুৰ আগতেই.....

২

বহু দেৰিলৈ শুই থাকিলে দেহ-মনলৈ যি এক জঠৰতা নামি আহে মেধিৰো চকু হাল মেলি দিওঁতেই তেনেকুৱা ভাব এটা মনলৈ আহিল। হস্পিতালৰ শুধ বগা বিছনা এখনত শুই থকা অৱস্থাত নিজকে আৱিস্কাৰ কৰি মেধি যিমান আচৰিত হ'ব লাগিছিল, সিমান নহ'ল। চাৰিওফালে চাওঁতে মেধিৰ চকুত পৰিল পত্নী আৰু জীয়েকৰ মুখকেইখন। তেওঁ শুই থকা বিছনাখনৰ সোঁকাষে চেলাইনৰ ষ্টেণ্ড এডাল, তাত লগাই থোৱা চেলাইনৰ বটলটোৰ নলীডালৰ বুটামটো টিপি থকা অৱস্থাত নাৰ্চ এগৰাকীয়ে বেছ কৰ্কশভাৱে কোৱা শুনিলে মেধিয়ে -'আপুনি লৰচৰ নকৰিব। শুই থাকক।'

মেধিয়ে আকৌ চকুহাল মুদি দিলে।

'চিন্টাৰ!' পত্নীৰ আতুৰ কণ্ঠস্বৰ মেধিৰ কাণত পৰিল- 'ডাক্তৰক খবৰ দিব নেকি?'

'ডাক্তৰ ৰাউণ্ডত আছে। অলপ পিচত নিজেই আহিব।'

আকৌ নীৰৱতা।

মেধিৰ ভাৱ হৈছিল তেওঁৰ সোঁ ভৰিখনত যেন কিহবাৰ ডাঠ প্ৰলেপ এটা সানি থোৱা আছে। হয়তো বেণ্ডেজ মেৰুউৱা আছে। কিন্তু কিয় ?

'দেউতা!' কাণৰ কাষত জীয়েক পাপৰিৰ কোমল মাতষাৰে তেওঁৰ তন্ময়তা আঁতৰ কৰি নিলে। চকুহাল আকৌ মেলি দিওঁতে দহবছৰীয়া পাপৰিৰ মধুৰ কণ্ঠস্বৰ তেওঁৰ কাণত পৰিল-' ভাল পাইছানে দেউতা ?'

'পাইছো।' সেঁহাই সেঁহাই কথাষাৰ ক'লে মেধিয়ে।

'তুমি মনে মনে থাকা। কথা নক'বা। বিছনাখনতে শুই থাকা, এইমাত্ৰ ডাক্তৰ আহিব বোলে। তেওঁ চাই যোৱাৰ পিচতহে যি কৰিব দিয়ে তাকে কৰিবা।' পত্নীৰ মাতষাৰে মেধিক আকৌ স্থবিৰ হৈ থাকিবলৈ বাধ্য কৰালে।

পিছৰ সময় খিনি মেধিয়ে যন্ত্ৰবত বিছনাখনতে পাৰ কৰি দিলে। ডাক্তৰ এজন নহয়, কেইবাজনেও চাই গ'ল। এই মাজৰ সময় খিনিত তিনিবাৰ বেজিৰ খোচেই খাবলগীয়াত পৰিল।মেধিয়েও পিছে আপত্তি নকৰিলে। সম্পূৰ্ণ দুদিনৰ পিছত ঘৰলৈ উভতি আহোতেহে মেধিৰ কথা ক'বলৈ মন গ'ল; কিন্তু কি ক'ব ? কাক কব ? এছ, আই, শৰ্মা আৰু ফুকন দুয়োজনেইতো তেওঁৰ চকুৰ আগতেই জ্বলন্ত অগ্নিপিণ্ডত পৰিণত হৈছিল। আৰু কনিষ্টবল কেইজন ? দুজনক তেওঁ ছট্‌ফটাই থকা দেখিছিল। বাকীবোৰৰ কথা তেওঁ মনত পেলাব নোৱাৰিলে। আচলতে ইচ্ছাও নগ'ল। ঘৰলৈ আহিও এদিন নিৰলসভাৱে বিছনাখনতে শুই শুই কটাই দিলে মেধিয়ে। আবেলি বাহিৰৰ বাৰাণ্ডাখনলৈ নিজেই খোজকাঢ়ি আহি আৰামী চকী খনত বহিলে মেধিয়ে চকু হাল জপাই দিলে। তেনেকৈ থাকোতে মেধিৰ হঠাতে খেয়াল হ'ল এখন যেন চিনাকী জীপগাড়ী আহি সন্মুখৰ পথত ৰৈ গৈছে আৰু কোনোবা এজন বুটজোটাৰ শব্দৰ লহৰ তুলি বাৰাণ্ডালৈ উঠি আহিছে।

'ছাৰ!'

কাষতে কোনোবাই মতা শুনি মেধিয়ে চকু হাল মেলি দিলে। সন্মুখতে থানাৰ ছেকেণ্ড অফিচাৰ সমৰেন্দ্ৰ নাৰ্জাৰীক দেখি মেধিয়ে সৰুকৈ মাত দিলে -'বহক নাজৰী।'

নাৰ্জাৰীয়ে চেলুট এটা দি কাষৰ চকী এখনত বহি লৈ সুধিলে -'ভাল পাইছেনে ছাৰ এতিয়া ?'

'পাইছো। এই সপ্তাহতে কামলৈয়ো যাম বুলি ভাবিছো।'

'আপুনি ঠিকেই ভাবিছে। এনেকৈ ঘৰতে বহি থাকিবলৈ মনো নাযায়।'

'ঘৰতে বহি থাকিলে মোৰ চকুৰ আগতে ভাহি উঠে.......'

'ঘটনাটো মনত পেলাই নাথাকিব। ভাবি থাকিলে মনলৈ অশান্তিহে আহিব।'

'বাৰু নাৰ্জাৰী!' দীঘলকৈ হুমনিয়াহ এটা এৰি মেধিয়ে ক'লে -'আপুনি গোটেই ঘটনাটো এফালৰ পৰা কৈ যাওঁকচোন।'

'আপোনাৰ চকুৰ আগতেই ঘটি গ'ল ঘটনাটো। মইনো আৰু কি ক'ম?'

'মই আকৌ এবাৰ জুকিয়াই চাব খুজিছো।'

নাৰ্জাৰীয়ে মেধিৰ ভাৱলেশহীন গহীন মুখখনলৈ চাই ক'ব ধৰিলে - 'কনভয়টো লাখটকীয়াৰ ফালে আচম্বিতে ঘূৰি যাওঁতে আপুনিও উভতি খোজ লৈছিল। ছুপাৰছ্ পেৰাডাইজৰ দুৱাৰ মুখতে থিয় হৈ আছিল এছ. আই শৰ্মা আৰু ফুকন। লগত আছিল সাতজন চিপাহী।'

'জানো।'

'প্ৰথমতেই দুৱাৰমুখৰ চকীৰ পোষ্টকেইটাৰ গাত মেৰিয়াই থোৱা টিউব লাইটৰ বাল্বকেইটাৰ পৰা প্ৰায় একে সময়তে ফিৰঙতি ওলাইছিল, প্ৰথম বাৰ সৰুকৈ দ্বিতীয়বাৰ বেছ জোৰেৰে আৰু তৃতীয়বাৰ বিৰাট শব্দৰে গোটেই ইলেকট্ৰিক ৱাৰিংবোৰ জ্বলি উঠিছিল। আচৰিত কথা কি জানে? নিমিষতে জুইকুৰা চাৰিওফালে বিয়পি গৈছিল। বাল্‌বোৰৰ আয়নাৰ টুকুৰাবোৰ প্ৰচণ্ড বেগেৰে প্ৰায় এশ মিটাৰ পৰ্যন্ত ওফৰি গৈছিল। তাৰে কেইটামান টুকুৰা আপোনাৰ......

'গম পাইছো।' পুনৰ হুমনিয়াহ এটা পেলাই মেধিয়ে ক'লে -'ইলেকট্ৰিকেল চৰ্টচাৰ্কিট যেন লাগিছে।'

'আপুনি গোটেই ঘটনাটো তেতিয়া হ'লে গমেই পোৱা নাই।'

'কি ঘটনা?' মেধি আচৰিত হ'ল।

'আপুনিতো গমেই পাইছিল চিটি এছ. পি ছাৰ আমাৰ থানাৰ কণ্ট্ৰল ৰূমতে বহি থকা।'

'অঁ।' মেধিয়ে সহাঁৰি দিলে।

'ঠিক আবেলি তিনি বজাত ফোন এটা আহিছিল। মাতটো অসমীয়া মানুহ এজনৰ। চি. এম. ছাৰৰ ওপৰত এটেম্প এটা হ'ব বুলি কৈয়ে ফোনটো থৈ দিছিল। আচৰিত কথা কি জানে? কলাৰছ আইডেনটিটি ডিভাইচ মতে ফোনটো আহিছিল দমদম এয়াৰপোৰ্টৰ পৰা। গুৱাহাটীলৈ অহা জেট এয়াৰৱেজৰ শেষ ফ্লাইটখন এবাৰ আগেয়েই হয়তো কোনোবাই ফোনটো কৰিছিল।'

'কৈ যাওঁক।'

'তেনেকুৱা ধৰণৰ টেলিফোন দিনে গড়ে তিনি-চাৰিটাকৈ আহি থাকেই। ছাৰেও সেইবাবে বিশেষ এটা গুৰুত্ব দিয়া নাছিল। ৰুটিন মাফিক সকলোকে সাৱধানে থাকিবলৈ ডাইৰেকচন পঠিয়াই দিছিল।'

'তাৰ পিছত?' মেধিয়ে সুধিলে।

'ঠিক ছয় বজাত পুনৰ টেলিফোনটো আহিছিল। টেলিফোনটো ছাৰেই ধৰিছিল। এইবাৰো একেই কথা। মাত্ৰ লগত আন এষাৰ কথা যোগ হ'ল। সেইটো হ'ল আজি য'ত চি. এম. ছাৰ যাব তাতেই ব'ম ফুটিব। এইবাৰ ছাৰ বৈ নাথাকিল। ফোনটো আহিছিল ববঝাৰ এয়াৰপ'ৰ্টৰ পি.চি. অ এটাৰ পৰা। চিটি এচ. পি. ছাৰে লগে-লগে কনভয়টো ওভতাই পঠাই লৈ গ'ল। তাৰ পিছত কি হ'ল আপুনিতো জানেই।'

'তাৰমানে ঘটনাটো এক্সিডেণ্ট নাছিল।'

'নাছিল, আচলতে ই আছিল কোনোবা অৰ্গেনাইজেছনৰ কাম। এই চাৰিদিন অৱশ্যে আমি একো আগবাঢ়িব পৰা নাই। আপুনি নথকা বাবে অৱশ্যে অসুবিধাও হৈছে। আনহাতে কেচটো চি. আই. ডিলৈ ট্ৰেন্সফাৰ হৈ গৈছে। লণ্ডনত ট্ৰেইনিং লৈ অহা ভাস্কৰ চৌধুৰী বোলা ইনস্পেক্টৰ জনেই এতিয়া কেচটো চোৱা-চিতা কৰি আছে। এইমাত্ৰ ফৰেনেচিক এক্সপাৰ্টৰ ৰিপ'ৰ্টটো কালেক্ট কৰি তেওঁলৈ পঠিয়াই দিছো, বহু সিমানেই।'

'কি কয় ৰিপ'ৰ্টটোৱে?'

'তেওঁলোকৰ মতে টিউব লাইটৰ বাল্ব কেইটা সাধাৰণ নাছিল। ফিলিপছ কোম্পানীৰ যদিও প্ৰকৃততে বাল্বকেইটা বিশেষভাৱে নিৰ্মিত। তাত থকা গেছখিনিয়েই এনেকুৱা ধৰণৰ যে দুঘণ্টা একেৰাহে জ্বলি থাকিলেই ই বিস্ফোৰিত হ'বলৈ বাধ্য। তাতে যদি ভল্টেজ বেছিকৈ আহে তেতিয়াতো একমিনিটৰ ভিতৰতে ই বিস্ফোৰিত হ'ব পাৰে।

মেধিয়ে চকুহাল আকৌ মুদি দিলে।

'ছাৰ।'

'হু।'

চকুহাল মুদি থাকিয়েই সহাঁৰি দিলে মেধিয়ে। তেওঁ এতিয়া চিন্তাৰ সাগৰত ডুব গৈছে। তেওঁ জানে পাৰাপাৰ হ'বলৈ হ'লে তেওঁ এনেকৈ বহি থাকিলে নহ'ব; কিন্তু কি কৰিব তেওঁ? সন্মুখত এতিয়া দুটাই পথ খোলা আছে। এটা হৈছে লণ্ডনৰ স্কটলেণ্ড য়াৰ্ডৰ পৰা ট্ৰেইনিং লৈ অহা ভাস্কৰ চৌধুৰীৰ হাতত সকলো এৰি দিয়া আৰু আনটো হৈছে চাকনৈয়াৰ মাজলৈ নিজেই আগবাঢ়ি যোৱা। মেধিয়ে আৱশ্যে জানে তেওঁৰ যুঁজাৰু মনটোৱে পিছৰটোহে আকোঁৱালি ল'ব; কিন্তু তেওঁ প্ৰথম খোজটো ক'ত পেলাব!!

৩

লাখটকীয়াৰ দুই নং ৰেলৰে লেভেল ক্ৰছিঙৰ গেটখন পাৰ হৈ পথৰ দুয়োকাষে থকা ফেৰীৱালাবোৰৰ ভীৰ আওঁকাণ কৰি মেধিয়ে যিমান পাৰে তীব্ৰ গতিত খোজ দিছিল। অইন দিনাখন হ'লে খাকী পোছাকযোৰ, হাতত থকা সৰু বেতডাল আৰু বেল্টত থকা ৰিভলভাৰটোৱে তেওঁৰ নিজৰ পৰিচয় দাঙি ধৰে। আপোনা আপুনি তেতিয়া ভীৰ পাতল হৈ পৰে। আজি পিছে সকলো ব্যতিক্ৰম। সাধাৰণ পোছাকত থকা বাবেই তেওঁক কোনেও চিনি পোৱা নাই। মেধিয়েও অৱশ্যে তাকেই বিচাৰিছিল। অত্যন্ত সংগোপনে তেওঁ অগ্ৰসৰ হ'ব লাগিব। অন্ততঃ ভাস্কৰ চৌধুৰীয়ে কিবা এটা শুংসূত্ৰ পোৱাৰ আগেয়ে তেওঁ গম পাব লাগিব হত্যালীলাৰ ৰহস্য। কোনে মাৰিব খুজিছিল মুখ্যমন্ত্ৰীক আৰু কিয় ?

মেধিয়ে কিছুদুৰ অগ্ৰসৰ হৈয়েই মাংসৰ দোকান এখনৰ কাষৰ দুফুট বহল সৰু গলি এটাৰে ভিতৰলৈ সোমাই গ'ল। দুয়োকাষে থকা জুপুৰি ঘৰবোৰ পাৰ হৈ তেওঁ এটা সময়ত আপেক্ষিকভাৱে কিছু ডাঙৰ ঘৰ এটাৰ সম্মুখত ৰৈ গ'ল।

সৰু অখ্যাত চাহৰ দোকান এখন। মাত্ৰ ডেস্ক আৰু বেঞ্চ ছয় খন মান পাৰি থোৱা আছে। অৱশ্যে গোটেই কেইখনতে ভিৰ। প্ৰত্যেকজন গ্ৰাহকৰ হাততে একোটাকৈ ৰঙীন গিলাচ। মেধিয়ে এবাৰ ওপৰে ওপৰে চকু ফুৰাই ভিতৰলৈ সোমাই গ'ল। মেধিক ভিতৰলৈ সোমাই অহা দেখিয়েই এচুকত বহি থকা চাপৰ কিন্তু মঙহাল আদবয়সীয়া মানুহ এজন বহাৰ পৰা হঠাতে উঠি থিয় হ'ল। মানুহজনে কিবা ক'বলৈ ওলাইছিল, মেধিয়ে চকুৰ ইংগিতেৰে মনে মনে থাকিবলৈ দিলে। মেধিৰ বাঁহৰ তৰ্জাৰ দৰ্জাখন ঠেলি ভিতৰৰ কোঠাটোলৈ সোমাই গ'ল। মেধি অন্ধকাৰ কোঠাটোত থকা একমাত্ৰ খাটীয়াখনত বহি লৈ দীঘলকৈ উশাহ এটা লওঁতেই চাপৰ মানুহজনো সোমাই আহি ভিতৰৰ পৰা তৰ্জাৰ দৰ্জখন বন্ধ কৰি দি এচুকত থিয় হ'ল।

'বহ।' মেধিয়ে ক'লে।

মানুহজন নবহিল। থিয় হৈ থাকিয়েই যথেষ্ট কম্পিত স্বৰত লাহেকৈ মাত দিলে, 'চুলাই ধান্দা বাদেই দিছিলো ছাৰ, যোৱা সপ্তাহৰ পৰাহে.........'

'মইতো আজি তোৰ হোটেল চাব অহা নাই।' কথাষাৰ কৈ মেধি একমুহূৰ্ত তভক মাৰি ৰৈ পুনৰ ক'লে - 'তইতো গম পাইছই যোৱা সপ্তাহত মই কোনোমতে মৰাৰ পৰা বাচি গ'লো। হয়নে নহয় শংকৰ ?'

'মইতো গম পায়েই থানালৈ গৈছিলো।'

'মই গম পাইছো। মই জানো তই আমাৰ খবৰ-বাতৰি লৈ থকা। সেইকাৰণেহে তোৰ সহায় বিচাৰি মই নিজেই আহিলো।' মেধিয়ে চিগাৰেট এটা জ্বলাই এসোপা ধোৱা উৰুৱাই

কথাষাৰ কৈ শংকৰৰ মুখলৈ চাই ৰ'ল।

'মোৰ সহায়?'

'অঁ, সামান্য খবৰ এটা মাত্ৰ লাগে।'

শংকৰ নীৰৱে ৰ'ল। সি যথেষ্ট চিন্তিত হৈছিল। সি চিন্তিত হোৱাৰ যুক্তিও আছে। ইমানদিনে সিহে পানবজাৰ থানাক সৰু সৰু অপৰাধীৰ টুকুৰা খবৰ দি আহিছে। বিনিময়ত অৱশ্যে তাৰেই লাভ হয় বেছি। এই প্ৰথম বাৰৰ বাবে পুলিচ আহিছে তাৰ ওচৰলৈ সহায় বিচাৰি। গতিকে সি অস্বস্তিত পৰা স্বাভাৱিক।

'শুন।' মেধিয়ে আৰম্ভ কৰিলে -'আজিৰ পৰা এবছৰমান আগতে তই মানুহ এটাৰ খবৰ দিছিলি। ষ্ট্ৰীটলাইট জ্বলি থকা অৱস্থাতে খুলি আনি বজাৰত বিক্ৰী কৰি ফুৰে মানুহটোৱে। তোৰ কথামতে মানুহটোক এৰেষ্ট কৰিছিলো; কিন্তু প্ৰমাণ নথকাৰ কাৰণে জেল নহ'ল। মনত আছেনে?'

'আছে।' খন্তেক পৰ চিন্তা কৰি শংকৰে মাত লগালে 'ৰামলাল যাদৱ আছিল তাৰ নাম। বিহাৰী মানুহ।'

'অ' ঠিক ধৰিছ তই। ক'ত আছে এতিয়া সি?'

'যোৱা ছমাহ ক'ত আছিল নাজানো; কিন্তু আজি এসপ্তাহমান আগৰে পৰা দেখি আছো তাক। মোৰ দোকানলৈকো আহি গৈছে সি। কিন্তু ছাৰ, সিটো ষ্ট্ৰীট লাইট চুৰ কৰাৰ বাহিৰে অন্য একো কামেই নাজানে।'

মেধিয়ে ততালিকে একো ক'ব নোৱাৰিলে। এতিয়া অৱশ্যে কিবা এষাৰ কোৱাৰ সময় হোৱা নাই। সিদিনা ছপাৰছ্ পেৰাডাইজৰ সম্মুখত গোটখোৱা মানুহৰ জুমটোৰ মাজত চকামকাকৈ দেখাপোৱা মুখখনৰ কথা নাৰ্জাৰীয়ে টিউব লাইটৰ প্ৰসংগ উল্লেখ কৰোতেই তেওঁৰ মনলৈ আহিছিল। এতিয়া শংকৰৰ আগত তেওঁৰ সন্দেহৰ কথা ভাঙি পাতি কোৱাৰ প্ৰয়োজন নাই। মেধিয়ে শংকৰৰ কথা আওঁকাণ কৰি ওলোটাই সুধিলে, 'সি সাতাইশ তাৰিখে তোৰ ইয়ালৈ আহিছিল নেকি?'

'সাতাইশ তাৰিখ?' এপলক চিন্তা কৰি শংকৰে সুধিলে, 'বোমা ফুটাৰ দিনাখন?'

'অ'। সঁহাৰি দিলে মেধিয়ে।

'আহিছিল। এবাৰ নহয়, দুবাৰমান আহিছিল।'

'তাৰ পিছত?'

'সেই দিনাখনৰ পৰা আৰু দেখা নাই। কিন্তু.........'

'কিন্তু কি?'

'সকলোৱে কোৱাকুই কৰিছে - সি হেনো ইয়াৰ পৰা কাম এৰি গুছি যাব। বাহিৰত থাকিবগৈ। মই হ'লে বিশ্বাস কৰা নাই । এই কেইদিন তাৰ বিৰাট পইচা হৈছে। ঘৈণীয়েকৰ ওপৰিও দুদিনমানৰ পৰা নেপালী মাইকী এজনীও ৰাখিছে। আপুনিটো দেখিয়েই আছে গৱৰ্ণমেণ্টে গুৱাহাটীৰ ৰাস্তাত নতুন নতুন দামী লাইট লগাব ধৰিছ। এইবোৰ এৰি সি বাহিৰলৈ কেতিয়াও নাযায়।'

মেধিয়ে একো নামাতিলে।

চিগাৰেটটো আপোনমনে হুপি শেষ কৰি তলৰ মাটিৰ মজিয়াত অৱশিষ্ট টুকুৰাটো পেলাই দি মেধিয়ে শংকৰলৈ চাই পঠিয়ালে। তেওঁ এতিয়া কেনেকৈ শংকৰক বুজাব যে ৰামলালে এই সকলো মোহ এৰি বিহাৰলৈ অকাৰণে যাবলৈ ওলোৱা নাই, যাব আত্মগোপন কৰিবলৈহে। আৰু সেইটোৱে যদি হয় ইয়াৰ অন্তনিৰ্হিত অৰ্থ এটাই হ'ব সি এটা সাংঘাতিক অপৰাধ সংঘটিত কৰিছে আৰু ইয়াৰ পৰা হাত সাৰিবলৈকে..........

'তাক ক'ত পাম এতিয়া?' মেধিয়ে অৱশেষত সুধিলে।

'এতিয়া?'

'অ'।'

'এনেয়েতো সি আঠগাৱঁৰ ৰেলৱে লাইনৰ কাষৰ বস্তিটোত থাকে; কিন্তু.......'

'তাক তই বিচাৰি দে। খবৰ পালে মোক জনাবি। অইন কাকো নহয়। বুজিলিনে?'

৪

সীতাদেৱীৰ মনলৈ বেছ অশান্তিৰ ভাৱ এটা আহিছে। অসংলগ্ন চিন্তা কিছুমানে মানুহজনীক কাহিল কৰি পেলাইছে। কৰোবাৰ আগত মুখখুলি কথা এষাৰ ক'ব পাৰিলেহে যেন মনটো পাতল লাগিব; কিন্তু কাৰ আগত মনৰ দুঃশ্চিন্তাবোৰ বিবৰি ক'ব তাই? যাৰ লগত কথা ক'ব পৰা গ'লেহেঁতেন সেই নিজৰ মানুহটোৱে আজি দুদিন ধৰি নিজৰ ঘৰলৈ অহা নাই। আগতেও পিছে এনেকুৱা হৈছিল। কেতিয়াবা এসপ্তাহলৈকে ৰামলাল যাদব ঘৰলৈ নাহে; কিন্তু তেতিয়াৰ কথা আৰু এতিয়াৰ ঘটনাৰ মাজত আকাশ-পাতাল পাৰ্থক্য। সীতাদেৱীৰ কাণত নপৰা নহয় - ৰামলালে বগী নেপালী এজনীৰ সৈতে.........

সীতাদেৱীয়ে অৱশ্যে সেইলৈ দুঃশ্চিন্তা কৰা নাই ।

যোৱা সপ্তাহৰ আগৰ কথা। সীতাদেৱীৰ ঠিক মনত আছে। এজন ভদ্ৰলোক আহিছিল সিহঁতৰ এই এক কোঠালিৰ খেৰৰ লেতেৰা ঘৰটোলৈ। কাষৰ ৰেললাইনেৰে সিদিনা অহৰহ ট্ৰেইন এখনৰ পিছত ইখন গৈ থকা বাবেই ৰামলালৰ লগত কি কথা পাতিছিল তাই স্পষ্টকৈ নুশুনিলে; কিন্তু মানুহটো যোৱাৰ পিছৰে পৰা ৰামলালৰ চকুৰে-মুখে আনন্দৰ জোৱাৰ ভাঁহি

উঠিছিল। এইবাৰ হেনো ডাঙৰ চিকাৰ নিজেই আহি ধৰা দিছেহি। সীতাদেৱীয়ে একো বুজা নাছিল। দুদিনমানৰ পিছত ৰামলালে টকা দহ হেজাৰ সীতাদেৱীৰ হাতত তুলি দিওঁতে অৱশ্যে তাইৰ মনটোও আনন্দত থৌকি-বাথৌ হৈছিল; কিন্তু পিছদিনাখনেই অশান্তিৰ ভাৱ এটাই সীতাদেৱীক জুমুৰি দি ধৰিছিল। দুমাহমানৰ বাবে বোলে সিহঁত বিহাৰত থাকিব যাব লাগিব। কিয় অৱশ্যে নুসুধিলে তাই। ৰামলালক প্ৰশ্নটো সুধিব পাৰিলেই হয়তো তাইৰ অশান্তিৰ মাত্ৰা কিছু কমিলেহেঁতেন।

ৰামলাল সেইদিনাই যি ওলাই গ'ল আৰু ঘৰলৈ উভতি অহা নাই। বস্তিৰ দুই-এটাই অৱশ্যে সীতাদেৱীক খবৰ দি আছে ৰামলাল ক'ত ক'ত আছে এইকেইদিন। সীতাদেৱীয়ে বুজিছিল হাতত থকা টকাৰ ভাণ্ডাৰ শেষ কৰিহে হয়তো ৰামলাল আকৌ এই পুৰণি জুপৰি ঘৰটোলৈ উভতি আহিব। তেনেকুৱা এটা ভাৱত থাকোতেই দুপৰীয়া শংকৰক দুৱাৰ মুখত লগ পাই সীতাদেৱীৰ ভাৱত যতি পৰিছিল। শংকৰৰ নামটো তাই আগতেও শুনিছিল; কিন্তু কেতিয়াও কথা নপতা মানুহটোৱে উপযাচি আহি ৰামলালৰ কথা উপৰ্য্যুপৰি সুধি থাকোতেই সীতাদেৱীৰ মনলৈ অশান্তিৰ ভাৱ আহিছিল। আৰু তেতিয়াৰ পৰাই সীতাদেৱী বিক্ষিপ্ত ভাৱত বিভোৰ হৈ আছে।

গধূলি হৈ আহিছিল তেতিয়া।

সীতাদেৱী হাৰিকেন লেম্পটো জ্বলাই বাঁহৰ খুটা এডালত ওলোমাই থবলৈ ওলাঁওতেই বাহিৰত কোনোবাই চেপা কণ্ঠেৰে মতা শুনিলে - 'ৰামলাল।'

সীতাদেৱীয়ে লেম্পটো হাতত লৈ তৰ্জাৰ দৰ্জা ঈষৎ খুলি দিলে।

'ৰামলাল নাই ?' ভদ্ৰলোক এজনে দুৱাৰ মুখত থিয় দি সুধিছিল।

সীতাদেৱীয়ে মূৰ জোকাৰিলে। তাই চিনি পালে মানুহজনক। সেইদিনা এই মানুহজনেই আহিছিল ৰামলালৰ কথা পাতিবলৈ।

'ক'ত গৈছে।'

সীতাদেৱীয়ে আকৌ মূৰ জোকাৰিলে।

'বিহাৰলৈ গ'ল নেকি ?' আকৌ সুধিলে আগন্তুকে।

'বিহাৰলৈ ?' সীতাদেৱী যৎকিঞ্চিত আচৰিত হ'ল।

'অ।' মই কৈ গৈছিলো যাবলৈ। দুমাহৰ বাবে। কিয় যোৱা নাই ?'

'কিয় যোৱা নাই মই ক'ব নোৱাৰো।' সীতাদেৱীয়ে হিন্দীতে কিছু কম্পিত স্বৰেৰে ক'লে। 'অলপ আগতে শংকৰেও বিচাৰি আহিছিল। সিও ৰামলাল বিহাৰলৈ গ'ল নেকি বুলি সুধিছিল।'

'কোন শংকৰ?' আগন্তুকজন যেন বেছ আচৰিত হ'ল।

সীতাদেৱীয়ে শংকৰৰ পৰিচয়টো চমুকৈ দিলে। আগন্তুকজন পিছে বেছি সময় আৰু নৰ'ল। মাত্ৰ ৰামলালক আহি পালেই বিহাৰলৈ গুছি যাবলৈ দঢ়াই দঢ়াই কবলৈ কৈয়ে তেওঁ উভতি খোজ দিলে। বস্তিৰ লেতেৰা অন্ধকাৰ গলিটোৰে খৰকৈ খোজ দি তেওঁ আঠগাৰঁৰ লেভেল ক্ৰছিংটো পাৰ হৈ বাওঁহাতে ঘূৰিল। সেইখিনিতেই বগা মাৰুতি ভেন এখন ৰৈ আছিল। চালকজনৰ আসনত বহি আছিল প্ৰায় ত্ৰিছ বছৰীয়া যুৱক এজন। তেৱেঁই প্ৰথমে সুধিলে - 'ৰামলালক পালেনে?'

'সি ঘৰতো নাই, বস্তিতো নাই। বিহাৰলৈকো যোৱা নাই। আনহাতেদি তাক শংকৰ বোলা মানুহ এটাইয়ো বিচাৰি ফুৰিছে। কিয় বিচাৰি আছে নাজানো; কিন্তু ৰামলালক অইন কোনাবাই বিচাৰি ফুৰাটো আমাৰ বাবে সুবিধাজনক নহয়।'

'তেন্তে?' যুৱকজনে প্ৰশ্নটো সুধিয়েই গাড়ীখন ষ্টাৰ্ট কৰিলে।

তেওঁৰ উত্তৰলৈ বাট নাচালে।

উত্তৰ কি হ'ব তেওঁ জানে।

মৃত্যু।

৫

আদিম আনন্দৰ জোৱাৰৰ যেন শেষ নাই। পূৰ্ণিমাৰ মনত যেন তেনে ভাৱেই হৈছিল। অৱশ্যে মাজে-মাজে হঠাতে একোবাৰ দুঃচিন্তাৰ ভাৰো তাইৰ মনলৈ নহা নহয়। বেমাৰী, নিবনুৱা আৰু প্ৰৌঢ় স্বামী মনবাহাদুৰ থাপাক এৰি ৰামলাল যাদৱৰ লগ-লগা আজি দুদিন পাৰ হৈ গ'ল। মাথোঁ এসপ্তাহৰ চিনাকীতে তাই ৰামলালৰ প্ৰস্তাৱত মান্তি হৈছিল। চৰম বিৰক্তিত তাই এই পথ স্ব-ইচ্ছাই আকোঁৱালি লৈছিল। তাই মানুহ এঘৰত দিনটো কেচুঁৱা ৰখাৰ কাম চম্ভালিছিল। আনহাতে মনবাহাদুৰে বিছনাখনত শুই শুই সময় কটাইছিল। বেমাৰী মানুহটো শুই নাথাকি উপায়ো নছিল; কিন্তু পূৰ্ণিমাৰ বিৰক্তি উপজিছিল প্ৰতিদিনে শংকৰৰ দোকানৰ পৰা তাইৰ উপাৰ্জনৰ পইচাৰে মদপী স্বামীলৈ পানীয়ৰ বটল আনিবলৈ বাধ্য হব লগাতহে। কেতিয়াবা হাতত পইচা নাথাকিলে শংকৰক তাই সকলো ধৰণেৰে সন্তুষ্ট কৰিব লাগিছিল। শংকৰৰ দোকানতে তাই ৰামলালৰ লগত চিনাকী হৈছিল। আৰু এসপ্তাহৰ পিছতে ৰামলালৰ হাতত থকা পাচঁশ টকাৰ নোট কেইখনৰ মোহতেই হয়তো এই পথ বাছি লৈছিল।

'এই পূৰ্ণিমা।'

'কি?' বিছনাখনৰ সিটো দাঁতিৰ পৰা মূৰটো ঘূৰাই পূৰ্ণিমাই সুধিলে।

'মই আহো। এঘণ্টাৰ ভিতৰতে ঘূৰি আহিম।' কথাষাৰ কৈয়ে ৰামলাল বিছনাখনৰ

পৰা নামি মজিয়াত থিয় হ'ল।

'গধূলিখন ক'লৈ যোৱা?' পূৰ্ণিমাই সুধিলে।

'ঘৰলৈ।'

'কিয়?' পূৰ্ণিমা আচৰিত হ'ল।

'হাতত টকা নাই, ঘৰৰ পৰা লৈ আহো।' এইবাৰ ৰামলালে কিছু কৰ্কশভাৱে ক'লে - 'মই যোৱাৰ পিছত তই দৰ্জাখন বন্ধ কৰি লবি। কলৈকো নাযাবি, ভিতৰতে থাকিবি। মোৰ মাত শুনিলেহে দৰ্জা খুলিবি।'.

ৰামলাল আৰু ন'ৰল। তৰ্জাৰি দৰ্জাখন বাহিৰৰ পৰা জপাই দিয়াৰ শব্দ শুনি পূৰ্ণিমাই উদং দেহটো বিচনাচাদৰ এখনেৰে ঢাকি বিচনাখনৰ পৰা নামিল। তাই তৰ্জাৰ দৰ্জাখনৰ দাংডাল মাৰিব খুজিও ৰৈ গ'ল। দৰ্জাখনৰ ঈষৎ ফাঁক এটাৰে কিছু আঁতৰৰ অন্ধকাৰত তিনিটা ছাঁয়ামূৰ্ত্তি ৰৈ থকা দেখি পূৰ্ণিমাৰ মনলৈ দুঃচিন্তাৰ ভাৰ আহিল। তাই দৰ্জাখন আৰু অলপ ফাঁক কৰি এইবাৰ মুখখন বাহিৰলৈ উলিয়াই আকৌ দূৰলৈ চাই পঠিয়ালে। সৰু অন্ধকাৰ গলিটোৰ এটা ফালে প্ৰকাণ্ড ওখ দেৱাল এখন। আনফালে সৰু সৰু জুপুৰী ঘৰৰ লানি নিছিগা শাৰী। অন্ধকাৰৰ মাজতো পূৰ্ণিমাই ৰামলালৰ অবয়ৱতো অনুমান কৰিব পাৰিলে; কিন্তু অইন দুজন কোন?

'লাখটকীয়াৰ মদৰ বেপাৰী শংকৰে তোক কিয় বিচাৰি আছে?'

এজনে কিছু কৰ্কশ ভাৱে সোধা প্ৰশ্নটো পূৰ্ণিমাৰ কাণত পৰিল। ৰামলালে কি উত্তৰ দিলে তাই উমান নাপালে। পিছৰ মুহূৰ্তটোৰ ছবিখনেহে পূৰ্ণিমাক আতংকিত কৰি তুলিলে। ৰামলাল হঠাতে মাটিত ঢলি পৰিল কিয়? আৰু মানুহ দুটা? সিহঁত দুটা দৌৰি আঁতৰি যোৱাৰ দৃশ্যটোতকৈ ৰামলালৰ মুখৰ পৰা বাগৰি অহা চিৎকাৰটোতহে পূৰ্ণিমাৰ খেয়াল হ'ল তাই এক চক্ৰবেহুত ক্ৰমান্বয়ে সোমাব ধৰিছে। পূৰ্ণিমাই জানে খন্তেক পিছতে জুপুৰী ঘৰকেইটাৰ পৰা আবাসীবোৰ ওলাই আহিব। তাৰে কোনোবাই হয়তো পুলিচক খবৰ দিব। আৰু তেতিয়া কি হ'ব তাইৰ?

পূৰ্ণিমাই বিচনাখনৰ এটা দাঁতিত পৰি থকা তাইৰ কাপোৰখিনি ল'ৰালৰিকৈ গাত মেৰিয়াই লৈ দৰ্জাখন খুলি সাউতকৰে পিছলৈ দৌৰি ওলাই গ'ল। যাওঁতে তাইৰ চকুত পৰিছিল- দুই এজনকৈ জুপুৰী ঘৰকেইটাৰ পৰা মানুহ ওলাই ৰামলালক বেঢ়ি ধৰিছে।

'খুন...................... খুন হৈ গ'ল...............'

কোনোবাই আতংকত চিঞৰি দিয়া পূৰ্ণিমাৰ কাণত পৰিল। লগে লগে তাইৰ খোজৰ মাত্ৰাও আৰু তীব্ৰ হ'ল। পূৰ্ণিমাই জুপুৰী ঘৰটোৰ পিছফালৰ নৰ্দমাটোৰ কাষে-কাষে প্ৰায় পাঁচমিনিট মান দৌৰি যোৱাদি গৈ এটা অন্ধকাৰ ঠেক গলিৰে অগ্ৰসৰ হ'ল। তাই ক'ব

নোৰাৰে ক'লৈ গৈ আছে, কিয় গৈ আছে। সেয়েহে কেনেকৈ যে লাখটকীয়াৰ দুই নং ৰেলৱে গেটৰ বস্তিৰ মাজৰ শংকৰৰ দোকানখনত ভৰি দিলে তাইৰ খেয়ালেই নহ'ল। অইন দিনাখন হ'লে শংকৰৰ দোকানত ভৰি দিয়াৰ লগে লগে তীব্ৰ অস্বস্তিৰ ভাৱ এটাই তাইক গিলি পেলাই। আজি দোকানত থকা গ্ৰাহক কেইজনৰ চকুৰ কুটিল দৃষ্টিক ভ্ৰূক্ষেপ নকৰি পূৰ্ণিমাই পোনছাটেই দোকানখনৰ ভিতৰৰ ৰুমটোলৈ সোমাই গ'ল।

'পূৰ্ণিমা। তই!' শংকৰৰ চেপা কণ্ঠস্বৰ পূৰ্ণিমাৰ কাণত পৰিল।

তাই এতিয়া কি উত্তৰ দিব?

অইন দিনাখন হ'লে তাই একো নোকোৱাকৈ দহ টকাৰ নোট এখন শংকৰলৈ আগবঢ়াই দিলেহেতেঁন। বিনিময়ত শংকৰে দিয়া সৰু পানীয়ৰ বটলটো শাড়ীৰ আচলত মেৰিয়াই লৈ পুনৰ ঘৰলৈ বুলি উভতিলহেঁতেন। কেতিয়াবা হাতত টকা নাথাকিলে অনিচ্ছা স্বত্বেও এই কোঠাটোলৈকে তাই শংকৰৰ পিছে পিছে সোমাই আহিব লগীয়াত পৰে; কিন্তু আজি?

পূৰ্ণিমাৰ ফোঁপনি তেতিয়াও মাৰ যোৱা নাছিল।

তাই ফোঁপাই থাকিয়েই ঢোক এটা গিলি ক'বলৈ আৰম্ভ কৰিলে ..........................

৬

কোঠাটো বেছ ডাঙৰেই আৰু আটক ধুনীয়াও। এচুকত আছে প্ৰকাণ্ড চেক্ৰেটেৰীয়েট টেবুল এখন। সেইখনৰ পোনে পোনে আন এটা কোণত ধুনীয়া চোফা-চেট এযোৰ পাৰি থোৱা আছে। তাৰে এজনীয়া ছোফা এখনত বহি আছে শকত-আৱত আদহীয়া মানুহ এজন। তেওঁৰ চকুৰ দৃষ্টি কাষৰ জপাই থোৱা খিৰিকীৰ আয়নাৰে তলৰ ব্যস্ত পথটোত বৈ গৈছে। মানুহজনৰ হাতত থকা জ্বলন্ত চিগাৰেটটো এনেয়ে জ্বলি-পুৰি আছে। পিছত অৱশ্যে ছাই খিনি তেওঁৰ ওচৰতে থকা চাইড টেবুলৰ এছট্ৰেত পেলাই দিলে। মানুহজনৰ মুখৰ অভিব্যক্তি লক্ষ্য কৰি ছেক্ৰেটেৰীয়েট টেবুলখনৰ সিপাৰে ধুনীয়া চকীখনত বহি থকা প্ৰায় পঞ্চাশ বছৰীয়া আধা পকা চুলিৰ ফ্ৰেন্সকাট দাড়িৰ মানুহজনে সুধিলে - 'কিনো চিন্তা কৰি আছে ভাটিয়া?'

'এই গোটেই ঘটনাটোকে এফালৰ পৰা জুকিয়াই ভাবি চাইছো।' জ্বলি থকা চিগাৰেটটোত দীঘলকৈ হোপা এটা মাৰি অৱশিষ্টখিনি এছট্ৰেত গুজি দি ভাটিয়া বোলা মানুহজনে উত্তৰ দিলে।

'কি পালে?'

'চিন্তা কৰি এটা সিদ্ধান্তলৈ আহিলো যে আমাৰ এঘাৰজনৰ ভিতৰত কোনোবা এজনে আমাক বিশ্বাসঘাটকতা কৰিছে।'

'আপুনি ভুল কৰিছে। এঘাৰজন নহয়, নজন। আপোনাক আৰু মোক বাদ দিলে

এঘাৰজনৰ ভিতৰত নজনহে থাকে।'

'বাৰু মানি ল'লোঁ এঘাৰজন নহয়, নজনহে; কিন্তু কোনজন? চোপ্রা, আগৰৱালা, গোয়েংকা, ৰনবীৰ সিং, সুৰীন্দৰ খান্না, জাজোদিয়া, পৰমবীৰ সিং, হনুমান শেঠ আৰু অবিনাশ কাপুৰ? এই কেইজনৰ ভিতৰতে এজন হ'ব। কিন্তু কাক ধৰিব? কাক এৰিব?' ভটিয়াই আৰু এটা চিগাৰেট জ্বলাই লৈ এইবাৰ সুধিলে - 'আপুনি কিবা ধৰিব পাৰিছেনে কুমাৰ?'

'মই?' কুমাৰ বোলাজনে ওলোটাই সুধিলে।

'অ'। আপোনাৰ নেটৱৰ্ক মোতকৈ বেছি শক্তিশালী। মই টিউব লাইটৰ ডিভাইচটোৰ কথাহে কৈছিলো। আপুনিটো লগেই লগেই ফৰেইনৰ পৰায়ে লৈ আনিলে তেনেকুৱা টিউব লাইটৰ বাল্ব। আপোনাৰ হাতত মানুহ দেখাৰ আছে। পুলিচতো আপোনাৰ ইনফৰ্মাৰ আছে বুলি শুনিছো।'

'থকাত আছে; কিন্তুএতিয়া কামত অহা নাই।' হুমনিয়াহ এটা এৰি কুমাৰে ক'লে - 'আচলতে এনকোৱাৰিটো স্কটলেণ্ড য়াৰ্ডৰ ট্ৰেইনিং লৈ অহা নতুন অফিচাৰ জনেহে কৰিছে। তেওঁ মাত্ৰ টিউব বাল্ব কেইটাৰ দ্বাৰাই যে আমি কামটো কৰিব খুজিছিলো সেইটো গম পাইছে; কিন্তু তেৰোঁ ৰামলালৰ লিংক পোৱা নাই। সেয়েহে একোবাৰ ভাৱ হয় ৰামলালক ফিনিচ কৰিবলৈ মানুহ নপোঠোৱা হ'লেই ভাল হলেহেঁতেন নেকি?'

ভাটিয়াই একো নামাতিলে।

তেওঁৰ দুঃশ্চিন্তাৰ হেতু অন্য এটাহে।

বৰ সুকলমে জালখন পেলোৱা হৈছিল। আগৰ তিনিবাৰ প্ৰতিবাৰেই সৰু সৰু একোটা ভুলৰ বাবে অপাৰেছন ব্যৰ্থ হৈছিল। সেয়েহে এইবাৰ তেওঁ আৰু কুমাৰে নিজেই জাল পেলাইছিল। তেওঁলোক দুজনে দেখুৱাব খুজিছিল যে এঘাৰজনৰ সন্মিলিত শক্তিতকৈ তেওঁলোক দুজনৰ কৌশল আৰু বেছি নিখুঁত, শক্তিমান। শেষমুহূৰ্তলৈকে তেওঁলোক দুজনে কাকো জানিব দিয়া নাছিল ষড়যন্ত্ৰৰ ৰহস্য। আনকি আইন তিনিবাৰৰ দৰে এইবাৰো কুমাৰে তেওঁৰ বিশ্বস্ততম মেনেজাৰজনকো কোনো কথাৰে সম্ভেদ দিয়া নাছিল। অৱশ্যে ঘটনাৰ দিনা দুপৰীয়াহে চাৰি ঘণ্টাৰ পিছতে হ'বলগীয়া ৰক্তাক্ত বিস্ফোৰণটোৰ কথা কলকাতাত থকা তেওঁৰ মেনেজাৰজনক জনাইছিল।

'কি হ'ল ভাটিয়া?'

'এটা কথা মন কৰিছেনে?' কুমাৰৰ অৰ্থপূৰ্ণ চাৱনিক আওকাণ কৰি ভাটিয়াই কৈ গ'ল 'আমি ইয়াৰ আগৰ তিনিবাৰ অসফল হ'লো আমাৰ দোষত নহয়, ভাগ্যৰ দোষত। সেই তিনিবাৰ আমাৰ কোনেও বিধি পঠালি দিয়া নাছিল। এইবাৰো মই যেতিয়া এদিন কৈছিলো যে

আপুনি আৰু মই নিজেই জাল পেলাইছিলো বুলি, সেইবাৰো সকলোৰে উৎসাহ দেখুৱাইছিল। লগাতকৈও বেছিকৈ পইচা দিছিল। তাৰমানে আমাৰ কামত সমৰ্থন আছিল। নহয়নে?'

'অ।' কুমাৰে শলাগিলে।

'গণ্ডগোলটো আৰম্ভ হ'ল সেইদিনা দুপৰীয়া মই গধূলি হ'বলগীয়া এক্সিডেন্টটোৰ ঠাই জনোৱাৰ পিছৰ পৰাহে। আপুনি কথাটো মন কৰিছিলনে নাই মই নাজানো। সেই ঠাই টুকুৰা আমাৰে কোনোবাই পচণ্ড কৰা নাছিল বুলি মোৰ এতিয়া সন্দেহ হৈছে। আনপিনে আমাকো গোনপটীয়াকৈ বাধা দিব নোৱাৰে। দিলেও বিপদ আৰু নিদিলেও নিজৰেই ক্ষতি। সেইবাবেই পুলিচক খবৰ দি দিলে যাতে আমি ব্যৰ্থ হওঁ। হয়নে?'

'হ'ব পাৰে।' কুমাৰে আকৌ শলাগিলে।

'যদি সেইটোৱে হয় তেতিয়া হ'লেই প্ৰথমেই গোৰেঙ্কাক ধৰিব লাগিব। তেওঁ নিজৰ হুণ্ডিৰ পৰাই ছুপাৰছ্ পেৰাডাইজৰ বিল্ডাৰ ছয়জনক পাঁচ কোটি টকা উলিয়াই দিছিল। অবিনাশ কাপুৰৰ আৰ্কি ট্ৰেক্সাৰ ফাৰ্মখনেই ঘৰটোৰ ডিজাইন কৰিছিল। আনহাতে জাজোদিয়া আৰু বিল্ডাৰজন বন্ধু, দূৰ সম্পৰ্কীয় আত্মীয় হয় বুলিও শুনিছো। তেওঁৰো টকা তাত সোমাই আছে।'

ভাটিয়াই কথাখিনি কৈ নীৰৱে ৰ'ল।

এইবাৰ কুমাৰেও একো নক'লে। তেৰোঁ দুঃশ্চিন্তাত পৰিছিল। যদি ভাটিয়াৰ কথাখিনিয়েই সচাঁ হয় তেন্তে তিনিওজনৰ বিপক্ষে যুঁজাটো সহজ কথা নহ'ব। কিন্তু তেওঁলোকেই বা বাধা দিলে কিয়? আৰু বাধা দি সফল হোৱাৰ পিছতো ৰামলালক বিচাৰি শংকৰ বোলা মানুহটোক খটুৱাৰো কোনো অৰ্থ থাকিব নোৱাৰে। তেন্তে?

কুমাৰে প্ৰশ্নটোৰ কোনো উত্তৰ নাপালে।

হঠাতে কুমাৰৰ খেয়াল হ'ল ভাটিয়াই বাৰু গোৰেঙ্কাহঁতক নিঃশেষ কৰি দিয়াৰ চিন্তা কৰা নাইতো? ভাটিয়াৰ বাবে গোৰেঙ্কা, জাজোদিয়া আৰু কাপুৰ নিঃশেষ হলেই লাভ হ'ব পাৰে; কিন্তু তেওঁৰ বাবে?

কুমাৰৰ মুখত ক্ৰুৰ হাঁহি এটা ফুটি উঠিল।

তেওঁলোক তিনিজনক যদি শেষ কৰিব পাৰি তেতিয়াহ'লে অৱশিষ্ট কেইজনকো নোৱাৰাৰ কোনো মানে নাই। আনকি ভাটিয়াকো। আৰু তেতিয়া হ'লে তেৱেঁইতো এই বিশাল অন্ধকাৰ সাম্ৰাজ্যৰ একছত্ৰী সম্ৰাট হৈ পৰিব!!

৭

'তই চিন্তা নকৰিবি পূৰ্ণিমা। মই আছো। তোৰ কোনো ভয় নাই।'

'কিন্তু পুলিচ? পুলিচেতো মোকেই সন্দেহ কৰিব।'

'নকৰে। পুলিচৰ পৰা বচাবলৈ মই আছো।'

'কিন্তু .................' পূৰ্ণিমাই আধাকোৱাকৈ ৰৈ আকৌ উচুঁপি উঠিল।

'কিন্তু কি?' এইবাৰ শংকৰে মৰম লগাকৈ সুধিলে।

'মন বাহাদুৰে যদি পুলিচক লগাই দিয়ে?'

'নিদিয়ে। ৰাতি পুৱাই তই এমাহৰ জোখাৰে বটল কেইটামান লৈ যাবি। মনবাহাদুৰে সকলো পাহৰি যাব। এই দুদিন তই লগত নথকা কথাকো পাহৰি যাব।'

এইবাৰহে যেন পূৰ্ণিমা কিছু আশ্বস্ত হ'ল।

'তই এই বিছনাখনতে শুই ল। শুলেই মনটো ভাল লাগিব।'

'আৰু আপুনি?' পূৰ্ণিমাই বিছনাখনতে গাটো পেলাই দি সুধিলে।

'ময়ো বাৰু .................' পিছৰ কথাখিনি শংকৰে সম্পূৰ্ণকৈ শেষ কৰিব নোৱাৰিলে। হঠাতে তাৰ লাজ লাগি গ'ল। আগতেও পূৰ্ণিমাৰ লগত সি কেতিয়াও এযাৰিতকৈ বেছি কথা পাতি পোৱা নাছিল। তাৰ মাজতো অৱশ্যে পূৰ্ণিমাৰ সৈতে কেইবাটাও অন্তৰংগ মূহুৰ্ত পাৰ কৰি দিবলৈ সি সুবিধা পাইছিল। আৰু আজি?

সময়খিনি যে কেনেকৈ পাৰ হৈ গ'ল শংকৰৰ খেয়ালেই নহ'ল। হঠাতে সাৰ পাই উঠি হাতৰ ঘড়ীটোলৈ চকু পৰাতহে সি উচপ খালে। নিশা এঘাৰটা বাজি গৈছে এতিয়া। তাৰমানে সম্পূৰ্ণ চাৰিঘণ্টা কেনেকৈ যে অতিবাহিত হৈ গ'ল সি ততকে ধৰিব নোৱাৰিলে। বিছনাখনৰ একাষে লেতু-সেতুকৈ শুই থকা পূৰ্ণিমাৰ দেহৰ উত্তাপ আওঁকান কৰি সি বিছনাখনৰ পৰা নামি আহিল। বাহিৰৰ পৃথিৱীখন তেতিয়া ঘোৰ অন্ধকাৰ, নীৰৱ। দুই-এটা কুকুৰৰ ভূক-ভূকনিহে শংকৰৰ কাণত পৰিল। সি চাৰিওফালে এবাৰ চকুফুৰাই গলিটোৰে খৰকৈ খোজ দি আগবাঢ়ি গ'ল। প্ৰথমে এবাৰ ৰেললাইনটো পাৰ হৈ যাবলৈ ওলাইয়ো পিছমুহূৰ্ততে সিদ্ধান্তটো সলাই শংকৰে পুলিচ ৰিজাৰ্ভৰ সন্মুখেদি অগ্ৰসৰ হ'ল। অলপ আগলৈকে দেহ-মনত বিৰাজ কৰা চৰম উশৃংখলতা এতিয়া তাৰ এধানিমানো নাই। তাৰ ঠাইত বিৰাজ কৰিছে এক অস্বস্তিকৰ মনোভাৱে। ৰামলালক বাৰু কোনে মাৰিলে? এই প্ৰশ্নটোৱে শংকৰক আলোড়িত কৰি ৰাখিছিল। তাৰ খেয়ালেই নহ'ল কেতিয়াযে সি ছাত্ৰীবাৰীৰ খৃষ্টীয়ান হস্পিতালৰ চৌহদ পাৰ হৈ বিমল মেধিৰ ঘৰলৈ বুলি সোমোৱা পথটোত ভৰি দিব ওলাইছে।

হঠাতে শংকৰৰ ভাব হ'ল তাৰ পিছতেই যেন গাড়ীএখন আহি ৰৈ গৈছে। সি উচপ খাই উঠি পিছলৈ ঘূৰি চাওঁতে দেখিলে তাৰ পৰা মাত্ৰ বিশফুটমান আঁতৰত মাৰুতি ভেনখন নিঃশব্দে আহি ৰৈ গৈছে। ভেনখনৰ হেডলাইটটো জ্বলিয়েই আছিল। সি ঘূৰি চোৱাৰ

সময়তহে নুমাই গ'ল। শংকৰে এপলক বৈ চাই ৰ'ল ভেনখনলৈ। সি হয়তো বিপদৰ আগজাননী এটা অনুভৱ কৰিছিল। সি পুনৰ খোজ দি আঁতৰি যাবলৈ ওলাওঁতেই ভেনখনৰ দুৱাৰ দুখন খুলি দুজন লোক দৌৰি আহি তাক দুয়োফালৰ পৰা গবা মাৰি ধৰি ল'লে। মানুহ দুজনে তাক তেনেকৈয়ে চোচোঁৰাই ভেনখনলৈ লৈ যাব ওলাইছিল। প্ৰথমে শংকৰে বাধা দিবলৈ অৱকাশেই পোৱা নাছিল; কিন্তু তাৰ পিছতেই সি নিজকে চম্ভালি লৈ প্ৰচণ্ড শক্তিৰে গাটো জোকাৰি দিলে। বজ্ৰ কঠিন তাৰ আঘাতত শংকৰৰ বাওঁহাতৰ মানুহজন উফৰি পৰিল।

এটা বিৰল সুযোগ।

শংকৰে বাওঁহাতখনেৰে পেণ্টৰ পৰা নিত্য সহচৰ সৰু ধাৰাল ছুৰীখন উলিয়াই তাৰ সোঁহাতে থকা লোকজনৰ পেটত সুমুৱাই দিলে। এসোপা উষ্ণ তেজৰ চিটিকনি তাৰ চাৰ্টত পৰিছিল। শংকৰে পিছে সেইবোৰলৈ ভ্ৰূক্ষেপেই নকৰিলে। মানুহজনে যন্ত্ৰণাত কাতৰ হৈ মুঠিটো এৰি দিছিল। শংকৰে সেই সুযোগটিলৈকে অপেক্ষা কৰি আছিল। সি বেষ্টনীৰ পৰা মুক্ত হৈয়েই তীব্ৰ গতিৰে দৌৰিব আৰম্ভ কৰিলে। শংকৰে এবাৰ পিছলৈ ঘূৰি চাইছিল। পেটত সোমাই থকা ছুৰীখন সাৱতি লৈ মানুহজন ৰাস্তাত ছটফটাই পৰি থকা দৃশ্যটোৱে শংকৰৰ মনলৈ কিছু সন্তুষ্টিৰ ভাব আনি দিছিল। সি প্ৰাণ পণে দৌৰি বিমল মেধিৰ ঘৰৰ বাৰাণ্ডাত ঠিয় হৈ বেলটো বজাই দিলে। দুবাৰমান বজোৱাৰ পিছতে প্ৰথমে বাৰাণ্ডাৰ লাইটৰ বাল্বটো জ্বলি উঠিল। পিছৰবাৰ দৰ্জাখন সামান্য খোল খালে।

'শংকৰ তই। এই ৰাতিখন .................... তাতে আকৌ চাৰ্টত ..........।'

'মোক ................. এইমাত্ৰ ..............।'

'আগতে তই ভিতৰলৈ সোমাই আহ।'

শংকৰে ভিতৰলৈ সোমাই গৈ বেতৰ চকীখনত বহি দীঘলকৈ উশাহ ল'লে। বিমল মেধিয়েও দুৱাৰখন জপাই ওচৰতে বহি লৈ মাত দিলে - 'কি হ'ল কৈ যাচোন এতিয়া।'

শংকৰে চমুকৈ ঘটনাটো বৰ্ণালে। বিমলে বেছ মনোযোগেৰে শুনি ভিতৰলৈ সোমাই গ'ল। প্ৰায় পাঁচমিনিটৰ ভিতৰতে তেওঁ ওলাই আহিল, এইবাৰ সম্পূৰ্ণ সজ্জিত হৈ, লগত এটা দহ বেটাৰীৰ টৰ্চ আৰু ৰিভলভাৰ এটা।

'ব'ল।'

কথাষাৰ কৈয়ে তেওঁ পৰ্চত থকা মাৰুতি ভেনখনত উঠি ল'লে। শংকৰেও তড়িৎ গতিৰে গাড়ীখনত উঠি বহিল। গাড়ীখন গলিটো অতিক্ৰম কৰি মেইন ৰোডত উঠোতেই শংকৰে মাত দিলে — 'সেইখিনিতে ছাৰ, মানুহ যে গোট খাইছে তাতেই মানুহ দুজনে মোক আক্ৰমণ কৰিব ওলাইছিল।'

'তই গাড়ীতে বহি থাকিবি। ওলাই নাযাবি। মই চাই আহো।' পথৰ মাজত গোট খোৱা এজুম মানুহৰ ওচৰত গাড়ীখন ৰখাই মেধি নামি গ'ল।

'ছাৰ। আপোনাক খবৰ দিবলৈ মানুহ পঠিয়াব খুজিছিলো।' জুমটোৰ পৰা প্ৰৌঢ় লোক এজনে মেধিক দেখি দূৰৈৰ পৰাই চিঞৰি ক'লে।

'কি হ'লনো?' মেধিয়ে তেওঁৰ স্বাভাৱিক গহীন মাতটোৰে সুধিলে।

'মই কামৰ পৰা আহিছিলো। দূৰৈৰ পৰা দেখিলো ঠিক এইখিনিতে এজন মানুহে আন এজন মানুহক টানি-টানি গাড়ী এখনত উঠাব ধৰিছে। মই দৌৰি অহা দেখি মানুহজনক গাড়ীত উঠাই লৈয়েই পলাল। চকামকাকৈ মানুহজনৰ পেটত ছুৰী এখনো দেখিলো। গোটেই গাত তেজেই তেজ। এই ৰাস্তাতো তেজৰ চেকুঁৰা পৰিছে দেখিছেনে ছাৰ। এই তেজ দেখিয়েই মোৰ মূৰ ঘূৰাই গ'ল। গাড়ীখনৰ মানে মাৰুতী ভেনখনৰ গোটেই নম্বৰটো পঢ়িবলৈ নহ'ল। ৪৫০৮ এই কেইটাহে মনত থাকিল .............।'

৮

নিশাৰ গুৱাহাটীৰ এ.টি ৰোডৰ নিজান আলিবাটটোৰে উল্কা বেগেৰে মাৰুতি ভেনখন ধাৱমান হৈ এটা সময়ত ভৰলুমুখৰ ওচৰৰ সৰু মটৰ গেৰেজ এটালৈ সোমাই গ'ল। চালকজনে গাড়ীখনৰ ষ্টাৰ্ট বন্ধ কৰিয়েই কাষৰ চিটত নিঃসাৰ হৈ পৰি থকা ৰক্তাক্ত সহযাত্ৰীজনলৈ আঁৰ চকুৰে চাই পঠিয়ালে। মানুহজনৰ বুকুখন উঠা-নমা কৰি থকাৰ দৃশ্যটিয়ে তেওঁক কিছু সকাহ দিলে। এইবাৰ দৰ্জাখন খুলি তেওঁ গেৰেজটোৰ ভিতৰত পৰি থকা গাড়ী কেইখনৰ মাজে মাজে খোজ দি ভিতৰৰ এচুকত থকা সৰু কেবিন এটাৰ বন্ধ দৰ্জাখনত টুকুৰিয়াই দিলে।

'কোন?' ভিতৰৰ পৰা পুৰুষ কণ্ঠ এটা ভাঁহি আহিল।

'মই। আদিল।'

দৰ্জাখন এইবাৰ ততালিকে খোল খালে। চালকজন অৰ্থাৎ আদিল বোলাজন ভিতৰলৈ সোমাই গৈ এখন হাতোৰা ভঙা কাঠৰ চকীত বহি লৈ মাত দিলে 'কুমাৰ ছাৰলৈ ফোন এটা কৰকচোন'।

পুৰুষজনে টেবুলৰ ড্ৰয়াৰৰ পৰা টেলিফোন এটা উলিয়াই লৈ নম্বৰ মিলালে। মানুহজনে আগবঢ়াই দিয়া ৰিচিভাৰটো কাণত লৈ আদিলে মাত দিলে 'হেল্লো।'

'কোৱা।' সিফালৰ পৰা কুমাৰৰ নিদ্ৰামগ্ন কণ্ঠস্বৰ ভাঁহি আহিল।

'মই আদিলে কৈছো ছাৰ।'

'গম পাইছো। শংকৰৰ খবৰ কোৱা।'

'আপুনি কোৱামতে মই আৰু মিহিৰে শংকৰৰ ওপৰত চকু দি আছিলো। সি ঠিক

এঘাৰটামান বজাত তাৰ বস্তিৰ দোকান ঘৰৰ পৰা ছাত্ৰীবাৰীলৈ ওলাই আহিছিল। আমিও পিছে পিছে ফল' কৰিছিলো। তাক ছাত্ৰীবাৰীতে ধৰিব পাৰিছিলো, কিন্তু সি ওলোটাই মিহিৰক ডেগাৰেৰে খুচি পেলাই গ'ল।' আদিলে একে উশাহে কথাখিনি কৈ ৰ'ল।

'ছাত্ৰীবাৰীৰ কোনখিনিত? গোৱেংকাৰ ঘৰৰ ওচৰত নহয়তো।'

'গোৱেংকা ছাৰৰ ঘৰৰ পৰা এফাৰ্লংমান আঁতৰত তিনিআলিটোৰ মুখতে তাক ধৰিছিলো। তাৰ পাছত সি কোনটো গলিৰে পলাই গ'ল ধৰিব নোৱাৰিলো। দুজনমান মানুহ দৌৰি অহা দেখি আমি গুচি আহিলো।'

'আৰু মিহিৰ?'

'তাৰ অৱস্থা বেয়া। কোনোবা ডাক্তৰৰ ওচৰলৈ নিব নোৱাৰিলে .......................'

'ডাক্তৰৰ ওচৰলৈ নিয়াৰ দৰকাৰ নাই। ৰেললাইনতে পেলাই থৈ আহা।'

সিফালৰ পৰা ভাঁহি অহা দয়া-মায়াহীন কথা কেইষাৰিয়ে আদিলৰ দেহ-মন প্ৰায় অসাৰ কৰি তুলিলে। সি ৰিচিভাৰটো থৈ দি কঁপিব ধৰিলে। সি জানে এই মুহূৰ্তত কুমাৰ চাহাবৰ কথা অমান্য কৰাৰ দুঃসাহস তাৰ নাই। আগতেও নাছিল। কেইদিনমান আগলৈকে কুমাৰ চাহাবৰ ভয়ানক কামবোৰ সি আৰু মিহিৰে কৰিছিল কুমাৰ চাহাবৰ মেনেজাৰৰ ইংগিতত। এই প্ৰথমবাৰৰ বাবে কুমাৰ চাহাবৰ প্ৰত্যক্ষ নিৰ্দেশত কামকেইটা কৰোঁতেই সিহঁতে পাইছিল অলেখ টকা। বিনিময়ত প্ৰতিশ্ৰুতি দিব লগা হৈছিল মাথোঁ চিৰদিনলৈ মুখ বন্ধ কৰি ৰখাৰ। কুমাৰ চাহাবৰ মতে অকল তেওঁ আৰু সিহঁত দুটাইহে জানে সিহঁতে কৰা ভয়ানক কামটোৰ কথা।

কিন্তু এই দুদিনতে সিহঁতৰ সপোনৰ নীড় ভাঙি গ'ল। এতিয়া সি অকলশৰীয়া। মিহিৰ বাচি আছেতো!! মিহিৰৰ কথা মনত পৰোতেই তাৰ চকুত দুটোপাল চকুলো বিৰিঙি উঠিল। কোনোমতে নিজকে চম্ভালি লৈ সি মাৰুতি ভেনখনলৈ আগুৱাই আহিল। চালকৰ দৰ্জাখন খুলি চিটত বহিব লৈ ওচৰতে নিঃসাৰ হৈ পৰি থকা মিহিৰৰ দেহটো চাই সি ভয় খালে। মিহিৰৰ বুকুখন এতিয়া উঠা-নমা কৰি থকা নাই। তাৰমানে?

পিছৰ আধাঘণ্টা বেচ খৰ গতিৰেই পাৰ হৈ গ'ল।

প্ৰায় জীৱন্ত ৰবট এটাৰ দৰে নৃশংস কামটো শেষ কৰি সি আকৌ গেৰেজটোলৈ উভটি আহিল। গেৰেজৰ কেবিনটোৰ পুৰণা ভঙা কাঠৰ চকীখনত বহি লৈ ভাগৰত চকুহাল মুদি দিয়াৰ লগে-লগেই কুমাৰ চাহাবৰ কৰ্কশ আৰু ভয়ংকৰ কথাখিনি আদিলৰ কাণত অহৰহ বাজিব ধৰিলে। আৰু কুমাৰ চাহাবৰ?

তেওঁৰো চকুৰে-মুখে একেই দুঃচিন্তাৰ ভাব।

বিছনাখনতেই শুই শুই তেওঁ চকুমেলি চিলিংখনলৈ চাই আছিল।

কি কৰিব এতিয়া তেওঁ? তেওঁ বুজি পাইছে শংকৰ বোলা মানুহটোক গোৱেংকাই কামত লগাইছে। অন্যথা শংকৰ মাজনিশা ছাত্ৰীবাবীলৈ যোৱাৰ কোনো সকাম নাই। তেওঁলোকৰ মাজত থাকিও যদি গোৱেংকাই তেওঁলোকৰ বিপক্ষেই গোপনে মানুহ লগাব পাৰে তেনেহ'লে তেওঁ নিৰ্লিপ্ত হৈ বহি থকাৰো কোনো যুক্তি নাই।

কিন্তু ..............

তেওঁ জানে বেছ কৌশলেৰে তেওঁ জাল পেলাব লাগিব। গোৱেংকাৰ লগত যুঁজিব যোৱাটো ভাতৰ লগত পানী খোৱাৰ নিচিনা নহয়। গোৱেংকা তেওঁতকৈ বহু বেছি ক'লা টকাৰ গৰাকী। নিজৰ ব্যৱসায়ৰ স্বাৰ্থৰ বাবেহে গোৱেংকা তেওঁলোকৰ লগ লাগিছিল আৰু নিজৰ টকাৰ হানি-বিঘিনি নহবৰ কাৰণেই হয়তো তেওঁ ছুপাৰছ্ পেৰাডাইজৰ অভিযান ব্যৰ্থ কৰি দিলে। তথাপিও গোৱেংকা ক্ষান্ত হোৱা নাই। হয়তো পৰৱৰ্তী লক্ষ ভাটিয়াও হ'ব পাৰে বা তেঁৱো হব পাৰে। গোৱেংকাই জানে তেওঁৰ এই সুবিশাল ব্যৱসায়িক জগতখনৰ কোনো উত্তৰাধিকাৰীও নাই। সময়তে বিয়া বাৰু কৰোৱাহেঁতেন হয়তো এপাল ল'ৰা-ছোৱালীৰ বাপেক হ'লহেঁতেন তেওঁ। দিল্লীৰ অনাথ আশ্ৰমৰ পৰা মাত্ৰ এহেজাৰ টকা লৈ অসমত ভৰি দিয়া ত্ৰিশবছৰীয়া সেই অখ্যাত যুবকজনেই যে আজি ত্ৰিশবছৰৰ পিছত কোটিপতি হ'ব কোনেনো জানিব? অৱশ্যে লোক চক্ষুৰ আগত ট্ৰেন্সপোৰ্ট কোম্পানী এটাৰহে মালিক তেওঁ, যিটো তেওঁ এতিয়া অসমীয়া যুৱক এজনক মেনেজাৰ কৰি চলাই ৰাখিছে। আৰু লোকচক্ষুৰ আঁৰত তেওঁৰ পৰিচয় কি?

কুমাৰৰ মুখত এটা ক্ৰুৰ হাঁহি বিৰিঙি উঠিল।

দহজনে জানে তেওঁ দিনটো আই কেম্প, অনাথ আশ্ৰম, ৰটাৰী ক্লাব কৰিয়েই কটাই দিয়ে। পিছে ৰাতি তেওঁ এজন সম্পূৰ্ণ ভিন্ন মানুহ হৈ পৰে!! হাতত থকা মোবাইল টেলিফোনটো তেতিয়া অহৰহ ব্যস্ত হৈ থাকে। ফোনটোৰেই তেওঁ অন্ধকাৰ জগতখনত বিচৰণ কৰি ফুৰে। গতিকে তেওঁৰ দৰে মানুহ এজনে গোৱেংকাৰ ভয়ত বিতত হোৱাটো উচিত হোৱা নাই। কুমাৰে নিজে নিজকে প্ৰবোধ দিলে।

কুমাৰে বিছনাখনৰ কাষৰ চাইড টেবুলখনত থকা কলিং বেলৰ চুইচটো টিপি দিলে। কিছু সময়ৰ পিছতে বন্ধ দৰ্জাখন খুলি ছুটী-চাপৰ বিহাৰী লোক এজন সোমাই আহিল। মানুহজনৰ চকুৱে-মুখে এইমাত্ৰ টোপনিৰ পৰা সাৰ পোৱাৰ স্পষ্ট চাপ এটা দেখা পাই কুমাৰৰ বিৰক্তি উপজিল। তেওঁ কিছু হুটা মাতেৰে সুধিলে 'আজি গাৰ্লছ হোষ্টেল এখনৰ পৰা নতুন ছোৱালী এজনী অহাৰ কথা আছিল। আহিছিল নেকি?'

'আহিছিল; কিন্তু .........'

'কিন্তু কি?'

'আপুনি নথকা দেখি মেনেজাৰ চাহাবে আকৌ ঘূৰাই পঠালে।'

'মেনেজাৰ ফুকন আহি পালে নেকি?' প্ৰশ্নটো সুধিয়েই কুমাৰে উত্তৰলৈ বাট নাচাই মোবাইল ফোনটোত হাত দিলে। খন্তেক পিছতেই সিফালৰ পৰা মৃদু মাত এষাৰ ভাঁহি আহিল 'হেল্লো। ছাৰ নেকি?'

কুমাৰে হাতৰ আঙুলিৰে বিহাৰী লোকজনক ওলাই যাবলৈ ইংগিত দি ক'লে - 'অ' মই কৈছো। আপুনি দিল্লীৰ পৰা কেতিয়া আহি পালে?'

'আজি আবেলিৰ ফ্লাইটত পালোহি। যোৱা সাতাইশ তাৰিখে কলকাতাৰ পৰা আহিয়েই বৰঝাৰৰ পৰাইয়ে দিল্লীলৈ ইভিনিং ফ্লাইটখনত যাব লগা হোৱাৰ কাৰণে ডিটেইলচ্ একো ৰিপোৰ্ট দিব নোৱাৰিলো। মই আজি আহিয়েই আপোনালৈ বুলি বৈ বৈ ............।'

'সেইবোৰ বেপাৰ-বাণিজ্যৰ কথা পিছত শুনিম ফুকন।' কুমাৰে মাতটো যথাসম্ভৱ সৰু কৰি ক'লে - 'গোৱেংকাই মোৰ বিপক্ষে এটা গভীৰ ষড়যন্ত্ৰ কৰিছে। এতিয়াই বাধা দিব নোৱাৰিলে পিছলৈ মই আৰু বলে নোৱাৰিম। আপুনি সাতাইশ তাৰিখে কলকাতা এৰাৰ আগতে যে আপোনাক টেলিফোনত কৈছিলো আমি এঘাৰজনে মিলি ষ্টেটেজী এটা বনাইছো বুলি, সেইটো সেইদিনা ফেইল হ'ল। ইয়াৰ গুৰিতে কোন জানে? গোৱেংকা। সেইকাৰণেই মই ঠিক কৰিছো তেওঁক আৰু মই জীয়াই থাকিব নিদিওঁ। কিন্তু গোৱেংকা গভীৰ পানীৰ মাছ। সেয়েহে ঠিক কৰিছো অহা কালি যিকোনো এখন হোটেলত কনফাৰেন্স পতা যাওঁক। তালৈকে আমাৰ এঘাৰজনকেই মতা যাব। সময় ধৰক দিনৰ এঘাৰটা। ময়ো এটেণ্ড কৰিম বুলি কব, কিন্তু মই সময়মতে নাযাওঁ। বাকী কেইজন গোটখালেই কনফাৰেন্স ৰূমটো উৰুৱাই দিয়া হ'ব। আদিল এ.টি ৰোডৰ গেৰেজটোত আছে।'

'কিন্তু .........'

'কিন্তু কি ফুকন?' কুমাৰে সুধিলে।

'আপুনি গৈ নোপোৱালৈকে তেওঁলোকে মিটিঙ এটেণ্ড নকৰিবও পাৰে।'

কুমাৰৰ আকৌ দুঃচিন্তা উপজিল। মনলৈ অৱশ্যে আশাৰ ৰেঙণি এছাটিও আহিল। আগৰ অভিযান কেইটাৰ ষড়যন্ত্ৰৰ পৰা ফুকনক আঁতৰাই ৰখাৰ ফলাফল কি হ'ল তেওঁ দেখিছেই। এইবাৰ সেয়েহে প্ৰথমৰ পৰাই তেওঁ ফুকনৰ বুদ্ধিক খটুৱাব বিচাৰিলে। তেওঁ উৎকণ্ঠাৰে সুধিলে 'তেন্তে?'

'আপুনি সময়মতেই যাব লাগিব। মই বা আদিলে ইংগিত দিলেই আপুনি টয়লেট কৰিবলৈ বুলি উঠি যাব। ষ্টাৰ লাইনৰ থাৰ্ড ফ্লৰৰ কনফাৰেন্স ৰূমটোত এটাছ টয়লেট নাই; বাহিৰতহে আছে। গতিকে ...........'

'ঠিক আছে।'

৯

জি. এছ ৰোড আৰু এ. কে আজাদ ৰোডক সংযোগ কৰা ঠেক পথটোৰ দাঁতিত থকা ছয়তলাৰ ষ্টাৰলাইন হোটেলৰ লিফ্‌টখনেৰে উঠি যাওতে প্ৰদীপ ফুকনে অনৰ্গল কথা কৈ আছিল। লিফ্‌টতে ঠিয় হৈ থকা কাপুৰ আৰু হনুমান শেঠে অৱশ্যে একো মতা নাছিল। নীৰৱেই শুনি গৈছিল ফুকনৰ কথাখিনি। তেওঁলোক দুজনৰ মনবোৰ বিক্ষিপ্ত হৈ আছিল। এটাৰ পিছত এটা অকল বেয়া খবৰেই তেওঁলোকে শুনি আহিছে। অথচ কিমান আশাৰে তেওঁলোকে কুমাৰ আৰু ভাটিয়াৰ হাতত এক কৌটি টকা ঢালি দিছিল। তেওঁলোকৰ অজস্ৰ কৌটি ক'লা টকাৰ পৰা এক কৌটি টকাৰ হৰণ-ভগন হ'লেও কোনো ক্ষতি নাই; কিন্তু তেওঁলোকৰ অজস্ৰ কৌটি ক'লা টকাৰ উৎস ব্যৱসায়ৰ এই স্বৰ্ণ-মৃগটো চৰকাৰে যদি কাঢ়ি নি থলুৱা নিবনুৱাক উপহাৰ দিব খোজে তেতিয়া এক কৌটি কিয় তাতকৈয়ো বেছি টকা খৰছ কৰিবলৈ তেওঁলোক প্ৰস্তুত। সেয়েহে তেওঁলোকে চৰকাৰৰ মনৰ খবৰ পায়েই এটা প্ৰকাণ্ড ট্ৰাংক পাঁচশটকীয়া নোটেৰে ভৰ্ত্তি কৰি পঠিয়াই দিছিল; কিন্তু সকলোকে বিস্মৃত কৰি সেই ট্ৰাংকটো উভতি আহিছিল এটা হুংকাৰ বাণীলৈ ঃ টকাৰে অসমীয়াৰ স্বাৰ্থ বিক্ৰী কৰা আৰু নচলিব। তেতিয়া তেওঁলোক বাধ্য হৈছিল এটা ভয়ানক আৰু ৰক্তাক্ত দুৰ্ঘটনাৰ বাবে গভীৰ ষড়যন্ত্ৰ ৰচিবলৈ।

লিফ্‌টেৰে উঠি যাওঁতে কাপুৰৰ অন্তৰাত্মা হঠাতে এবাৰ অজান আশংকাত কঁপি উঠিল। আঁৰ চকুৰে ফুকনৰ মুখৰ অভিব্যক্তি চাই তেওঁ নিজকে প্ৰশ্ন কৰিলে - কুমাৰে এই অসমীয়া মানুহজনৰ ভিতৰত এনে কি গুণ দেখা পাইছে যাৰ কাৰণে তেওঁৰ সমস্ত হিচাপ-নিকাচ সঁপি দিছে? তদু পৰি এফালে তেওঁলোকে থলুৱাৰ হাতলৈ ব্যৱসায় গুচি যোৱাতো প্ৰতিৰোধ কৰিবলৈ ভয়ানক ষড়যন্ত্ৰ এটা ৰচিছে, আনহাতেদি তেওঁলোকৰে এজনে থলুৱা এজনক আপোন কৰি লৈছে। অৱশ্যে এই ফুকনো দৃশ্যপটত নাছিল, কুমাৰেই আঁতৰাই ৰাখিছিল। কলিকতাৰ ব্যৱসায়ৰ কামত সেইকেইদিন ব্যস্ত ৰাখিছিল ফুকনক; কিন্তু হঠাতে যোৱা সাতাইশ তাৰিখে কলিকতাত বাহৰ পাতি থকা ফুকনক টেলিফোনতে সকলো কথা কুমাৰে কিয় সদৰি কৰিলে ভাবি ওৰ নাপালে কাপুৰে। কুমাৰৰ একেই কথা ফুকন বিশ্বাসঘাটক নহয়।

কথাবোৰ ভাবি কাপুৰ কিছু আন্মনা হৈ পৰিছিল। হঠাতে লিফ্‌টখন থমকি ৰৈ দৰ্জাখন খোল খাই যোৱাতহে কাপুৰৰ চিন্তাত যতি পৰিল। তেওঁ লিফ্‌টৰ পৰা ওলাই আহিল। ফুকনে তেওঁক চেৰাই গৈ দুখোজ আগবাঢ়ি গৈ ক'লে— 'কনফাৰেন্স ৰুমটো বাওঁহাতে একেবাৰে পশ্চিম কোণত। কুমাৰ চাহাব আৰু ভাটিয়া চাহাব আগৰে পৰা ৰৈ আছে।'

'আৰু গোৰেংকাহঁত?'

'তেওঁলোকো আহি আছে। এইমাত্ৰ পাবহি।'

ফুকনক পিছপেলাই কাপুৰ আৰু শেঠ কনফাৰেন্স ৰুমলৈ বুলি অগ্ৰসৰ হ'ল। ফুকনে

নিজৰ হাতঘড়ীটোলৈ চালে। আৰু পোন্ধৰ মিনিট আছে। যদি গোৱেংকাহঁত সময়মতে আহি নাপায় তেন্তে সমস্ত পৰিকল্পনাই অথলে যাব।

ফুকনে লিফ্‌টখন তললৈ নামি যোৱা চাই কিবা ভাৱত বিভোৰ হৈ পৰোতেই পিছফালৰ পৰা আদিলে আহি মাত দিয়াত ঘূৰি চাই ফুচফুচাই সুধিলে - 'কি হ'ল আদিল?'

'আৰু মাত্ৰ পোন্ধৰ মিনিট আছে।'

'জানো।'

'তেওঁলোকক মোবাইল ফোনেৰে এবাৰ কন্টেক কৰিব নেকি?'

'অলপ আগতে কৰিছিলো। ঘৰৰ পৰা তেওঁলোক ওলাই আহিছে। বোধহয় ট্ৰেফিক জামত ফচি গৈছে।' এইবাৰ মাতটো আৰু কিছু সৰু কৰি সুধিলে - 'তুমি সময়তো কেইবজাত ঠিক কৰি ৰাখিছা?'

'ঠিক এঘাৰটা পচিশত। এক ছেকেণ্ডৰো ইফাল-সিফাল নহ'ব।'

'মই তেতিয়া হ'লে এঘাৰটা বিশত কনফাৰেন্স ৰুমৰ পৰা ওলাই আহিম। তুমি ৰিচেপচন কাউন্টাৰত ৰৈ থাকিবা। মোক লিফ্‌টেৰে নামি অহা দেখিলেই তুমি লিফ্‌টত উঠি লবা। চাবা যাতে থাৰ্ড ফ্লৰত ভৰি দিয়াৰ লগে-লগে ৰিমট কণ্ট্ৰলৰ চুইচত হাত পৰে। এটা চেকেণ্ডৰো হেৰফেৰ হ'ব নোৱাৰে।'

'কিন্তু আমাৰ ছাৰ?'

'তেখেতক টয়লেট ৰুমত থৈহে মই তললৈ যাম। চিন্তা নকৰিবা।'

'আদিলে একো নক'লে। এখন্তেক পিছত লিফটৰ চুইচ বৰ্ডখনলৈ চাই মাথো ফুচফুচাই ক'লে' কোনোবা উঠি আহিছে।'

ফুকনে একো নক'লে।

এতিয়া মাথো অপেক্ষাৰ সময়। মৃত্যুৰ অপেক্ষা।

খন্তেক পিছতে লিফ্‌টৰ দৰ্জা খোল খালে। লগে-লগে গোৱেংকা, জাজোদিয়া, চোপ্ৰা, আগৰৱাল, পৰমবীৰ সিঙ, সুৰীন্দৰ খান্নাৰ গহীন মুখকেইখন ফুকনৰ চকুত পৰিল। ফুকনে এটা মূহুৰ্তও বিলম্ব নকৰাকৈ তেওঁলোকক কনফাৰেন্স ৰুমটোলৈ আগবঢ়াই লৈ গ'ল। ফুকনে কনফাৰেন্স ৰুমৰ দৰ্জাখন ঈষৎ মেলি দিলে। ফাঁকটোৰে তেওঁলোক ভিতৰলৈ সোমাই যোৱাৰ পিছত ফুকনে আদিললৈ চাই পঠিয়ালে।

আদিলে মূৰটো দুপিয়াই তললৈ নামি গ'ল।

ফুকন এইবাৰ কনফাৰেন্স ৰুমৰ ভিতৰলৈ সোমাই গ'ল।

ৰুমটোৰ ঠিক মাজতে বহল ঘূৰণীয়া কনফাৰেন্স টেবুল এখন, তাৰে একোণত বহি থকা কুমাৰৰ ওচৰত থিয় হৈ ফুকনে মূৰটো তললৈ হলাই কুমাৰৰ কাণৰ ওচৰত ফুচফুচাই ক'লে - 'ঠিক এঘাৰটা ত্ৰিশ বজাত মই সোমাই আহিম। মোক দেখিলেই আপুনি টয়লেট ৰুমলৈ উঠি যাব। মই ন'হালৈকে আপুনি উঠি নাযাব।'

ফুকন নৰ'ল।

তেওঁ ওলাই বাহিৰ পালেহি।

মানুহটো বেছ অস্থিৰ হৈ পৰিছে। কৰিডৰটো এফালৰ পৰা সিফাললৈ পায়চাৰী কৰি কৰি একোবাৰ ৰৈ যায়। হাতঘড়ীটোত এবাৰ চকু ফুৰাইয়ে পুনৰ পায়চাৰী আৰম্ভ কৰি দিয়ে।

আৰু পাঁচ মিনিট আছে।

মিনিটবোৰ যেন আজি অতি দ্ৰুত গতিৰে পাৰ হ'ব ধৰিছে, ফুকনৰ এনে ভাব উপজিল। আৰু মাত্ৰ কেইটামান মিনিটৰ ভিতৰতে ভয়ংকৰ বিস্ফোৰণত কঁপি উঠিব কনফাৰেন্স ৰুমটো। ভিতৰৰ কোনো এজনো সাৰি যাব নোৱাৰিব। পলকতে জ্বলন্ত মাংস পিণ্ডত পৰিণত হ'ব তেওঁলোক। ঠিক যিদৰে সাতাইশ তাৰিখে হ'লহেঁতেন ..............

ফুকনে জানে তেওঁ নিৰুপায়।

এইয়া পাপ। তথাপিও এই ভয়ংকৰ দুৰ্ঘনাটো ঘটিবই লাগিব। যদি এই বিস্ফোৰণটো হলেই অজস্ৰ নিবনুৱাৰ সংস্থাপন হয় তেতিয়া সেয়াই ভাল।

ফুকনে ঘড়ীটোলৈ চালে।

এঘাৰটা বিশ।

ফুকনে কনফাৰেন্স ৰুমৰ বন্ধ দৰ্জাখনলৈ শেষ বাৰৰ কাৰণে চাই পঠিয়ালে। তেওঁৰ ওঠত ক্ৰুৰ হাঁহি এটা বিৰিঙি উঠিল। তেওঁ তাৰ পিছত উভতি খোজ দিলে। লিফ্টখনেদি তললৈ নামি যাওঁতে মুখত ভাৱলেশহীন চাঁৱনি এটা বিৰিঙি উঠিল। সেই চকুৰ চাঁৱনিয়ে গ্ৰাউণ্ড মহলাৰ ৰিচেপচন কাউণ্টাৰৰ ওচৰতে ঠিয় হৈ থকা আদিলৰ বজ্ৰ কঠিন হৃদয়তো তোলপাৰ লগাই দিলে। এনেকুৱা হিম-শীতল চাঁৱনি জীৱনত সি এই প্ৰথমবাৰৰ বাবে দেখা পালে। আদিলে পিছে একো নুসুধিলে। নীৰৱেই উঠি গ'ল।

আদিলৰো উৎকণ্ঠা বাঢ়ি গ'ল।

সি ঘনাই ঘনাই উশাহ লব ধৰিলে।

লিফ্টখন দ্বিতীয় মহলা পায়েই হঠাতে ৰৈ গ'ল। স্বয়ংক্ৰিয়ভাৱে লিফ্টৰ দৰ্জাখন খোল খালে। বেয়াৰা এটাই হাতত ট্ৰে এখন লৈ লিফ্টত ভৰি দিব ওলাইছিল। আদিলে বাধা

দি কৈ উঠিল - 'মই থাৰ্ড ফ্লৰৰ পৰা ঘূৰি আহোঁ। মিটিং এটেণ্ড কৰিব লাগে।'

আদিলে কোনো প্ৰশ্ন সুধিবলৈ অৱকাশ নিদি লিফ্‌টৰ চুইচটো টিপি দিলে। মূহুৰ্ততে লিফ্‌টৰ দৰ্জাখন পুনৰ সশব্দে বন্ধ হৈ পৰিল। আকৌ লিফ্‌টখন ওপৰলৈ উঠিব ধৰাতহে আদিলে উশাহ সলালে। আদিলে এইবাৰ পেণ্টৰ পকেটৰ পৰা সৰু ৰিমট কণ্ট্ৰল এটা উলিয়াই লৈ হাতৰ মুঠিৰ ভিতৰত লুকুৱাই ল'লে। আদিলে জানে কেইটামান মূহুৰ্ত অবাবতে নষ্ট হৈ যোৱাৰ বাবে সি এতিয়া আগতকৈয়ো খৰখেদাকৈ কাম কৰিব লাগিব।

লিফ্‌ট থাৰ্ড ফ্লৰত ৰৈ যোৱাৰ লগে লগে আদিলে হাতঘড়ীটোলৈ চালে। লগে লগে শিয়ঁৰি উঠিল।

আৰু মাত্ৰ তিনিটা ছেকেণ্ড বাকী আছে।

লিফ্‌টৰ দৰ্জাখন খুলি যোৱাৰ লগে লগে সি ঘড়ীৰ কাঁটাৰ সমানে পদক্ষেপ লব লাগিব। ৰিমট কণ্ট্ৰলৰ চুইচটো টিপি পুনৰ লিফ্‌টত ভৰি দিওঁতে তাক তিনি চেকেণ্ডেই লাগিব। আৰু যদি এটা যৎসামান্য ভুল হয় ..................

আদিলে ভাবিব এৰি দিলে।

চৰম উত্তেজনাৰ অসতৰ্ক মূহুৰ্ত এটাত কেনেকৈ যে ৰিমটি কণ্ট্ৰলৰ বুটামত সোঁ-হাতৰ বুঢ়া আঙুলিটোৰ হেচা ভুলতে পৰি গ'ল সি তলকিবই নোৱাৰিলে।

আৰু মূহুৰ্ততে ...............

১০

'চৌধুৰী।' চিটি এচ. পি আনন্দ পেগুৱে তেওঁৰ টেবুলৰ ওপৰত মেলি থোৱা টাইপ কৰা কাগজ খিলাত চকুফুৰাই ক'লে, - 'তাৰমানে আপুনি কব খোজে যে এই গোটেই ঘটনাটোত আমাৰ লকেল এক্সট্ৰিমিষ্ট গ্ৰুপৰ লগত পাকিস্থানী আই. এছ. আইৰ হাত আছে।'

'হয় ছাৰ। মটিভো এটাই - চি. এমক টাৰগেট কৰি লাইম লাইটলৈ অহা।' চি.আই.ডি ইন্সপেক্টৰ ভাস্কৰ চৌধুৰীয়ে গল হেকাৰি মাৰি ক'লে - 'যিটো কৌশলেৰে টিউব্ লাইটৰ গেছখিনিৰ বিস্ফোৰণ ঘটালে সেই কৌশলটো আমাৰ চৈধ্যটা উগ্ৰপন্থী দলৰ ভিতৰত মাত্ৰ চাৰিটাৰহে জনা মানুহ আছে; কিন্তু এই ঘটনাটোত ঠিক এটাই নে চাৰিটাই যোগ হৈছে সেইটোহে ধৰিব পৰা নগ'ল। অৱশ্যে এটা কথা ঠিক তেওঁলোকৰ ভিতৰৰ মাত্ৰ এজনে এই অভিযানটোৰ বিপক্ষে আছিল। আৰু সেইদিনা তেওঁ কলকাতাৰ পৰা গুৱাহাটীলৈ জেট এয়াৰৱেজৰ আবেলিৰ ফ্লাইটখনেৰে আহিছিল। আপোনালৈ কলকাতা আৰু গুৱাহাটী এয়াৰপোৰ্টৰ পৰা ফোন কৰা মানুহ এজনেই। চেহেৰাটো সাধাৰণ অসমীয়া যুৱক এজনৰ দৰে। দুয়োটা ঠাইৰে পি.চি.অ. দুটাৰ পৰা যি আভাস পালো তাৰ ভিত্তিত কব পাৰি যে মানুহজন হ'ব মজলীয়া ধৰণৰ ওখ, ক্ষীণ,

মিঠা বৰণীয়া; কিন্তু এনেকুৱা ধৰণৰ যুৱক গুৱাহাটীতে অন্ততঃ দহহেজাৰ আছে। অৱশ্যে সেইদিনা কলিকতাৰ পৰা অহা যাত্ৰী সকলৰ ভিতৰত ৪০ জনৰ বয়স আছিল পছিশৰ পৰা পয়ত্ৰিশৰ ভিতৰত, ইয়াৰে তেইশজন আছিল অসমীয়া, কিন্তু ..........'

'কিন্তু কি চৌধুৰী?'

'পেছেঞ্জাৰ লিষ্টখনেই সকলো গণ্ডগোল লগালে। নামবোৰ সম্পূৰ্ণকৈ ক'তো নাই। ভি. দাস, এছ. কলিতা, পি. ফুকন, পি. বৰা এনেভাৱেহে লিখা আছিল। বিতং ঠিকনাও নাই ক'তো। গতিকে .........'

'বুজিছো।' কথাষাৰ কৈ পেগুৱে আকৌ কাগজখিলা মনোযোগেৰে পঢ়াত লাগিল। কোঠাটোৰ পৰিৱেশ হঠাতে থমথমীয়া হৈ পৰিল। একোণত বহি থকা বিমল মেধিৰ মনটো তেতিয়া উচপিচাব ধৰিলে। মেধিয়ে ঠিৰাং কৰিব নোৱাৰিলে শংকৰ, ৰামলাল আৰু মাৰুতি ভেনখনৰ প্ৰসংগ তেওঁ উল্লেখ কৰিব নে নকৰে। বেছ কিছুপৰ ভাৱি অৱশেষত মেধিয়ে থিৰাং কৰিলে - এই মূহূৰ্তত সকলোৱে আগত বহলাই বিৱৰণ দিলে হিতে বিপৰীত হ'ব। ৰাজনৈতিক নেতাৰ লগত সনা পিটিকা থকা ভাস্কৰ চৌধুৰীয়ে অন্যফালে পোনাই নিব তেওঁ সংগ্ৰহ কৰা - খবৰখিনি।

অৱশ্যে এই মূহূৰ্তত মেধিৰ চিন্তাটো আউল লাগিছে।

মাৰুতি ভেনখনৰ যে নম্বৰটো ভুৱা হ'ব মেধিয়েই আগতেইঅনুমান কৰি লব পাৰিছিল; কিন্তু আউল লগালে শংকৰে। সি আততায়ী এজনৰ মুখখন চকামকাকৈ দেখা পাইছিল। তাৰ মানস পটত ৰৈ গৈছিল মুখখনৰ ছাব। মেধিয়ে তাৰ আগত মেলি দিয়া এশজন অপৰাধীৰ ফটোৰ পৰা পোনছাটেই যিজনক আঙুলিয়াই দেখুৱালে সেই মিহিৰ ৰয়ৰ মৃতদেহ আকৌ পোৱা গ'ল আঠগাৱঁৰ ৰেললাইনত, ডিঙিৰ পৰা অৱশ্যে মূৰটো দূৰৈত ছিটিকি পৰি আছিল।

ঘটনাটোৱে মেধিক বিমোৰত পেলাইছিল।

মিহিৰ ৰয় প্ৰচলিত অৰ্থত গুণ্ডা নহয়। সি জড়িত আছিল ফাঁচী বজাৰৰ ব্যৱসায়ী জগতখনৰ মুখাপিন্ধা ব্যৱসায়ী কেইজনৰ হৈ দালালী কাৰ্যতহে। সি আদিল খান বোলা আন এটাৰ সৈতে সৰু-সুৰা স্মাগ্‌লিং কৰাৰো ৰেকৰ্ড নথকা নহয়। মেধিয়ে আদিল খানক বিচাৰি চাৰিওফালে মানুহ লগাই দিছিল। অৱশেষত এচ. আই. নাজৰীয়ে খবৰ এটা আনি দিছিল - আদিল খানক যোৱা কেইদিনমানৰ পৰা ৰামলাল আৰু শংকৰৰ বস্তিত সঘনে দেখা গৈছিল।

আৰু দেখা গৈছিল ফাঁচী বজাৰৰ কুমাৰ ট্ৰেডিং কোম্পানীৰ গুদামঘৰত।

তেন্তে? মেধিৰ চিন্তাত আউল লগাৰ কাৰণো সেইয়াই।

হঠাতে টেলিফোনটো সশব্দে বাজি উঠাত কোঠাটোৰ নীৰৱ পৰিৱেশটো সৰৱ হৈ উঠিল। পেগুৱে অৱশ্যে টেলিফোনটো নধৰিলে। কাষতে বহি থকা ভাস্কৰ চৌধুৰীক টেলিফোনটো ধৰিবলৈ ইংগিত দি তেওঁ কাগজ খিলা আকৌ পঢ়াত মনোনিবেশ কৰিলে। চৌধুৰীয়ে টেলিফোনটো কেইটামান মুহূৰ্তৰ বাবে কাণৰ কাষত লগাইয়ে প্ৰায় কম্পিত স্বৰত মাত দিলে - 'ছাৰ।'

চৌধুৰীৰ মাতটোত থকা অস্বাভাৱিকতাত পেগুৱে কিছু আচৰিত হৈ প্ৰায় লগে লগেই মূৰ তুলি চাই সুধিলে - 'কি হ'ল চৌধুৰী?'

'হোটেল ষ্টাৰলাইনৰ থাৰ্ড ফ্লৰত থকা কনফাৰেন্স ৰুমত এইমাত্ৰ বোমা ফুটিছে। তাত ফাঁচীবজাৰৰ এঘাৰজন ব্যৱসায়ী আছিল। সন্দেহ কৰা হৈছে গোটেই কেইজনেই ..........'

১১

তেতিয়াও ধোঁৱাৰে ধূসৰিত হৈ আছে ভগ্নস্তূপত পৰিণত হোৱা কনফাৰেন্স ৰুমটো। য'তে-ততে সিচৰিত হৈ আছিল কাৰোবাৰ ভৰি, হাত, মূৰ, চশমা। ৰুমটোলৈ সোমোৱা দৰ্জাখন চূৰ্ণ-বিচূৰ্ণ হৈ পৰি আছিল। দৰ্জাখনৰ পৰা প্ৰায় দহফুটমান আঁতৰত লিফ্‌টৰ মুখতে আৰু এটা মৃতদেহ উবুৰি খাই পৰি আছিল। মানুহজনৰ হাতত তেতিয়াও আছিল সৰু বিমট কণ্ট্ৰল এটা। ইন্সপেক্টৰ মেধিয়ে সৰু-সুৰা স্মাগ্‌লিং কেচ দুটামানত তেওঁক ধৰিছিল। নামটোও তেওঁৰ মনত আছে। মেধিৰ মনলৈ তেতিয়া বিস্ময়ৰ পৰিৱৰ্তে উত্তেজনাৰ ভাব এটা ক্ৰমান্বয়ে বাঢ়ি আহিব ধৰিলে। তেওঁ যেন লাহে লাহে বুজিবলৈ উপক্ৰম কৰিছে ৰহস্যৰে আবৰা ছবিখন। মিহিৰ ৰয় ........... ৰামলাল ................ আদিল খান ................ এইবোৰ হ'ল সন্মুখত থকা সৈনিক। কিন্তু আঁৰৰ মানুহ কোন? ভগ্নস্তূপত মাংসপিণ্ডত পৰিণত হোৱা কেইজন নে অন্য কোনোবা?

'ছাৰ।'

'কওঁক নাজৰী।'

'এচ. পি. ছাৰ আহিছে। তেওঁ তলৰ ৰিচেপচন ৰুমত বৈ আছে।'

'ময়ো তালৈকে যাওঁ। ইয়াত আমাৰো এতিয়া কাম নাই। এয়া পল্টন বজাৰ থানাৰহে কেচ।' কথাষাৰ কৈয়ে মেধি চিৰিৰে তললৈ নামি গ'ল। তলৰ মহলাৰ ৰিচেপচন কাউণ্টাৰত তেতিয়া হুলুস্থূলীয় পৰিৱেশ। কান্দোনৰ মিলিত কলৰৱে পৰিৱেশতো গোমা কৰি পেলাইছে। এচুকত চিটি এচ. পি. পেগু ঠিয় হৈ আছিল। পেগুৰ মুখখন বেছ চিন্তাক্লিষ্ট দেখাইছিল। ওচৰতে মেধি আহি ঠিয় হৈ বৈ যোৱাৰ উমানো তেওঁ পোৱা নাছিল। তেওঁ কাষতে ঠিয় হৈ থকা যুৱক এজনৰ মুখলৈ একেথিৰে চাই মাত দিলে - 'মই যেন আপোনাৰ লগত আগতেই কথা পাতিছিলো। আজি প্ৰথম চিনাকীতে এনে ভাৱ আহিছে ফুকন।'

'মই আগেয়ে নাটক কৰিছিলো। বোধহয় ..............'

'হ'ব পাৰে। পিছে ফুকন, শুনামতে কুমাৰৰ কোম্পানীটো এতিয়া আপুনিয়ে চলাব লাগিব। কিন্তু চাব - কুমাৰৰ বাহিৰৰ সুনামতকৈ মই জানো তেওঁৰ কিছুমান বেয়া স্বভাৱো আছিল। এতিয়া .......................'

'মই সকলোৰে ভালৰ কাৰণেই ব্যৱসায় চলাম। আপুনি নিশ্চিত থাকিব পাৰে। অৱশ্যে .........................'

'অৱশ্যে কি?' পেগুৱে সুধিলে।

'আমাৰ কুমাৰ চাহাব আৰু গোৱেংকা চাহাবহঁতে জন্ম দিয়া চিণ্ডিকেটটোৰ ব্যৱসায় চৰকাৰে টেক অভাৰ কৰিব বুলি আজি কেইদিনমানৰ পৰা ৰিউমাৰ ওলাই আছে। বোধ হয় দুই-এদিনতে সেয়ে হ'ব। তেতিয়া আমাৰ ব্যৱসায় কমিব। কমক। আমাৰ কমিব; কিন্তু অসমৰ অন্ততঃ এক লাখ থলুৱাই সংস্থাপন পাব। সেয়াই ভাল।' ফুকনে বেছ দৃঢ়তাৰে ক'লে।

ফুকনৰ কথাষাৰে মেধিৰ মনলৈ এক তীব্ৰ উত্তেজনাৰ জোৱাৰ লৈ আনিলে। তেওঁ যেন বুজি পাইছিল এচ. পিয়ে ফুকনৰ মাতষাৰ নাটকত শুনা নাছিল, শুনিছিল কেইদিনমান আগতে অন্য এটা পটভূমিত। তেওঁ বাৰু কৈ দিব নেকি এচ. পিক?

মেধিয়ে পিছে একো নক'লে।

তেওঁ নীৰৱেই আঁতৰি গ'ল। মনটো এতিয়া তেওঁৰ বেছ ফৰকাল। ○